● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

### দিগ্‌দৰ্শন

*মোক হাঁহিৰ খোৰাক যোগাব পৰাজনেই মোৰ আটাইতকৈ প্ৰিয়। মানুহৰ জীৱনৰ সবাতোকৈ গুৰুত্বপূৰ্ণ সম্পদ হৈছে হাঁহি।*

আড্ৰে হেপবাৰ্ণ
*ব্ৰিটিছ অভিনেত্ৰী*



www.dainikagradoot.in

৫ 'ডাঙৰ শত্ৰু' পুটিনক সাক্ষাৎ ৰাষ্ট্ৰপতি বাইডেনৰ
১১ আজিৰে পৰা ভাৰত-নিউজিলেণ্ডৰ ফাইনেল
৪ অৰ্থনৈতিক মন্দাৱস্থা ঃ ধন্যবাদ বোপাই!!

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ২৪৮তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ৩ আহাৰ ১৪২৮ ভাস্কৰাব্দ ১৮ জুন ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 18 June 2021 মূল্য ঃ ৭.০০ টকা

■ কৰ'না পৰিস্থিতিত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ প্ৰতিবেদনত উদ্বেগজনক তথ্য পোহৰলৈ আহিল ■ ঘৰুৱা চাহিদাত নেতিবাচক প্ৰভাৱ ■ বিপৰ্যয়ৰ গহ্বৰলৈ ভাৰতীয় অৰ্থনীতি

# দ্বিতীয় ঢৌত দুই লক্ষ কোটি টকাৰ ক্ষতি

■ নিউজ ব্যুৰ'

**মুম্বাই, ১৭ জুন ঃ** কৰ'না অতিমাৰীয়ে চলোৱা নিৰন্তৰ তাণ্ডৱত যে দেশৰ অৰ্থনীতি ছেদেলি-ভেদেলি হ'ব সেই শংকা পূৰ্বৰে পৰা আছিল। কিয়নো ক'ভিডে সৃষ্টি কৰা এই সমস্যা কেৱল ভাৰতৰ নহয়, সমগ্ৰ বিশ্বৰ এক জটিল সমস্যা হিচাপে চিহ্নিত হৈছে। চীনৰ বাহিৰে বিশ্বৰ প্ৰায় প্ৰতিখন দেশ বিগত ডেৰ বছৰৰ ক'ভিড সংক্ৰমণত আৰ্থিক দিশত কম-বেছি পৰিমাণে ক্ষতিগ্ৰস্ত হৈছে। ভাৰতো ক'ভিডৰ সংক্ৰমণৰ প্ৰথমটো ঢৌৰ পৰাই আৰ্থিক দিশত যথেষ্ট ক্ষতিগ্ৰস্ত হৈ আহিছে; কিন্তু এই ক্ষতিৰ পৰিমাণ কিমান হ'ব পাৰে, তাক লৈ ইমানদিনে নানা ধৰণৰ জল্পনা-কল্পনা অব্যাহত আছিল। ক'ভিড কালত দেশৰ অৰ্থনীতিত হোৱা ক্ষয়-ক্ষতিৰ যি এক *আঠ পৃষ্ঠাত চাওক*







*তিহাৰ জেলৰ পৰা মুক্তি লাভৰ পাছতে দেৱাংগনা আৰু সতীৰ্থসকল, দিল্লীত বৃহস্পতিবাৰে।*

■ আমাক জেলৰ ভয় দেখুৱাই ভাবুকি দিব নোৱাৰে, আমি ভয় কৰা মহিলা নহয় ■ পুনৰ আদালতৰ আদেশতহে তিহাৰৰ পৰা ওলাল

## অগণন সমৰ্থকৰ শ্ল'গানৰ মাজেদি মুক্ত হ'ল দেৱাংগনাসহ তিনি সতীৰ্থ

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ১৭ জুন ঃ** অৱশেষত মুক্ত আকাশৰ তললৈ আহিল দীৰ্ঘদিন কাৰাবন্দী হৈ থকা তিনি ছাত্ৰকৰ্মী দেৱাংগনা কলিতা, নাটাছা নাৰৱাল আৰু আছিফ ইকবাল তানহা। যোৱা ১৫ জুনত দিল্লী উচ্চ ন্যায়ালয়ে জামিন মঞ্জুৰ কৰাৰ পাছতো নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত কাৰামুক্ত নোহোৱাৰ পাছত



দিল্লীৰ এক সত্ৰ ন্যায়ালয়ৰ কাষ চাপিছিল তিনি ছাত্ৰকৰ্মীয়ে। তাৎক্ষণিকভাৱে তেওঁলোকক মুকলি কৰি দিবলৈ আদালতৰ নিৰ্দেশৰ পাছত আজি সন্ধিয়া কাৰামুক্ত হোৱা দেৱাংগনাই কয়, 'এনে কাৰ্যকলাপে চৰকাৰৰ হতাশা প্ৰতিফলিত কৰিছে। আমি তেওঁলোকক ভয় কৰা মহিলা নহয়।' দেৱাংগনাহঁতক আদৰিবলৈ *সাত পৃষ্ঠাত চাওক*

## চে গুৱেভাৰাৰ কিউবা

**দেশ-কাল-সমাজ**

ড° দীনেশ বৈশ্য



চে গুৱেভাৰা বুলি প্ৰখ্যাত আৰ্জেন্টিনাৰ এজন বিপ্লৱী কমিউনিষ্ট নেতা যি এজন ডাক্তৰো আছিল আজিৰ তাৰিখতো পৃথিৱীৰ যুৱকসকলৰ মাজত অতি জনপ্ৰিয়। ১৯২৮ৰ ১৪ জুনত চে গুৱেভাৰাৰ জন্ম হৈছিল, ১৯৬৭ত বলিভিয়াৰ সেনাবাহিনীয়ে তেওঁক গুলীয়াই হত্যা কৰে। মাত্ৰ ৩৯ বছৰ জীয়াই থকা এইজন আৰ্জেন্টিনিয়ান কমিউনিষ্ট নেতাৰ জন্মদিনটো সমগ্ৰ পৃথিৱীতে যুৱকসকলে স্মৰণ কৰে। ২০২১ৰ কৰ'না *আঠ পৃষ্ঠাত চাওক*

## বিশিষ্ট শিক্ষক সাংবাদিক কোযেশ্বৰ গগৈৰ আকস্মিক মৃত্যু

'অগ্ৰদূত' পৰিয়ালৰ শোক



**অগ্ৰদূত বাৰ্তা**
**চিলাপথাৰ, ১৭ জুন ঃ** চিচিবৰগাঁও মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাকালৰে পৰা জড়িত ধেমাজি চিচিবৰগাঁৰৰ প্ৰৱক্তা-সাংবাদিক কোযেশ্বৰ গগৈৰ আকস্মিক মৃত্যুত *আঠ পৃষ্ঠাত চাওক*

## গোলাঘাটত আৰক্ষীৰ জিম্মাত যুৱকৰ মৃত্যু

**বিশেষ সংবাদদাতা**
**গোলাঘাট, ১৭ জুন ঃ** আৰক্ষীৰ জিম্মাত অকথ্য নিৰ্যাতনৰ বলি হৈ গোলাঘাটৰ এজন যুৱকৰ মৃত্যু হোৱাৰ অভিযোগ উত্থাপন হৈছে। অৱশ্যে কাৰাগাৰো এই ঘটনাত সন্দহৰ আৱৰ্তত সোমাই পৰিছে। যদিও আৰক্ষীৰ জিম্মাতেই অকথ্য নিৰ্যাতনৰ *সাত পৃষ্ঠাত চাওক*

## ব্লেক ফাংগাছত সংক্ৰমিত তিনি শিশুৱে মুম্বাইত হেৰুৱালে চকু

■ নিউজ ব্যুৰ'
**মুম্বাই, ১৭ জুন ঃ** দেশজুৰি ব্লেক ফাংগাছ অৰ্থাৎ কৃষ্ণ ভেঁকুৰে আতংকৰ সৃষ্টি কৰিছে। মুম্বাইত এই ভয়াৱহ ফাংগাছৰ আক্ৰমণত তিনিটি শিশুৱে হেৰুৱালে চকু। মিউক'ৰমাইৰ্কছিছ অথবা ব্লেক ফাংগাছৰ দ্বাৰা *আঠ পৃষ্ঠাত চাওক*

## কৰিমগঞ্জৰ পৰিবহণ বিষয়া এনফ'ৰ্চমেণ্ট পৰিদৰ্শক নিলম্বিত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ জুন ঃ** অতিৰিক্ত পৰিমাণৰ কয়লা পৰিবহণ কৰা ট্ৰাকক লৈ ছিণ্ডিকেট চলাই অহাৰ অভিযোগত কৰিমগঞ্জৰ জিলা পৰিবহণ বিষয়া আৰু এজন এনফ'ৰ্চমেণ্ট *আঠ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩২° | ২৫° |
| ডিব্ৰুগড় | ৩৬° | ২৬° |
| দিল্লী | ৩৫° | ২৫° |
| কলকাতা | ২৯° | ২৫° |
| মুম্বাই | ২৯° | ২৬° |
| চেন্নাই | ৩৭° | ২৬° |
| বাংগালুৰু | ২৫° | ২০° |
| শ্বিলং | ২৩° | ১৮° |

১৭ জুন, ২০২১

## উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষা বাতিল ঃ বিকল্পৰ সন্ধান

■ দয়ানন্দ পাঠক



উচ্চ মাধ্যমিক (এইছ এছ এল চি) আৰু উচ্চতৰ মাধ্যমিক (এইছ এছ) পৰীক্ষা দুটি অসম চৰকাৰৰ কেবিনেটে (১৬ জুন) বাতিল কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে আৰু ১৮ জুনত শিক্ষামন্ত্ৰীয়ে এক স্থিৰ সিদ্ধান্তৰ কথা জনাব বুলি বাতৰি প্ৰকাশ পাইছে। চৰকাৰৰ কেবিনেটৰ সিদ্ধান্ত পৰিহাৰ কৰিব নোৱাৰিব শিক্ষা বিভাগে। এনে এক সিদ্ধান্তৰ ফলত প্ৰায় সাত লাখ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক জীৱনলৈ এক *আঠ পৃষ্ঠাত চাওক*

■ বিধানসভা নিৰ্বাচনত পৰাজিত কে'বাজনো নেতায়ো যোগ দিব

## বিজেপিলৈ কংগ্ৰেছী ৰূপজ্যোতি কুৰ্মী, বিধায়ক পদ ত্যাগ কৰিবনে?

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/মৰিয়নি, ১৭ জুন ঃ** বিজেপিৰ বিৰুদ্ধে বিগত দিনবোৰত সৰৱ ভূমিকা গ্ৰহণ কৰি অহা মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে শীঘ্ৰে কংগ্ৰেছ ত্যাগ কৰিব। তেওঁৰ নতুন ঠিকনা হ'ব বিজেপি। কুৰ্মীৰ বিজেপি গমনক লৈ দীৰ্ঘদিন ধৰি ৰাজনৈতিক মহলত চৰ্চা চলি আহিছিল। এনে চৰ্চাক নাকচ কৰি



অহা বিধায়কজনে আজি বিজেপিত যোগ দিয়াটো নিশ্চিত কৰিছে। মৰিয়নিৰ পৰা চাৰিবাৰকৈ বিধায়ক নিৰ্বাচিত হোৱা কুৰ্মীৰ লগতে তেওঁৰ সতীৰ্থ আন একাধিক বিধায়কেও বিজেপিত যোগ দিব বুলি চৰ্চিত হৈ আহিছে। ইয়াৰ ভিতৰত চৰ্চিত হৈছে সুশান্ত বৰগোহাঁই, কমলাক্ষ্য দে পুৰকায়স্থ আৰু জাকিৰ হুছেইন শিকদাৰৰ নাম। অৱশ্যে *সাত পৃষ্ঠাত চাওক*

■ সীমান্ত পথ সংস্থাই নিৰ্মাণ কৰা ১২টা পথ মুকলি প্ৰতিৰক্ষা মন্ত্ৰীৰ ■ উত্তৰ-পূৰ্বাঞ্চল যিমানেই মজবুত হ'ব, ভাৰতো সিমানেই শক্তিশালী হ'ব ■ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ ধন্যবাদ জ্ঞাপন

## প্ৰত্যুত্তৰ পাব ঃ বৈৰী ৰাষ্ট্ৰলৈ হুংকাৰ সিঙৰ

**ভাৰতলৈ আগ্ৰাসী মনোভাব নল'বলৈ সকীয়নি**

**বিশেষ সংবাদদাতা**
**লখিমপুৰ, ১৭ জুন ঃ** অসম-অৰুণাচল প্ৰদেশৰ কিমিনৰ পৰা আজি নাম উল্লেখ নকৰাকৈ চীনলৈ হুংকাৰ দিয়ে দেশৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে। ভাৰতৰ প্ৰতি আগ্ৰাসী মনোভাব গ্ৰহণ কৰিলে তীব্ৰ প্ৰত্যুত্তৰ দিবলৈ জানে বুলিও তেওঁ উল্লেখ কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ দুৰ্গম পাহাৰীয়া অঞ্চলৰ পথ যোগাযোগৰ ক্ষেত্ৰত এক বৃহৎ পদক্ষেপ হিচাপে প্ৰতিৰক্ষা মন্ত্ৰী সিঙে আজি কিমিনত আয়োজিত এক অনুষ্ঠানত সীমান্ত পথ সংস্থাই নিৰ্মাণ কৰা ২০ কিলোমিটাৰ দৈৰ্ঘ্যৰ দুইলেনযুক্ত কিমিন-প'টিন পথ উদ্বোধন কৰাৰ লগতে অৰুণাচল প্ৰদেশত নিৰ্মাণ কৰা আন নটা পথ ভাৰ্চুৱেলি মুকলি কৰে। লগতে তেওঁ সীমান্ত পথ সংস্থাই নিৰ্মাণ কৰা জম্মু-কাশ্মীৰ আৰু লাডাখৰ আন দুটা পথো ভাৰ্চুৱেলি উদ্বোধন কৰে। *আঠ পৃষ্ঠাত চাওক*



■ ৩১ জুলাইৰ ভিতৰত ফলাফল ঘোষণা

## কি ফৰ্মূলাত দ্বাদশ শ্ৰেণীৰ নম্বৰ দিব ন্যায়ালয়ক জনালে চি বি এছ ইয়ে

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ১৭ জুন ঃ** দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ মূল্যায়নৰ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ত প্ৰতিবেদন দাখিল কৰিলে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা সংসদ (চি বি এছ ই)-এ। আদালতত আজি ব'ৰ্ডে কয় যে দশম আৰু একাদশৰ পৰীক্ষাত লাভ কৰা ফলাফলৰ নম্বৰ আৰু দ্বাদশৰ 'প্ৰি ব'ৰ্ড' অৰ্থাৎ মূল পৰীক্ষাৰ পূৰ্ববৰ্তী পৰীক্ষাত লাভ কৰা নম্বৰৰ ভিত্তিত ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ন কৰা হ'ব। পূৰ্বে নিৰ্ধাৰিত সময় অনুসৰি, যোৱা ১৫ জুনৰ ভিতৰত চি বি এছ ইয়ে *সাত পৃষ্ঠাত চাওক*

## ৰাজ্যত পুনৰ ৪১জনৰ মৃত্যু, নতুনকৈ আক্ৰান্ত ৩,৪৭৭জন

যোৰহাটত মৃত্যু নজনৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ জুন ঃ** ৰাজ্যত ক্ৰমাৎ সক্ৰিয় ৰোগীৰ সংখ্যা হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। আজিও ৰাজ্যত তিনি সহস্ৰাধিক লোক ক'ভিড-১৯ত আক্ৰান্ত হয় যদিও প্ৰায় পাঁচ হেজাৰ ৰোগী সুস্থ হোৱাৰ পৰিপ্ৰেক্ষিততে সক্ৰিয় ৰোগীৰ সংখ্যা হ্ৰাস *সাত পৃষ্ঠাত চাওক*



## বিৰামহীন মৃত্যু অব্যাহত, সামান্য বৃদ্ধি দেশৰ দৈনিক সংক্ৰমণ

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ১৭ জুন ঃ** ৬০ হেজাৰৰ ঘৰলৈ নমাৰ পাছত বিগত দুদিন ধৰি দেশত কৰ'নাৰ দৈনিক সংক্ৰমণ কিছু বৃদ্ধি পাইছে। যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ক'ভিডত আক্ৰান্ত হ'ল ৬৭ হেজাৰ ২০৮ জন লোক। বৰ্তমানলৈকে ভাৰতত মুঠ *সাত পৃষ্ঠাত চাওক*

■ ডিমাপুৰৰ পৰা নিয়ন্ত্ৰণ কৰিছিল আন্তঃৰাজ্যিক ড্ৰাগছ সৰবৰাহ

## সাত কোটি মূল্যৰ ব্ৰাউন ছুগাৰসহ জালত 'মষ্ট ৱাণ্টেড' মণিপুৰৰ 'দিদি'





**অগ্ৰদূত বাৰ্তা**
**বোকাজান, ১৭ জুন ঃ** ৰৱিহ ড্ৰাগছৰ বিৰুদ্ধে অব্যাহত আছে অসম আৰক্ষীৰ অভিযান। আজিও কাৰ্বি আংলং জিলাৰ খটখটীত কাৰ্বি আংলং আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ সক্ষম হয় নগালেণ্ডৰ ডিমাপুৰত বাহৰ পাতি এটা আন্তঃৰাজ্যিক ড্ৰাগছ সৰবৰাহকাৰী চক্ৰক নিয়ন্ত্ৰণ কৰি থকা এগৰাকী কুখ্যাত মহিলাক। কাৰ্বি আংলং আৰক্ষীৰ 'ম'ষ্ট ৱাণ্টেড' তালিকাত থকা মণিপুৰৰ সেনাপতি জিলাৰ মহিলা ড্ৰাগছ্ সৰবৰাহকাৰী *আঠ পৃষ্ঠাত চাওক*

■ কলকাতাৰ পৰাও কুৰিয়াৰযোগে আহিছিল কিছু সোণ ■ বিশেষ তদন্তকাৰী গোট গঠন ■ কে'বাজনো ৰেল আৰক্ষীক জেৰা অব্যাহত

## দীৰ্ঘদিন ধৰি চোৰাং সৰবৰাহকাৰীৰে মিতিৰালি ধৃত আৰক্ষী বদ্ৰীপ্ৰসাদৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ জুন ঃ** দীৰ্ঘদিন ধৰি চোৰাং সামগ্ৰী সৰবৰাহকাৰীৰে গোপন মিতিৰালি আছিল চোৰাং সোণৰ সৰবৰাহ আৰু বিক্ৰীৰ গোচৰত গ্ৰেপ্তাৰ হোৱা কামাখ্যা ৰেল আৰক্ষীৰ উপ-পৰিদৰ্শক বদ্ৰীপ্ৰসাদ বাৰুৱতী। ১১ বছৰীয়া আৰক্ষীৰ চাকৰি কালত ধৃত বাৰুৱতীয়ে নামে-বেনামে গঢ়ি তোলা সম্পত্তিৰ পাহাৰ দেখি চকু কপালত উঠিছে তদন্তকাৰী বিষয়াৰ। শীৰ্ষ আৰক্ষী বিষয়াৰ আশীৰ্বাদত কে'বাখনো গুৰুত্বপূৰ্ণ থানাত নিয়োজিত হৈ অহা ধৃত ৰেল আৰক্ষীৰ উপ-পৰিদৰ্শকজনৰ আছে কে'বাখনো বিলাসী বাহনৰ লগতে অজস্ৰ সম্পত্তি। উল্লেখ্য যে ধৃত আৰক্ষী বিষয়াজনে জব্দকৃত সোণখিনিৰ উৎস কি মুখ খোলা নাই যদিও *আঠ পৃষ্ঠাত চাওক*



কোকৰাঝাৰত কনিষ্ঠবলক দাৰে ঘপিয়ালে

## আৰক্ষীৰ জিম্মাৰ পৰাই পলায়নৰ চেষ্টা চলাই গুলিবিদ্ধ ধৰ্ষণকাৰী ফৰিজুল

■ ভুক্তভোগীৰ ম'বাইল ফোন লুকুৱাই থৈছিল



**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ, ১৭ জুন ঃ** কোকৰাঝাৰ জিলাৰ অভয়াকুটিৰ দুই কিশোৰীক ধৰ্ষণ কৰি হত্যাৰ ঘটনাৰ মূল অভিযুক্তৰ অন্যতম ফৰিজুল ৰহমান (২২) কালি আৰক্ষীৰ জিম্মাৰ পৰা পলায়ন কৰিবলৈ চেষ্টা কৰাত আৰক্ষীৰ দ্বাৰা গুলিবিদ্ধ হয়। সম্প্ৰতি ফৰিজুলক বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হৈছে। ইয়াৰ পূৰ্বে তেওঁক কোকৰাঝাৰৰ *সাত পৃষ্ঠাত চাওক*

## অংশ নল'লে কোনেও, বাতিল হ'ল কাগজ কলৰ নিলাম

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ জুন ঃ** নিৰ্ধাৰিত সময়ৰ ভিতৰত কোনেও 'আৰ্নেষ্ট মানি' জমা নিদিয়াত বাতিল হ'ল নগাঁও আৰু কাছাৰ কাগজ কলৰ নিলাম প্ৰক্ৰিয়া। যোৱা পহিলা জুনত লিকুইডেটৰ কুলদীপ বাৰ্মাই উদ্যোগ দুটা নিলামৰ *সাত পৃষ্ঠাত চাওক*

■ আফগানিস্তানৰ পৰা আহি জালিয়াতিৰে নথিপত্ৰ সংগ্ৰহ ■ নিৰ্বিকাৰ আৰক্ষী-প্ৰশাসন

## অবৈধভাৱে অসমত থাকি সুতৰ ব্যৱসায়ত কাবুলিৱালা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৭ জুন ঃ** শৰণাৰ্থীৰূপে ভাৰতত থাকি দেশৰ বিভিন্ন প্ৰান্তত একাংশ কাবুলিৱালাই সুতৰ ৰমৰমীয়া ব্যৱসায় অব্যাহত ৰখাৰ বাতৰি ইতিমধ্যে প্ৰকাশ পাইছে। একেসময়তে পোহৰলৈ আহিছে আন একাংশ কাবুলিৱালাৰ জালিয়াতিৰ তথ্য। অধিকাংশ সুতখোৰ ব্যৱসায়ী ভাৰতীয় নাগৰিক নোহোৱা সত্ত্বেও তেওঁলোকে অবৈধভাৱে সংগ্ৰহ কৰিছে জন্মৰ প্ৰমাণপত্ৰকে ধৰি বিভিন্ন নথি। গোৱালপাৰাৰ পৰা আৰম্ভ কৰি বিভিন্ন জিলা তথা গুৱাহাটী মহানগৰী পৰ্যন্ত এনে একাংশ কাবুলিৱালাৰ জালিয়াতিৰ তথ্য-প্ৰমাণ পোৱা গৈছে। এইসকল কাবুলিৱালাই বিভিন্ন বিভাগৰ লোকৰ স'তে গোপন বুজাবুজি কৰি বিভিন্ন নথি-পত্ৰ সংগ্ৰহ কৰাৰ অভিযোগ উঠিছে। লক্ষ্যণীয়ভাৱে এইসকল কাবুলিৱালা আফগানিস্তানৰে নাগৰিক যদিও জালিয়াতিৰে সংগ্ৰহ কৰা তথ্যৰে বিভিন্ন বিভাগকো আভুৱা ভাঁৰি আহিছে। গোৱালপাৰা *সাত পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৮ জুন ২০২১, শুকুৰবাৰ পৃষ্ঠা ২

## শ্ৰদ্ধাঞ্জলি/সোঁৱৰণ



মই মীনা বৈশ্য তালুকদাৰ (মিনী)ৰ একমাত্ৰ সন্তান, ভাস্কৰ তালুকদাৰৰ যোৱা ১৭ মে' ৰাতিপুৱা ৫-৩০ বজাত, ৪৬ বছৰ বয়সতে, চিৰদিনলৈ গুচি যায়। এসপ্তাহ আগত সামান্য চৰ্দি-কাহ হৈছিল। জানিব পৰামতে, তেওঁ ঘৰখনৰ ঘৰুৱা 'গধুৰ' কামবোৰ, অত্যাধিক কষ্টেৰেই কৰিছিলে। তেওঁ হেনো এদিন পৰিছিলেও। তেওঁৰ বুকুখন বিষাইছে বুলি কৈছিলে। গাটো বৰ দুৰ্বল লাগিছে বুলি কৈছিলে। ক'ভিড পৰীক্ষা কৰা হৈছিল। ৰিজাল্ট নিগেটিভ ওলাইছিল। ডাক্তৰক দেখুৱাই ঘৰতে ঔষধ খাইছিলে। সেইদিনা স্প'ৰ্টিং আৰু হাফপেণ্ট পিন্ধি বিছনাত শুই থকা অৱস্থাত পত্নীয়ে লংপেণ্টতো পিন্ধাই দিবলৈ ধৰা মুহূৰ্তত, হঠাৎ শ্বাসক্ৰিয়া বন্ধ হৈ চকুমুদি ঢলি পৰে। লগে লগেই মৃত্যু ঘটে। জানিব পৰা গ'ল যে তেওঁৰ মুখ-মণ্ডল, সৰ্বশৰীৰ, হাতৰ পৰা ভৰিৰ আঙুলিলৈকে, হালধীয়া হৈ পৰিছিল। অৰ্থাৎ তেওঁৰ শৰীৰত, ভিতৰে ভিতৰে জণ্ডিছৰ দ্বাৰা আক্ৰান্ত হৈ জীৱনৰ পৰিসমাপ্তি ঘটে।

ভাস্কৰৰ জন্ম হৈছিল মেঘালয়, তুৰা মিছন হাস্পতালত। ভাস্কৰৰ জন্ম তাৰিখ ২৭-৮-১৯৭৪ ইং চন, মঙলবাৰ। ভাস্কৰৰ দেউতাকে তেতিয়া তুৰা হাইস্কুলত শিক্ষকতা কাম কৰিছিল। সেয়েহে আমি কিছু বছৰ তাত আছিলো। তাত গাৰো-খাচিয়াসকলৰ মৰম-চেনেহৰ মাজত, ভাস্কৰৰ দেউতা আৰু মোৰ মৰম... তথা সৰু মাহীয়েক, বিমলাৰ মৰম আৰু তত্ত্বাৱধানত ভাস্কৰ ডাঙৰ হ'বলৈ ধৰে।

গৰমৰ বন্ধত ধমধমা অঞ্চলৰ, আঙ্গাৰধোৱা গাঁৱত আমি ঘৰলৈ আহিছিলো। তেতিয়া আঙ্গাৰধোৱা হাইস্কুলখন নতুনকৈ আৰম্ভ হৈছিল। ভাস্কৰৰ দেউতাকক, হাইস্কুল কমিটীয়ে, সেই হাইস্কুলখনতে শিক্ষকতা কাম কৰিবলৈ নিযুক্তি দি ৰাখিছিল। তেখেতে আঙ্গাৰধোৱা হাইস্কুলত, কে'বা বছৰো শিক্ষকতা কাম কৰি অৱসৰপ্ৰাপ্ত হৈছিল। ৯-৪-২০১৯ ইং চনত, তেখেতৰ মৃত্যু ঘটিছে।

ভাস্কৰে আঙ্গাৰধোৱা হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰি নসত্ৰ কৃষ্ণগুৰু মহাবিদ্যালয়ৰ পৰা প্ৰাক্‌বিঃ পাছ কৰি কটন কলেজত দৰ্শন বিভাগত পঢ়িবলৈ লয়। সেই সময়তে দুই নম্বৰ মঠঘৰীয়াত থাকি জীৱিকা হিচাপে গুৱাহাটীৰ এটি ব্যক্তিগত প্ৰতিষ্ঠানত কৰ্মৰত হৈ আছিল। ভাস্কৰ সহজ-সৰল, পৰিশ্ৰমী আৰু সামাজিক কামত জড়িত ব্যক্তি আছিল। মৃত্যুৰ সময়ত তেওঁৰ মাতৃ, পত্নী আৰু একমাত্ৰ ১০ বছৰীয়া কন্যা সন্তান এটি ইহ-সংসাৰত এৰি থৈ যায়। ভাস্কৰ শান্ত, ভক্ত, নিৰহ, নিষ্পাপ ল'ৰাটিক দয়ালু কৃষ্ণগুৰু প্ৰভু-ঈশ্বৰে.... প্ৰাণ-দান দিয়ে যেন। জীয়াই তোলে যেন। তেওঁৰ নতুন জীৱন উজ্বল আৰু আনন্দময়ী কৰি তোলে যেন। এয়া মোৰ হৃদয় নিগৰি নিগৰি... ওলাই অহা প্ৰাৰ্থনা। ভাস্কৰৰ আত্মাৰ চিৰ উজ্জ্বল... চিৰ শান্তিৰ... কাৰণে 'ভগৱান কৃষ্ণ গুৰু প্ৰভু ঈশ্বৰৰ' চৰণত, শতকোটিবাৰ... প্ৰণিপাত জনালো।।

'জয় কৃষ্ণগুৰু'

**মীনা বৈশ্য তালুকদাৰ (মিনী) (মা)**
কাৰ্বন গেট, গুৱাহাটী
ম'বাইল নম্বৰ ঃ ৭৫৭৮০ ১৭৩৬৪

## আজিৰ দিনটো



কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

### ৩ আহাৰ শুকুৰবাৰ ১৮ জুন

**সূৰ্যোদয় ঃ** ঘঃ ৪।৪০।৪৬ **সূৰ্যাস্ত ঃ** ঘঃ ৬।৬।২১। **তিথি ঃ** শুক্লা অষ্টমী, দং ২৮।৩৯।১ আঘ ৪।৮।২২। **নক্ষত্ৰ ঃ** উত্তৰ ফাল্গুনী দং ৩৩।১।৪৮ সঘঃ ৫।৫৩।২৯। **যোগ**-ব্যতীপাত, দং ৪৭।৪৫।৩৯ ৰাঘঃ ১১।৪৭।২ **কৰণ ঃ** বিষ্টি **জন্মত ঃ** কন্যাৰাশি, শূদ্ৰবৰ্ণ, মতান্তৰে বৈশ্যবৰ্ণ, মনুষ্যগণ গৰুৰ অস্থি, বায়ুযোগ, অষ্টোত্তৰী মঙল, বিংশোত্তৰী ৰবিৰ দশা, সঘঃ ৫।৫৩।২৯ যোৱাত দেৱগণ, মহিষৰ অস্থি, অষ্টোত্তৰী বুধ, বিংশোত্তৰী চন্দ্ৰৰ দশা। **আদ্যঋতু হ'লে ঃ**। সাতদিনীয়া কান্তাযোগ, সঘঃ ৫।৫৩।২৯ যোৱাত ১৫ দিনীয়া বেশ্যাযোগ, সঘ ৫।৫৩।২৯ যোৱাত তিনিমহীয়া পতিহীনা যোগ । **মৰণত দোষ ঃ** দ্বিপদ, সঘ ৫।৫৩।২৯ যোৱাত নাই। **যোগিনী ঃ**ঈশানকোণত, আঘ ৪।৮।২২ যোৱাত পূবত। **যাত্ৰা ঃ** নাই, মাহদগ্ধা দোষ, আঘ ৪।৮।২২ যোৱাত পূবত। **শুভকৰ্ম ঃ** নাই। **ভক্ষ্যাভক্ষ্য ঃ** নাৰিকল, আঘ ৪।৮।২২ যোৱাত লাও খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** শুভ ৰং আকাশী নীলা, শুভ সংখ্যা ৭, সুখ সমৃদ্ধি বৃদ্ধি হ'ব। টকা-পইচাৰ অভাৱ দূৰ হ'ব। কুগ্ৰহৰ প্ৰভাৱে সন্তানৰ ক্ষতি কৰিব পাৰে। প্ৰতিকাৰ পুৱা গা ধুই তিতা গাৰে তুলসীৰ গুৰিত পানী ধালি লক্ষ্মী নাৰায়ণক স্মৰণ কৰিব।

**বৃষ ঃ** শুভ সংখ্যা গেৰুৱা, শুভ সংখ্যা ৯, আৰ্থিক ক্ষতিৰ যোগ আছে। সামান্য কথাতে কাজিয়া হ'ব পাৰে। কোনো ধৰণৰ ভাল কাম আজি আৰম্ভ নকৰিব। হাতৰ পৰা বস্তু হেৰুৱাব পাৰে। প্ৰতিকাৰ ভিক্ষাৰিক ক'লা বস্তু দান কৰিব।

**মিথুন ঃ** শুভ ৰং হালধীয়া, শুভ সংখ্যা ৬, এইৰাশিৰ জাতকৰ আজি শুভ দিন। যিকোনো শুভ কাম আৰম্ভ কৰিব পাৰে। নিজৰ ভুলে ক্ষতি কৰিব। আনক উপদেশ দি নিজে সমস্যাত পৰিব। শিক্ষাৰ্থীৰ শাৰীৰিক অসুস্থতাই ক্ষতি কৰিব। প্ৰতিকাৰ ঘৰলৈ অহা আলহীক সুমিষ্ট ফল খুওৱাক।

**কৰ্কট ঃ** শুভ ৰং ৰঙা, শুভ সংখ্যা ৮, বিবাহৰ প্ৰস্তাৱ আহিব পাৰে. আৰ্থিক-অনাটন দূৰ হ'ব পাৰে। থকা ধন হাতলৈ আহিব। প্ৰতিকাৰ শিৱ মন্দিৰত বেলপাত, গাখীৰ, ধতুৰা ফুল দি লিংগ পূজা কৰি শিৱ পাৰ্বতীক আৰাধনা কৰিব।

**সিংহ ঃ** শুভ ৰং বেঙুনীয়া, শুভ সংখ্যা ৩, যানবাহন দুৰ্ঘটনাত পতিত হ'ব পাৰে। শিক্ষাৰ্থীয়ে বিচৰা ধৰণে ফল নাপাব। বিশেষ ভাল খবৰ পাব। ব্যৱসায়ত লোকচান হ'ব পাৰে। প্ৰতিকাৰ এটা পাত্ৰত পানী লৈ সূৰ্য্যলৈ চাই জল অৰ্পণ কৰিব।

**কন্যা ঃ** শুভ ৰং নীলা, শুভ সংখ্যা ৫, কৰ্মস্থআন পৰিৱৰ্তন হ'ব পাৰে। পাৰিবাৰিক কন্দল হ'ব পাৰে। শত্ৰুৰ দ্বাৰা ক্ষতি হ'ব পাৰে। শিক্ষাৰ্থীক শুভ ফলপ্ৰাপ্তিৰ যোগ। ব্যৱসায়ত শুভ। প্ৰতিকাৰ অগৰু চন্দন মিহলাই গোটেই ঘৰতে চতিয়াব।

**তুলা ঃ** শুভ ৰং বগা, শুভ সংখ্যা ২, সাহিত্য চৰ্চা কৰাসকলৰ সন্মান বাঢ়িব। অচিনাকি ব্যক্তিৰ পৰা ক্ষতি হ'ব পাৰে। যুটীয়া ব্যৱসায়ত হাত নিদিব। ব্যৱসায়ত ক্ষতি হ'ব পাৰে। প্ৰতিকাৰ দোৱোন ফুল পাঁচটা পানীৰে পূৰ্ণ পাত্ৰত লৈ সূৰ্য্য লৈ চাই অৰ্পণ কৰিব।

**বৃশ্চিক ঃ** শুভ ৰং হালধীয়া, শুভ সংখ্যা ৯, সংযম ৰাখি কথা পাতিব। হাতলৈ টকা আহিব যদিও খৰচ বাঢ়িব। আনে লোৱা টকা ঘূৰাই পাব। প্ৰতিকাৰ তিনিডাল ধূপ জ্বলাই ঘৰৰ চৌপাশ পদক্ষিণ কৰিব।

**ধনু ঃ** শুভ ৰং গেৰুৱা, শুভ সংখ্যা ৭, ঘৰত কোনোবাৰ চাকৰিৰ সম্ভাৱনা আছে। মূৰত আঘাত পাব পাৰে। ব্যৱসায়ত লোকচান হ'ব পাৰে। প্ৰতিকাৰ হনুমান মন্দিৰত ফলমূল দি হনুমান চালিচা পাঠ কৰিব।

**মকৰ ঃ** শুভ ৰং নীলা, শুভ সংখ্যা ৩, চাকৰিৰ বাবে চেষ্টা কৰাসকলে ভাল খবৰ পাব। অপদস্থ হোৱাৰ ভয়। আজি টকা ধাৰলৈ নিদিব। প্ৰতিকাৰ লোহাৰ আঙঠি এটা সোঁহাতত পিন্ধিব।

**কুম্ভ ঃ** শুভ ৰং হালধীয়া, সংখ্যা ৪, অচিনাকি ব্যক্তিয়ে ক্ষতি কৰাৰ আশংকা আছে। দূৰ ভ্ৰমণ নকৰিব। বন্ধুৰ দ্বাৰা প্ৰতাৰিত হ'ব। প্ৰতিকাৰ-ঘৰৰ পৰা ওলাই যাওতে সূৰ্য্যক প্ৰণাম কৰি ওলাব। লগত এটা বেল পাত ৰাখিব।

**মীন ঃ** শুভ ৰং বেঙুনীয়া, সংখ্যা ৬, হাতলৈ টকা আহিব কিন্তু জমা ৰাখিব নোৱাৰে। মাতৃৰ স্বাস্থ্য অসুস্থ হ'ব পাৰে। কৰ্মসংস্থান বিচৰাসকলে আজি শেষ্টা কৰক। পাৰিবাৰিক অশান্তি বাঢ়িব। প্ৰতিকাৰ-ঘৰলৈ অহা যিকোনো ব্যক্তিক আদৰ কৰি শুশ্ৰূষা কৰিব। পাৰিলে এটা মিঠা ফল খুৱাব।

## SHORT NOTICE INVITING QUOTATION

No. SIPRD-14/2021/22

Sealed quotation affixing non-refundable court fees of Rs. 8.25 (Rupees Eight and paise twenty-five) only, are invited from the experienced Firms/ Agencies dealing with servicing and maintenance of Air Conditioner for Annual Maintenance Contract of Air Conditioners installed at SIPRD, Khanapara and Kahikuchi campus, Guwahati. The Set of quotation documents, eligibility criteria and other details may be obtained on written application to the Director, SIPRD, Assam and on payment of non-refundable fee of Rs. 200.00 (Rupees two hundred) only as quotation processing fee by Demand Draft/Bankers Cheque during office hours from 28-06-2021 to 10-07-2021. The last date for receipt of quotation is 17-07-2021,

Sd/-
Director
SIPRD, Assam

Janasanyog/C/1126/21

## ASSAM ELECTRICITY GRID CORPORATION LIMITED

### CORRIGENDUM-1

(A) **Time Extension of tender floated vide NIT No. AEGCL/DGM/LAC/TLS-69/2021/528; Dated. 28/05/2021**
**Name of Work : Construction of RE's residence at 132/33 KV Grid Sub-station Barpeta, AEGCL.**
**Reason for Time Extension :** Due to less no. of participants in the bidding process of the above NIT, the time for submission of bid has been extended upto **21/06/2021 till 12:00 Hrs.**
**Date of opening of Bid : 22/06/2021 at 14:00 Hrs.**

(B) **Cancellation & Re-tendering of tender floated vide NIT No. AEGCL/DGM/LAC/TLS-69/2021/529; Dated. 28/05/2021**
**Name of Work : Construction of Staff Hostel at 132/33 KV Grid Sub-station Barpeta, AEGCL.**
**Reason for Cancellation :** Due to technical error observed in the BOQ uploaded for the above NIT. In this connection, the existing tender is re-tendered. Bidders are advised to bid as per the re-tender.
**Last date of submission of Bid : 21/06/2021 till 12:00 Hrs.**
**Date of opening of Bid : 22/06/2021 at 14:00 Hrs.**

The intending bidders may visit the office of the undersigned for more details. The undersigned on behalf of AEGCL reserves the right to withdraw the NIT, accept or reject any or all tenders or to split the work among different contractors without assigning any reason thereof and he is not bound to accept lowest value of the tender.

**Sd/-, Deputy General Manager**
**Lower Assam T&T Circle, AEGCL, Narengi, Guwahati-26**

T-872/PR/2021/Sgn/12

## শিলচৰ আৰু কইম্বাটুৰ জংচনৰ মাজত চুপাৰ ফাষ্ট বিশেষ

তলত দিয়া ধৰণেৰে **শিলচৰ আৰু কইম্বাটুৰ জংচনৰ** মাজত ০২৫১৫/০২৫১৬ **শিলচৰ-কইম্বাটুৰ(সাপ্তাহিক) চুপাৰ ফাষ্ট স্পেচিয়েল** চলোৱাৰ সিদ্ধান্ত লোৱা হৈছে ঃ

| ৰেল নং. ০২৫১৬ শিলচৰ-কইম্বাটুৰ (সাপ্তাহিক) চুপাৰ ফাষ্ট বিশেষ ২২-০৬-২০২১ ৰ (মঙলবাৰে) পৰা কাৰ্যকৰী হোৱাকৈ পৰৱৰ্তী নিৰ্দেশ নিদিয়ালৈকে | | | ৰেল নং. ০২৫১৫ কইম্বাটুৰ-শিলচৰ (সাপ্তাহিক) চুপাৰ ফাষ্ট বিশেষ ২৭-০৬-২০২১ ৰ (দেওবাৰে) পৰা কাৰ্যকৰী হোৱাকৈ পৰৱৰ্তী নিৰ্দেশ নিদিয়ালৈকে | |
|---|---|---|---|---|
| আগমন | প্ৰস্থান | ষ্টেচন | আগমন | প্ৰস্থান |
| — | ২০.১০ | শিলচৰ | ১৬.৫০ | — |
| ০৬.০০ | ০৬.২০ | গুৱাহাটী | ০৪.৪৫ | ০৫.০০ |
| ০৭.১৭ | ০৭.২২ | ৰঙিয়া | ০৩.১৫ | ০৩.২০ |
| ১০.১৮ | ১০.২০ | কোকৰাঝাৰ | ০০.৩২ | ০০.৩৪ |
| ১৪.৩৫ | ১৪.৪৫ | নিউ জলপাইগুৰি | ২০.৪০ | ২০.৫০ |
| ১৮.৫০ | ১৯.০০ | মালদা টাউন | ১৬.১০ | ১৬.২০ |
| ২১.১৬ | ২১.১৮ | ৰামপুৰ হেট | ১৩.১২ | ১৩.১৪ |
| ০৭.৪৫ | ০৭.৫০ | ভুৱনেশ্বৰ | ০২.০০ | ০২.০৫ |
| ১৪.৫৫ | ১৫.১৫ | বিশাখাপত্তনম | ১৯.০০ | ১৯.২০ |
| ০৩.০৫ | ০৩.১৫ | পেৰাম্বুৰ | ০৫.২৫ | ০৫.৩০ |
| ০৫.১৫ | ০৫.৩৫ | কাটপাডি জংচন | ০৩.১০ | ০৩.৩০ |
| ১২.০০ | — | কইম্বাটুৰ জংচন | — | ২১.৪৫ |

**অন্যান্য ষ্টপেজসমূহ ঃ** বদৰপুৰ, নিউ হাফলং, মাইবং, লামডিং জংচন, হোজাই, কামাখ্যা, চাংচাৰী, বৰপেটা ৰোড, নিউ বঙাইগাঁও, নিউ আলিপুৰদুৱাৰ, নিউ কোচবিহাৰ, ধুপগুৰি, কিষাণগঞ্জ, নিউ ফাৰাক্কা, বোলপুৰ এছ নিকটন, ডানকুনি, খড়গপুৰ জংচন, বালাচোৰ, ভদ্ৰক, জয়পুৰ কে ৰোড, কটক, খুৰ্দা ৰোড জংচন, বালু, বঢ়মপুৰ, পালাচা, চিৰকাকুলাম ৰোড, বিজয়মুন্দ্ৰী, বিজয়বাড়া জংচন, ওঙ্গোলে, আৰাক্কনম, জোলাৰপট্টী, চালেম জংচন, ইৰোড জংচন আৰু টিৰুপ্পুৰ।

**কম্পোজিশ্যন ঃ** এচি ২ টায়াৰ (এক), এচি ৩ টায়াৰ (চাৰি), শ্লীপাৰ শ্ৰেণী (তেৰ), সাধাৰণ দ্বিতীয় শ্ৰেণী (দুটা), পেণ্ট্ৰী কাৰ (এক) আৰু জিএছএলআৰ/জিএছএলআৰডি (দুটা)= ২৩ ডবা।

মহা প্ৰবন্ধক (পৰিচালনা)

**উত্তৰ-পূব সীমান্ত ৰে'লৱে**

## শব্দ-বেহু ঃ ১৮ জুন ২০২১



@ সব্যসাচী

**পথালিয়ে ঃ**
৩। মনৰ অভিপ্ৰায়, উদ্দেশ্য (৪)
৫। ভাগ্য, আইন (২)
৬। প্ৰিয়জনৰ ওচৰত দেখুওৱা কৃত্ৰিম খং, অহংকাৰ (৪)
৭। সাপ্তাহিক বজাৰ, বেচা-কিনাৰ বাবে বহু মানুহৰ সমাগম হোৱা ঠাই (২)
৮। হ্ৰদ, চাৰিওফালে মাটিৰে আগুৰি থকা জলাশয় (৪)
১০। গণনাৰ প্ৰাথমিক পুথি, নেওতা-পুথি (৪)
১৪। সৌভাগ্য, কপালৰ জোৰ (৪)
১৫। দেহত পানী জমা হৈ হোৱা এবিধ বাত-ৰোগ (৪)
১৭। সিৰ, নাড়ী (২)
১৮। নিষ্কৰ,খাজনা দিব নলগীয়া মাটি (৪)
২০। অৰণ্য, জংঘল (২)
২১। দলিল, লিখিত তথ্য (৪)

**থিয়কৈ ঃ**
১। বিশ্বাসৰ অভাৱ, অপ্ৰত্যয় (৪)
২। নাই, পেটৰ মাজ অংশত থকা ঘূৰণীয়া খোৰ (২)
৩। হৃদয়, মনোযোগ (২)
৪। হাতীক আঁঠু কাঢ়িবলৈ নিৰ্দেশ দিয়া শব্দ (৩)
৬। সদায়, প্ৰতিদিনে (৪)
৭। হস্ত, মণিবন্ধৰ পৰা আঙুলিৰ মূৰলৈকে অংশটো (২)
৯। অসুখ, শৰীৰৰ স্বাভাৱিক সুস্থতা বিঘ্নিত হোৱা অৱস্থা (২)
১০। আনৰ সৰু ল'ৰা ছোৱালীৰ আলপৈচান ধৰা পেচাদাৰী তিৰোতা (২)
১১। বস্তু-বাহানি, মল্লবীৰ (২)
১২। পদ্ম,পদুম ফুল (৪)
১৩। ভালদৰে ফুটাই কথা ক'ব নোৱাৰা (২)
১৪। অংশ, খণ্ড , টুকুৰা (২)
১৬। পুঁজি, জমা কৰি ৰখা নগদ ধন (৪)
১৭। নিতৌ প্ৰয়োজন হোৱা খাদ্যবস্তু,সৈনিকৰ কাৰণে যোগান ধৰা খাদ্য-সামগ্ৰী (৩)
১৮। লজ্জা, আঁখে (২)
১৯। বৃন্দাবনত কৃষ্ণই গোপীসকলৰ সৈতে কৰা প্ৰেম-ৰসাত্মক নৃত্য-গীত (২)

**উত্তৰ অহা সংখ্যাত**

**১৭ জুন সংখ্যাৰ উত্তৰ ঃ**
**পথালিয়ে ঃ** ১। ককৰ্থনা ৪। গোচৰ ৬। ভীষ্ম ৭। এজাউৰি ৯। দৰা ১১। ৰিম ১২। গৰব ১৩। সাদৰ ১৬। বান্দী ১৭। সাং ১৮। কবৰ ২০। ৰসজ্ঞ ২১। ধাবা ২৪। মদ ২৫। সুৰংগ ২৬। কাপ ২৮। অনিষ্ট ২৯। ৰাহাজানি
**থিয়কৈ ঃ** ২। কণা ৩। নামজাৰি ৪। গোহাৰি ৫। কাৰাবন্দী ৬। ভীতি ৮। উম ৯। দৰবাৰ ১০। ঈদ ১৩। সাংসদ ১৪। ৰক্ত ১৫। ভোক ১৭। সাৰমৰ্ম ১৯। বন্ধ ২১। ধাৰ ২২। বাংকৰা ২৩। জাপ ২৫। সুমিষ্ট ২৭। চাজা

## অসম চৰকাৰ

# কৃতজ্ঞতা

ক'ভিড-১৯ৰ টীকাকৰণ অভিযানক জনআন্দোলনলৈ ৰূপান্তৰ কৰাৰ বাবে অসম চৰকাৰে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আৰ্থিক বৰঙণি আগবঢ়োৱা নিম্নোক্ত ব্যক্তি / অনুষ্ঠানৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

| ব্যক্তি/ অনুষ্ঠানৰ নাম | বৰঙণি |
|---|---|
| ষ্টেট প্ৰেছিডেণ্ট ভাৰতীয় যুৱ সেৱা সংঘ | ৫,০০১ টকা |
| ৰাজু গৌতম, সুৰভি সাহিত্য সমাজ | ১০,০০০ টকা |
| ৰঞ্জিত ডেকা | ৫,০০,০০০ টকা |
| টিকেন্দ্ৰজিৎ পাটগিৰি | ৫,০০০ টকা |
| সাৰংগজ্যোতি গোস্বামী | ১০,০০০ টকা |
| জ্যোতিষ ভড়ালী | ১১,০০০ টকা |
| ছয়গাঁও শ্ৰীমন্ত শংকৰদেৱ কলা কৃষ্টি বিকাশ কেন্দ্ৰ | ৭,০০০ টকা |
| কমলেশ্বৰ বড়ো | ৩,০০০ টকা |
| পংকজ সাউদ | ১০,০০০ টকা |
| আই.বি.আই. ব্ৰিক ইণ্ডাষ্ট্ৰি | ৫,০০০ টকা |
| হজৰত আলী | ১০,০০০ টকা |
| মা এণ্টাৰপ্ৰাইজ-মজিদুল হুছেইন | ১০,০০০ টকা |
| ৰাভা হাইৰে চাৰ্ভিছ | ৫,০০০ টকা |
| সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰ | ৫১,০০০ টকা |
| মাজগাঁও মহিলা সমিতি | ৫,০০০ টকা |
| দয়ানন্দ বৰগোঁহাই | ১১,১১১ টকা |
| বোকাহোলা টি কোঃ প্ৰাঃ লিঃ | ৫,০০,০০০ টকা |
| নন্দিতা দাস | ১,০০,০০০ টকা |
| বি.এল. মিনাৰেলছ প্ৰাঃ লিঃ | ১,০০,০০০ টকা |
| গণেশ কুমাৰ লিম্বু | ১,০০,০০০ টকা |
| জে.পি. হাৰ্ডৱেৰ | ৩১,০০০ টকা |
| দীপক জৈন | ৩০,০০০ টকা |
| বিজয় কাশ্যপ | ৩০,০০০ টকা |
| শিৱম পেভাৰ্ছ এণ্ড কংক্ৰিট | ২৫,০০০ টকা |
| জেছৱাল এণ্টাৰপ্ৰাইজ | ২৫,০০০ টকা |
| ধৃতিমান ভূঞা | ২০,০০০ টকা |
| জয়ন্ত কুমাৰ ভট্টাচাৰ্য্য | ২০,০০০ টকা |
| সমৰজ্যোতি বৰা | ২০,০০০ টকা |
| ভাস্কৰ হাজৰিকা | ২০,০০০ টকা |
| পৰিমিতা বৰুৱা | ২০,০০০ টকা |
| সত্যৰঞ্জন বৰা | ৩০,০০০ টকা |
| বি.জি. হাৰ্ডৱেৰ | ২০,০০০ টকা |
| আশীষ কুণ্ডু | ১০,০০০ টকা |
| ডি মাৰ্ট | ১১,০০০ টকা |
| নিৰঞ্জন হাজৰিকা | ১০,১০১ টকা |
| উৎপল ভট্টাচাৰ্য্য | ১০,০০০ টকা |
| ভুপেন্দ্ৰ বৰুৱা | ১,০০০ টকা |
| উত্তম কুমাৰ হাজৰিকা | ১০,০০০ টকা |
| ভাৰত হাজৰিকা | ১০,০০০ টকা |
| দিলীপ ভূঞা | ১০,০০০ টকা |
| এছ.এন. বেকাৰী | ৭,০০০ টকা |
| মঃ কালিমোল্লা আলী | ৫,০০০ টকা |
| প্ৰফুল্ল ভট্টাচাৰ্য্য | ৫,০০০ টকা |
| চাৰিআলি কল্পতৰু সংঘ, বিশ্বনাথ চাৰিআলি | ৫,০০০ টকা |
| ৰবাৰ্ট ফুকন | ৫,০০০ টকা |
| গুণজিৎ তালুকদাৰ | ২,০০০ টকা |
| ৰতন ভূঞা | ২,০০০ টকা |
| বিশ্ব ৰঞ্জন বৰা | ৩০,০০০ টকা |
| দিগন্ত বৰঠাকুৰ | ১,০০,০০০ টকা |
| জাভেদ আহমেদ | ১,০০,০০০ টকা |
| মেচাৰ্চ মাতা হাৰ্ডৱেৰ | ৫১,০০০ টকা |
| মেচাৰ্চ অগ্নিগড় বায়'প্লেণ্টেশ্বনছ | ৫০,০০০ টকা |
| প্ৰিয়াংকা কংক্ৰিট উদ্যোগ | ৫০,০০০ টকা |
| ইয়ং জেনেৰেশ্বন ক্লাব | ১,০০০ টকা |
| মেচাৰ্চ কিৰণ ট্ৰেক্টৰছ | ৫০,০০০ টকা |
| দক্ষিণ আঠিয়াবৈ চিৰসেউজী ক্লাব | ১২,১০০ টকা |
| ত্ৰৈলোক্য ডেকা | ২০,০০০ টকা |
| ত্ৰিদিপ বৰ্মন | ১,০০০ টকা |
| গ্লৰেল ইনফ্ৰা এছ'চিয়েটছ | ৫,০০০ টকা |
| ৰংপুৰ কনষ্ট্ৰাক্টৰছ প্ৰাঃলিঃ | ১৫,০০০ টকা |
| মঃ জিয়াউৰ ৰহমান | ২৫,০০০ টকা |
| হেমন্ত কুমাৰ নেওঁগ আৰু তুলিকা গগৈ নেওঁগ | ১০,০০০ টকা |
| দেৱজিৎ বৰা | ১,০৭,৩১০ টকা |
| অপূৰ্ব বৰুৱা | ২০,০০০ টকা |
| ৰাজেশ কুমাৰ আগৰৱাল | ৩১,০০০ টকা |
| ৰাজীৱ আহমেদ | ৫০,৯৯৯ টকা |
| মেচাৰ্চ কে.চি. চৌৰাচৰিয়া | ১,০০,০০০ টকা |
| খনিন্দ্ৰ কলিতা | ২,০০০ টকা |
| উত্তম পাল | ১,০০০ টকা |
| এম. লহকৰ | ২,০০০ টকা |
| পি. কাকতি | ২,০০০ টকা |
| গোপাল চন্দ্ৰ কাকতি | ২,০০০ টকা |
| দীনেশ মহন্ত | ২,০০০ টকা |
| মহম্মদ মতলিবুদ্দিন আহমেদ | ১১,০০,০০০ টকা |
| ছেইণ্ট মাৰ্থা ইনষ্টিটিউট অৱ নাৰ্চিং | ১,০০,০০০ টকা |
| ছাহিদুল ইছলাম | ৫১,০০০ টকা |
| বৃহত্তৰ গুৱাহাটী গো পালক সংস্থা | ১,০৫,০০০ টকা |
| দিগন্ত বৰা | ১,০০০ টকা |
| জিতেন বৰঠাকুৰ | ২৫,০০০ টকা |

| ব্যক্তি/ অনুষ্ঠানৰ নাম | বৰঙণি |
|---|---|
| মিতুমণি দাস | ২০,০০০ টকা |
| এম.কে. এড কমিউনিকেশ্বন চাৰ্ভিছ | ৫,০০০ টকা |
| জয় মা কামাখ্যা কনষ্ট্ৰাকছন, | ১০,০০০ টকা |
| নিউ মা কামাখ্যা আৰ্ট | |
| মা কামাখ্যা আৰ্ট | ২,০০,০০০ টকা |
| ওৱাহেদুৰ ৰহমান | ২০,০০০ টকা |
| গৌতম কুমাৰ গোস্বামী | ৫,০০০ টকা |
| ইলিয়াছ আলী | ২০,০০০ টকা |
| মুক্তাৰ হুছেইন খান | ২৫,০০০ টকা |
| হজৰত জাকাৰিয়া ভূঞা | ১০,০০০ টকা |
| বৰলিয়া ৱেলফেয়াৰ ছ'চাইটি, কামৰূপ | ১০,০০০ টকা |
| ভাৰ্গৱ কাশ্যপ | ১০,০০০ টকা |
| ড°বলিন্দ্ৰ কুমাৰ ডেকা | ৫০,০০০ টকা |
| নৃপেন নাথ | ৫০,০০১ টকা |
| তেজপুৰ মহকুমা ট্ৰাক ব্যৱসায়ী সংস্থা | ৫১,০০০ টকা |
| মেচাৰ্চ মেক্ৰ'কজম বিল্ডাৰ্চ | ২০,০০,০০০ টকা |
| ইন্দ্ৰানী দাস বৰগোঁহাই | ১০,০০০ টকা |
| শ্যামল প্ৰসাদ শইকীয়া | ৫০,০০০ টকা |
| অসম ষ্টেট এগ্ৰিকালছাৰেল মাৰ্কেটিং বৰ্ড | ১,৫০,১০১ টকা |
| হেমচন্দ্ৰ বৈশ্য | ২০,০০০ টকা |
| অৰিন্দম বৰুৱা | ১০,০০০ টকা |
| ৰাহুল আমিন | ২৫,০০০ টকা |
| বনমালী শৰ্মা | ১০,০০০ টকা |
| বৰ্ষা ৰাণী বৰা | ৫,১০১ টকা |
| প্ৰাঞ্জল হাজৰিকা | ২,০০,০০০ টকা |
| এম.ডি. আছাম ষ্টেট ডেভেলপমেণ্ট কৰ্পৰেচন ফৰ এছ.চি. লিঃ | ২,০০,০০০ টকা |
| মঙলদৈ স্পৰ্টছ এছ'চিয়েচন | ২৫,০০০ টকা |
| ডিভ ইনফিনিটী এণ্ড ইভেণ্টছ | ১০,০০১ টকা |
| আতাউল কৰিম চৌধুৰী | ১০০ টকা |
| ৰাজীৱ তালুকদাৰ | ১,০০১ টকা |
| বিশ্বনাথ বাছৱাৰ ফুটবল ক্লাব | ২,০০০ টকা |
| নামৰূপ টাউন ভিডিপি | ১,০০০ টকা |
| সুদীপ ভট্টাচাৰ্য্য | ৫০১ টকা |
| প্ৰভাত শৰ্মা | ৫,০০০ টকা |
| কাশী নাথ বৈশ্য | ১,০০১ টকা |
| ড° অৰুণ কান্তি দাস | ৫,০০০ টকা |
| নলিনী কান্ত সিন্হা | ১০,০০১ টকা |
| গুৱাহাটী ডিভিজন ইৰিগেশ্বন | ১,২৪৬ টকা |
| ডি.চি. অৱ পুলিচ | ১১,৩৯৪ টকা |
| মীন সঞ্চালকালয় | ১,১৭০ টকা |
| ডি.চি. অৱ পুলিচ | ১,৫০১ টকা |
| শশাংক শেখৰ ঘোষ | ৩০১ টকা |
| অঞ্জন বাচকটা | ২,২২২ টকা |
| অহিংসা কেমিকেলছ লিঃ | ২,০০,০০০ টকা |
| পৰেশ চন্দ্ৰ | ২,০০০ টকা |
| পলিউশ্বন কণ্ট্ৰল বৰ্ড অসম | ৩,৫০,০০০ টকা |
| সুন্দৰ হাৰ্ডৱেৰ | ১১,১০০ টকা |
| অৰূপ কুমাৰ শইকীয়া | ১,০০০ টকা |
| লক্ষীনাথ দুৱৰা | ১,০০০ টকা |
| বলেন্দ্ৰ চন্দ্ৰ | ১০,০০০ টকা |
| বসন্ত ডেকা | ৩,০০০ টকা |
| জয় জগন্নাথ এণ্টাৰপ্ৰাইজ | ১,০০,০০০ টকা |
| এ গ্ৰাম্য পুথিভড়াল | ৫১,০০০ টকা |
| অৰুণ কুমাৰ বৈশ্য | ১,১১১ টকা |
| কৃষ্ণ বৈশ্য | ৫,০০০ টকা |
| জ্যোস্নাৰা বেগম | ৫০,০০০ টকা |
| ৰাজীৱ কুমাৰ দত্ত | ৫০,০০০ টকা |
| ছমীৰ আহমেদ | ১০২ টকা |
| প্ৰণাৱনন্দ চৌধুৰী | ২৫,০০০ টকা |
| বন্দনীয়া লক্ষ্মীবাই | ৫০,০০০ টকা |
| পূৰবী ৰয় | ৫,০০০ টকা |
| অসম ৰাজ্যিক পৰিবহন নিগম | ১৫,০০,০০০ টকা |
| সঞ্জয় কিষান | ১,০০,০০০ টকা |
| বিজয় আগৰৱাল এণ্ড চনচ | ৫০,০০০ টকা |
| বৃন্দাৱন চুপাৰমাৰ্কেট | ১,০০,০০০ টকা |
| তৌফিকুল ইছলাম | ৫০,০০০ টকা |
| ৰাজেন কলিতা | ১০,০০০ টকা |
| অনুষ্ময় কলিতা | ১৫,০০০ টকা |
| শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ | ৬৮,৭৭৯ টকা |
| জযাণ মুণ্ডা | ১০,০০০ টকা |
| প্ৰশান্ত দে | ১০,০০০ টকা |
| চম্পা পাল | ২৫,০০০ টকা |
| ৰাজেন সৰকাৰ | ২৫,০০০ টকা |
| ৰাজু সৰকাৰ | ১০,০০০ টকা |
| জে. দাস | ২৫,০০০ টকা |
| কৰুণা দেৱ | ৫০,০০০ টকা |
| কৃষ্ণ দেৱনাথ | ১,০১,০০০ টকা |
| আশীষ দাস | ১১,০০০ টকা |
| হিমজ্যোতি কলিতা | ৫,০০০ টকা |
| ঘনশ্যাম বড়ো | ১,০০০ টকা |

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ একাউণ্ট নম্বৰ ঃ
35969660230 (SBI) IFSC Code: SBIN0010755, PAN: AAAPC4667K

জনসংযোগ/ডি/১২৩৬/২১

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow Us /@diprassam https://dipr.assam.gov.in/

দৈনিক অগ্ৰদূত

গুৱাহাটী, ১৮ জুন, ২০২১ শুকুৰবাৰ পৃষ্ঠা তিনি

# জব্দকৃত বিলাসী বাহনৰ পৰা উদ্ধাৰ দুষ্প্ৰাপ্য হাড়গিলাৰ মৃতদেহ

## গহপুৰত ধৃত দুই চোৰাংচিকাৰী

**অগ্ৰদূত বাৰ্তা**

**গহপুৰ, ১৭ জুন ঃ** দুষ্প্ৰাপ্য প্ৰজাতিৰ হাড়গিলা নিধন কৰা দুজন চোৰাংচিকাৰীক গহপুৰ আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ সক্ষম হৈছে। চোৰাং চিকাৰী দ্বয়ৰ পৰা গুলিসহ এটা ৰাইফল আৰু এখন বিলাসী বাহনো জব্দ কৰা হয়। কালি বিয়লি গহপুৰৰ অসম-অৰুণাচল প্ৰদেশৰ সীমান্তৰ ককিলা ৰঙাজানত আটক কৰা চোৰাং চিকাৰী দুজন হৈছে গহপুৰ সোণাপুৰ ছয় পৃষ্ঠাত চাওক



# মাৰ্ঘেৰিটাত সৌভাগ্য আঁচনি ৰূপায়ণত অনিয়মৰ অভিযোগ আদিবাসী ছাত্ৰ সন্থাৰ

**অগ্ৰদূত বাৰ্তা**

**মাৰ্ঘেৰিটা, ১৭ জুন ঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাত সৌভাগ্য আঁচনি ৰূপায়ণত বিসংগতি হোৱাৰ অভিযোগ উঠিছে। মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ অন্তৰ্গত ভিতৰপাৰৈ গাঁওপঞ্চায়তৰ অধীনত লিখাজানত বিজুলী সংযোগ আৰু মিটাৰৰ নামত দহ হেজাৰকৈ টকা জমা দিবলৈ কোৱাৰো উঠিছে আন এক গুৰুতৰ অভিযোগ। উত্থাপিত অভিযোগ অনুসৰি, সৌভাগ্য আঁচনিৰ অধীনত দৰিদ্ৰ জনসাধাৰণে সম্পূৰ্ণ ৰূপে বিনামূলীয়াকৈ বিদ্যুৎ সংযোগৰ সুবিধা লাভ কৰিব লাগে। কিন্তু এই আঁচনিৰ অধীনত মাৰ্ঘেৰিটা নগৰৰ পৰা প্ৰায় ১৪ কিলোমিটাৰ নিলগৰ ভিতৰপাৰৈ গাঁও পঞ্চায়তৰ অধীনত লিখাজানৰ বাসিন্দাই স্বাধীনোত্তৰ কালৰে পৰা বিজুলী বাতিৰ পোহৰ নথকাৰ পৰিপ্ৰেক্ষিতত ছমাহ পূৰ্বেই দৰিদ্ৰ লোকৰ সুবিধাৰ্থে বিজুলী তাঁৰ সংযোগ কৰিছিল। সংযোগ পোৱা আজি ছমাহমান অতিক্ৰম কৰিলে যদিও মাৰ্ঘেৰিটা লিখাজানত অতি পিছপৰা অঞ্চলৰ লোকসকলে কিন্তু বিজুলী পোহৰ পাবলৈ আজি পৰ্যন্ত সক্ষম নহ'ল। 'ইলেক্ট্ৰ কিং' নামৰ এটা ব্যক্তিগত বিদ্যুৎ সংযোগকাৰী প্ৰতিষ্ঠানে বিজুলী তাঁৰৰ খুঁটা পুতি সংযোগ কৰিলে ছয় পৃষ্ঠাত চাওক

# পেট্ৰ'ল-ডিজেলৰ অভাৱনীয় মূল্যবৃদ্ধি ঃ জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১৭ জুন ঃ** পেট্ৰ'ল-ডিজেলৰ অভাৱনীয় মূল্যবৃদ্ধিৰ প্ৰতিবাদত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নলবাৰী চহৰ সমিতিয়ে আজি চহৰৰ মাজমজিয়াস্থিত তেল ডিপ'ৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। যুৱ-ছাত্ৰ পৰিষদ, নলবাৰী চহৰ সমিতিৰ সভাপতি নয়ন শৰ্মা আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক নৱজ্যোতি ডেকাৰ নেতৃত্বত ৰূপায়িত উক্ত প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণকাৰীসকলে 'প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী হায় হায়, পেট্ৰ'লিয়াম মন্ত্ৰী হায় হায়, পেট্ৰ'ল-ডিজেলৰ দাম নিয়ন্ত্ৰণ কৰক, কেন্দ্ৰীয় চৰকাৰ হায় হায়' আদি শ্ল'গান দিয়ে। নলবাৰী জিলা সমিতিৰ উপদেষ্টা নিৰোদ দাস, সাধাৰণ সম্পাদক কৌশিক ছয় পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে



# ১৬ হেজাৰ টকাৰ জৰিমনা ঃ সাতখন দোকান বন্ধ

# বৰপেটাৰ অস্বাস্থ্যকৰ মাংসৰ বজাৰত প্ৰশাসনৰ অভিযান

**বিশেষ সংবাদদাতা**

**বৰপেটা, ১৭ জুন ঃ** বৰপেটা জিলা উপায়ুক্তৰ নিৰ্দেশ মৰ্মে বিধি বহিৰ্ভূতভাৱে মাংস বিক্ৰী কৰা দোকানসমূহৰ বিৰুদ্ধে কালি আৰু পৰহি প্ৰশাসনৰ তৰফৰ পৰা অভিযান চলাই ১৬ হেজাৰ টকাৰ জৰিমনা সংগ্ৰহ কৰাৰ লগতে সাতখন দোকান বন্ধ কৰে। পথৰ দাঁতিত জধে-মধে মাংস বিক্ৰী কৰা বুলি পোৱা অভিযোগৰ ভিত্তিত আৰু স্বাস্থ্যসন্মতভাৱে মাংস বিক্ৰী কৰাটো নিশ্চিত কৰিবলৈ উপায়ুক্তই জিলা পশুপালন তথা পশু চিকিৎসা বিভাগ আৰু পৌৰসভাৰ কাৰ্যবাহী বিষয়াসকলক দিয়া নিৰ্দেশক্ৰমে কালি আৰু পৰহি বৰপেটা চহৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত এই অভিযান চলোৱা হয়। উক্ত ছয় পৃষ্ঠাত চাওক

# শুকানজুৰি চাহ বাগিচাত গৰুৰ মৃত্যুৰ ঘটনা

# পাঁচ দিনৰ ভিতৰত ক্ষতিপূৰণ দিয়াৰ প্ৰতিশ্ৰুতি বাগিচা কৰ্তৃপক্ষৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৭ জুন ঃ** নগাঁও জিলাৰ বঢ়মপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত শুকানজুৰি চাহ বাগিচাত কালি বিষাক্ত ঔষধ ছটিওৱা ঘাঁহ খাই কে'বাটাও গৰুৰ মৃত্যু হোৱাক কেন্দ্ৰ কৰি আজিও প্ৰতিক্ৰিয়া অব্যাহত আছে। স্থানীয় ৰাইজ আৰু বিভিন্ন দল-সংগঠনে এনেদৰে অপমৃত্যুৰ কবলত পৰা গৰুকেইটাৰ ক্ষতিপূৰণ গৰুৰ গৰাকীক দিবৰ বাবে বাগিচাখনৰ কৰ্তৃপক্ষই প্ৰতিশ্ৰুতি দিছে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ জিলা সমিতি, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ নগাঁও শাখা, স্থানীয় ছয় পৃষ্ঠাত চাওক

# গোৱালপাৰাৰ ৰণুৱাত স্বামীয়ে ঘপিয়াই হত্যা কৰিলে পত্নীক

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৭ জুন ঃ** গোৱালপাৰা জিলাৰ মাটিয়া আৰক্ষী থানাৰ অন্তৰ্গত ৰণুৱাত যোৱা নিশা স্বামীয়ে পত্নীক ঘপিয়াই হত্যা কৰা ঘটনা সংঘটিত হয়। উল্লেখ্য যে বহতী দ্বিতীয় খণ্ডৰ আবুল শ্বেখৰ স'তে পত্নী নবিৰণ নেছাৰ দীৰ্ঘদিনৰ পৰাই পাৰিবাৰিক সংঘাত চলি আছিল। পতি-পত্নীৰ মাজত চলা পাৰিবাৰিক সংঘাতৰ বাবেই নেছাই স্বামীগৃহ এৰি ৰণুৱাত বসবাস কৰিবলৈ লয়। কিন্তু যোৱা নিশা ১২ বজাত নেছাই শুই থকা অৱস্থাত স্বামী আবুল শ্বেখে ডেগাৰেৰে শৰীৰৰ ছয় পৃষ্ঠাত চাওক

# ধ্যান ফাউণ্ডেছনৰ চাপৰস্থিত চৌহদত নাই পানী, চিকিৎসা, বাসস্থান

# খাদ্যৰ অভাৱত গোশালাত মৃত্যু গো-ধনৰ



**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ১৭ জুন ঃ** ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পৰা আৰক্ষী আৰু অসম-বাংলাদেশ সীমান্তৰ পৰা সীমান্ত সুৰক্ষা বাহিনীয়ে জব্দ কৰা অবৈধ গৰু-ম'হসমূহ চোৰা-চিতা আৰু উপযুক্ত খাদ্য, পানী, চিকিৎসা প্ৰদানৰ প্ৰতিশ্ৰুতি দি ধ্যান ফাউণ্ডেছন নামৰ এটি স্বেচ্ছাসেৱী সংগঠনে গৰু-ম'হসমূহ আৰক্ষী-বিএছএফে জিম্মাত দিয়া খোৱাৰৰ পৰা লৈ যোৱাৰ পাছত সেই পশুধনসমূহৰ অৱস্থা ইমানেই কৰুণ হৈ পৰিছে যে ধাৰাবাহিকভাৱে সেইবোৰৰ মৃত্যু হৈ অহাৰ অভিযোগ উঠিছে। পৰ্যাপ্ত খাদ্য আৰু চিকিৎসাৰ অভাৱত ইতিমধ্যে বহুতো পশুধনৰ মৃত্যু হোৱাৰ বাতৰি প্ৰকাশ পোৱাৰ উপৰি ধ্যান ফাউণ্ডেছনৰ পৰা গৰু-ম'হ বিক্ৰীও কৰা হয় বুলি অভিযোগ উঠিছে। উক্ত অভিযোগৰ সত্যতা নিৰূপণ কৰিবলৈ 'দৈনিক অগ্ৰদূত'-এ চাপৰৰ ৰাঙামাটিস্থিত গোশালাখন চৰজমিন প্ৰত্যক্ষ কৰাৰ পাছত উত্থাপিত অভিযোগসমূহ অনেকাংশ সঁচা বুলি প্ৰতীয়মান হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, আৰক্ষী আৰু সীমান্ত সুৰক্ষা বাহিনীয়ে জব্দ কৰা গৰু-ম'হসমূহ অসমৰ কে'বাটাও গোশালাত ৰখাৰ ব্যৱস্থা কৰিছে ধ্যান ফাউণ্ডেছনে। ইয়াৰে এখন গোশালা আছে ৰাঙামাটিত। ধুবুৰী জিলাৰ চাপৰ আৰু বহলপুৰৰ মাজত থকা ৰাঙামাটিত চৰকাৰী ভূমিত ছয় পৃষ্ঠাত চাওক

# প্ৰকৃত কেডাৰসকল বঞ্চিত হ'লে পুনৰ জংঘললৈ যাবলৈ বাধ্য হ'ব

## ওদালগুৰিত সৰৱ প্ৰাক্তন এনডিএফবি

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ১৭ জুন ঃ** 'চৰকাৰৰ হাতত থকা প্ৰাক্তন এনডিএফবি কেডাৰসকলৰ নাম চৰকাৰখনে ৰাজহুৱা কৰক। জাতিৰ হকে সংগ্ৰাম কৰা প্ৰতিজন প্ৰাক্তন এনডিএফবি কেডাৰৰ নাম চৰকাৰৰ তালিকাত অন্তৰ্ভুক্ত হ'ব লাগে। লগতে কোনোবা যদি আন লোকৰ নাম এই তালিকাত অন্তৰ্ভুক্ত হৈছে, তেন্তে তেওঁলোকৰ



নাম তালিকাৰ পৰা কৰ্তন কৰক। চৰকাৰৰ তালিকা তথা চৰকাৰী সা-সুবিধাৰ পৰা প্ৰকৃত কেডাৰসকল বঞ্চিত হ'লে পুনৰ জংঘললৈ যাবলৈ বাধ্য হ'ব তেওঁলোক। ইয়াৰ বাবে কোন দায়ী হ'ব?' এই মন্তব্য প্ৰাক্তন এনডিএফবিৰ সহকাৰী সাধাৰণ সম্পাদক বি বৈহৈবৈথাৰ। বিটিআৰ চুক্তি সম্পন্ন হোৱাৰ প্ৰায় ডেৰ বছৰ উকলি যোৱাৰ পাছতো চুক্তি অনুসৰি প্ৰাক্তন এনডিএফবি কেডাৰসকলৰ সংস্থাপনকে ধৰি আন আন প্ৰতিশ্ৰুতি পালন কৰা হোৱা নাই বুলি বৰ্তমান ভাগি পৰিছে সেইসকল ছয় পৃষ্ঠাত চাওক

# গোসাঁইগাঁও আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰত গছতে গেলিছে নেমু

# গ্ৰাহকৰ অভাৱত খেতিতে নষ্ট হ'বলৈ ধৰিছে উৎপাদিত পণ্য

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ১৭ জুন ঃ** ক'ৰনা অতিমাৰীয়ে দেশজুৰি ভয়াৱহ পৰিস্থিতি সৃষ্টি কৰা সময়তে কৃষি ক্ষেত্ৰতো ইয়াৰ প্ৰভাৱ পৰিছে। সন্ধ্যা আইনৰ বাবে হাট-বজাৰ বন্ধ থকাৰ ফলত গ্ৰাহকৰ অভাৱত কৃষকে উৎপাদন কৰা বিভিন্ন কৃষিজাত সামগ্ৰী খেতিপথাৰতে গেলি-পচি বিনষ্ট হ'বলৈ ধৰিছে। সাধাৰণ কৃষক ৰাইজতো বাদেই সান্ধ্য আইনৰ ফলত চৰকাৰী কৃষি খণ্ডতো ব্যাপক লোকচান হৈছে। কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ তেলিপাৰাস্থিত আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰৰ ২৫ বিঘা ভূমিত খেতি কৰি উৎপন্ন কৰা বিভিন্ন পণ্য গ্ৰাহকৰ অভাৱত মজুত হৈ থকাৰ



লগতে কেঁচা সামগ্ৰীসমূহ গেলি-পচি নষ্ট হোৱাত ৰাজহ হেৰুৱাব লগা হৈছে। বিশেষকৈ গৱেষণা কেন্দ্ৰটোৰ পাঁচ বিঘা মাটিত কৰা নেমু খেতিত শ শ কুইণ্টল নেমু ক্ৰেতাৰ অভাৱত গছতে নষ্ট ছয় পৃষ্ঠাত চাওক

# ঢকুৱাখনাৰ খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন প্ৰাক্তন মন্ত্ৰী নব দলেৰ



**ঢকুৱাখনা, ১৭ জুন ঃ** আজি ঢকুৱাখনা বিধানসভা সমষ্টিৰ ঘিলামৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত দেৱলীয়া, বৰদৈবাম আৰু ঘিলামৰা সদৰ পঞ্চায়তৰ ঢাপলিয়াল, পাৰঘাট, কুমটীয়া, চামপৰা, মেলেকীগাঁও আদি অঞ্চলত কড়া আৰু কুমটীয়া নদীৰ খহনীয়া তথা ইয়াৰ আশংকা থকা স্থানসমূহৰ লগতে টেঙা আম বান্ধ পৰিদৰ্শন কৰে স্থানীয় বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী নব কুমাৰ দলেই। পৰিদৰ্শন কালত খহনীয়া নিয়ন্ত্ৰণৰ বাবে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক বিধায়ক দলেই নিৰ্দেশ দিয়ে। লগতে চিচি টেকেলিফুটা মথাউৰিৰ ভিন্ন স্থানো পৰিদৰ্শন কৰি ছয় পৃষ্ঠাত চাওক

# ২৪ বছৰে বিনাবেতনে সেৱা আগবঢ়োৱা শিক্ষকৰ বিয়োগ



**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ১৭ জুন ঃ** মঙলদৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত জনাৰামচৌকা গাঁও পঞ্চায়তৰ বৰ আঠিয়াবাৰী গাঁৱৰ নিবাসী, প্ৰধান শিক্ষক, সৰ্বৰহী ব্যক্তি খড়্গধৰ ডেকা (৫৮)ৰ আজি পুৱা ১০-০৫ বজাত মৃত্যু হয়। দীৰ্ঘদিনৰ পৰা তেওঁ যকৃত আৰু বৃক্কৰ ৰোগত ভুগি আছিল যদিও আৰ্থিক দুৰৱস্থাৰ বাবে সুচিকিৎসা লোৱাত অসমৰ্থ হৈ অৱশেষত মৃত্যু মুখত পৰে। উল্লেখ্য যে ১৯৯৭ত বৰআঠিয়াবাৰী গাঁৱত স্থানীয় ৰাইজে প্ৰতিষ্ঠা কৰা সৰু জলজলী এম ই স্কুলৰ ছয় পৃষ্ঠাত চাওক

# সৃজনগ্ৰামৰ হুৰামাৰাত খহনীয়াই লৈছে তীব্ৰ ৰূপ



**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ১৭ জুন ঃ** জলসম্পদ বিভাগৰ ধুবুৰী সংমণ্ডলৰ অধীনস্থ বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম অঞ্চলত আই নৈৰ গৰাখহনীয়া ৰোধ কৰাৰ বাবে বিভাগে বহু লাখটকীয়া জিঅ' বেগ আঁচনি গ্ৰহণ কৰে যদিও নৈৰ খহনীয়াই বিধ্বস্ত ৰূপ লোৱাৰ পাছতো বিভাগীয় ঠিকাদাৰ তথা বিষয়া-কৰ্মচাৰীয়ে এই আঁচনিখন ৰূপায়ণৰ বাবে আগনবঢ়াত শংকিত হৈছে নৈপৰীয়া ৰাইজ। উল্লেখ্য যে অঞ্চলটোৰ সিদলসতী-ৰজাঘুলি মথাউৰিটোৰ হুৰামৰা অংশত আই নৈত বৰ্তমানে তীব্ৰ খহনীয়া অব্যাহত থকা সময়তে বিভাগে খহনীয়া প্ৰতিৰোধৰ বাবে উক্ত আঁচনি গ্ৰহণ কৰাত স্বস্তিৰ নিশ্বাস কাঢ়িছিল নৈপৰীয়া ৰাইজে। স্মৰ্তব্য যে খৰালি কালত সময় নোপোৱা বিয়াগোম বিভাগটোৱে বাৰিষাত আঁচনি গ্ৰহণ কৰাৰ ছয় পৃষ্ঠাত চাওক

# প্ৰবন্ধকাৰ যাদৱ চন্দ্ৰ দাসৰ মৃত্যু



**গুৱাহাটী, ১৭ জুন ঃ** সমাজ সচেতক, জাতীয় প্ৰেমেৰে উদ্বুদ্ধ প্ৰবন্ধকাৰৰূপে পৰিচিত বেলতলা নিবাসী যাদৱ চন্দ্ৰ দাস (৭৮)ৰ যোৱা নিশা ১২-০৭ বজাত হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ অৱসৰপ্ৰাপ্ত সহকাৰী শাখা প্ৰবন্ধক দাসৰ মৃত্যুত বেলতলা অঞ্চলত শোকৰ ছাঁ পৰে। তেওঁ মৃত্যুৰ সময়ত পত্নীৰ লগতে এজন পুত্ৰ আৰু তিনিগৰাকী বিবাহিতা কন্যা সন্তান এৰি যায়।

# আৰক্ষী অধীক্ষক-গাঁওৰক্ষী বাহিনীৰ বিপৰীত ভাষ্যত ৰহস্য বৃদ্ধি

# নগাঁৱত ড্ৰাগছ বিৰোধী অভিযানৰ সদস্য আৰক্ষী জোৱানক আক্ৰমণৰ অভিযোগ



**বিশেষ সংবাদদাতা**

**নগাঁও, ১৭ জুন ঃ** নগাঁৱৰ ড্ৰাগছ বিৰোধী অভিযানত জড়িত এজন আৰক্ষী জোৱানক আক্ৰমণৰ ঘটনাক কেন্দ্ৰ কৰি সম্প্ৰতি গভীৰ ৰহস্যৰ সৃষ্টি হৈছে। স্থানীয় লোক আৰু গাঁওৰক্ষী বাহিনীৰ লোকে নিচাসক্ত অৱস্থাত আৰক্ষী জোৱানজন দুৰ্ঘটনাগ্ৰস্ত হোৱা বুলি কৰা দাবী অস্বীকাৰ কৰিছে নগাঁৱৰ আৰক্ষী অধীক্ষকে। ইয়াৰ বিপৰীতে জোৱানজনক দুৰ্বৃত্তই আক্ৰমণ কৰাৰ অভিযোগ তুলি আৰক্ষী অধীক্ষকজনে ড্ৰাগছ বিৰোধী অভিযানৰ বিৰুদ্ধে এক চক্ৰৰ গভীৰ ষড়যন্ত্ৰ চলা বুলি দাবী কৰে। এই বিপৰীত ভাষ্যই সম্প্ৰতি সমগ্ৰ ঘটনাটোক ৰহস্যাবৃত কৰি তুলিছে। উল্লেখ্য যে নগাঁও জিলাৰ আৰক্ষী অধীক্ষকৰূপে দায়িত্ব লোৱাৰ পাছৰে পৰা ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া আনন্দ মিশ্ৰই জিলাখনত ড্ৰাগছ সৰবৰাহৰ বিৰুদ্ধে কঠোৰ ভূমিকা গ্ৰহণ কৰিছে। ড্ৰাগছ বিৰোধী অভিযানৰ বাবে আৰক্ষী অধীক্ষকে জিলাখনত আৰক্ষীৰ এটা 'এণ্টি-নাক'টিক স্কোৱাড' গঠন কৰিছে। ছয় পৃষ্ঠাত চাওক

# ডবকাত বিদ্যুৎস্পৃষ্ট হৈ কৃষকৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ১৭ জুন ঃ** হোজাই জিলাৰ ডবকাত বিদ্যুৎস্পৃষ্ট হৈ এজন কৃষকৰ মৃত্যু হোৱা ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। কালি বিয়লি ডবকাৰ চন্দনপুৰত এই ঘটনা সংঘটিত হয়। ইমান আলী নামৰ কৃষকজনে নিজৰ খেতিপথাৰত পানী দিবলৈ যোৱা অৱস্থাত দুৰ্ঘটনাগ্ৰস্ত হয়। পৰিয়ালৰ লোকে জনোৱা মতে, কালি বিয়লি আলীয়ে বৈদ্যুতিক মটৰৰ জৰিয়তে নিজৰ খেতিপথাৰত পানী দি আছিল। সেই সময়তে অসাৱধানবশতঃ তেওঁ বিদ্যুৎস্পৃষ্ট হয় আৰু ঘটনাস্থলীতে আলীৰ মৃত্যু হয়। পাছত ডবকা আৰক্ষীয়ে ঘটনাস্থলীত ছয় পৃষ্ঠাত চাওক

# যাতায়াতৰ নামত দুৰ্ভোগ ভুগিছে ৰাইজে

# ঢেকিয়াজুলিৰ বাঁহবেৰাত বেলশিৰি নৈত টুলুঙা নাৱেৰে বিপদ সংকুল যাতায়াত

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ১৭ জুন ঃ** বিজেপি চৰকাৰখনে সৰ্বত্ৰে উন্নয়নৰ আৰু বিকাশৰ কথা আওৰাই থকাৰ সময়তে ঢেকিয়াজুলি সমষ্টিত উন্মোচিত হৈছে উন্নয়নৰ এক ফোঁপোলাস্বৰূপ। ঢেকিয়াজুলি সমষ্টিৰ বাঁহবেৰা অঞ্চলত বেলশিৰি নৈত টুলুঙা নাৱেৰে শ শ লোকৰ নিতৌ বিপদ সংকুল যাতায়াত অব্যাহত আছে। বাৰিষাত বেলশিৰি নৈখন বাঢ়িলেই যাতায়াতৰ নামত সমস্যা বৃদ্ধি হয় অঞ্চলটোৰ লোকসকলৰ। কিয়নো বাৰিষাত কেৱল যাতায়াতৰ একমাত্ৰ সম্বল এই টুলুঙা



নাওখন। টুলুঙা নাৱেৰে নিতৌ বিপদ সংকুল যাতায়াত অব্যাহত ৰাখিছে। ইয়াৰ বাবদ দিব লাগে ভাড়াও। আজিকোপতি ইয়াত বেলিশিৰি নৈৰ ওপৰত দলং নৰ্মাণ হৈ নুঠাত যাতায়াতৰ নামত অঞ্চলবাসীয়ে একাধিক সমস্যাৰে জৰ্জৰিত হৈ আছে। বৃহত্তৰ অঞ্চলটোৰ ১৫ খন গাঁৱৰ লোকে বেলিশৰি নৈৰ ওপৰত নিতৌ দলঙৰ অভাৱত টুলুঙা নাওখনেই একমাত্ৰ যাতায়াতৰ সমল হৈছে। উল্লেখ্য যে ছয় পৃষ্ঠাত চাওক

# বঙাইগাঁৱৰ শিল্পী, অভিনেতা বিনয় ৰায়ৰ বিয়োগ



**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ১৭ জুন ঃ** জুবিন গাৰ্গ আৰু নিৰ্মালী দাসৰ কণ্ঠৰ 'তিনতা বাজাত দাকেয়া দিলে, ৰাতিতে হালক জাং' শীৰ্ষক ৰাজবংশী জনগোষ্ঠীয় চিৰ পৰিচিত গীতৰ অভিনেতা বিনয় ৰায় (৪৯)ৰ কালি বিয়োগ ঘটে। কিছুদিন ধৰি যকৃতৰ ৰোগত আক্ৰান্ত শিল্পীজনক কালি উন্নত চিকিৎসাৰ বাবে বঙাইগাঁৱৰ পৰা গুৱাহাটীলৈ নিয়াৰ পথত দিনৰ ১১-১৫ বজাত মৃত্যু হয়। ভাৰতীয় ডাক বিভাগৰ কৰ্মচাৰী, বিনয় ৰায় অভিনেতা, সংগীত শিল্পী, বিহু দলৰ শিল্পী, নামৰ দলৰ পাঠক আছিল। ছয় পৃষ্ঠাত চাওক

# দীৰ্ঘম্যাদী ব্যৱস্থাৰে সুৰক্ষাৰ আশ্বাস

# বৰপেটাৰ বহৰিত ব্ৰহ্মপুত্ৰৰ খহনীয়া পৰিদৰ্শন জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাৰ



**বিশেষ সংবাদদাতা**

**বৰপেটা, ১৭ জুন ঃ** জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি বৰপেটা জিলাৰ বহৰিত ব্ৰহ্মপুত্ৰ নৈয়ে সৃষ্টি কৰা খহনীয়াজনিত পৰিস্থিতিৰ পৰিদৰ্শন কৰি অৱস্থাৰ বুজ লয়। নৈৰ খহনীয়াই অঞ্চলটোৰ লগতে ইয়াৰ মহাপুৰুষ হৰিদেৱৰ দ্বাৰা স্থাপিত ঐতিহাসিক সত্ৰখনৰ প্ৰতি সৃষ্টি কৰা প্ৰবল ভাবুকি প্ৰত্যক্ষ কৰি উদ্বিগ্নতা প্ৰকাশ কৰি ঐতিহ্যমণ্ডিত সত্ৰখন ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী শুকুৰবাৰ ৩ আহাৰ ১৪২৮ ভাস্কৰাব্দ ১৮ জুন ২০২১

## মানসিক বিকৃতি

সমাজত পৰিৱৰ্তন অৱশ্যম্ভাৱী; কিন্তু সেই পৰিৱৰ্তন উমৈহতীয়া কল্যাণৰ বাবেহে হোৱাটো বাঞ্ছনীয়। সভ্য জহাবলৈ যোৱাৰ নামত এক শ্ৰেণীৰ চতুৰ লোকক চৰম জালিয়াতি কৰাহে দেখিবলৈ পোৱা গৈছে। তেওঁলোকে নিজৰ সকলো ধৰণৰ ভোগ-বিলাসৰ হেতুকে যুগে যুগে চক্ৰান্তৰ মন্ত্ৰৰে মৰীচিকা প্ৰদৰ্শন কৰি আহিছে। সৌ সিদিনালৈকে গ্ৰাম্য সমাজত গঞা ৰাইজে একপ্ৰকাৰ উমৈহতীয়া জীৱন যাপন কৰিছিল। তেওঁলোকে খেতি কৰি পোৱা ধান, মাহ, সৰিয়হ আদি একেলগে ৰাখিছিল আৰু প্ৰয়োজন হ'লেই প্ৰতিটো পৰিয়ালে লাভ কৰাৰ সুযোগ পাইছিল। পৰৱৰ্তী সময়ত প্ৰতিটো পৰিয়ালে নিজাববীয়াকৈ এই সামগ্ৰীসমূহ ৰাখিছিল যদিও আন কাৰোবাৰ অভাৱ হ'লে যোগান ধৰাও হৈছিল। গাঁৱৰ পৰিয়াল মানেই যৌথ পৰিয়াল। ইজনে-সিজনৰ সুখ-দুখ অনুভৱ কৰিছিল আৰু বিপদে আপদে সহায়ো কৰিছিল; কিন্তু গাঁও এৰি তথাকথিত উন্নত নগৰলৈ যোৱাৰ পাছত যৌথ পৰিয়ালৰ আমেজ হেৰাই গ'ল। এই কথা মানি লৈছো যে জীৱিকাৰ বাবে সতি-সন্ততিয়ে পিতৃ-মাতৃৰ পৰা আঁতৰত থাকিব লগা হৈছে; কিন্তু তাৰ অৰ্থ বৃদ্ধাৱস্থাত তেওঁলোকৰ ফালে ঘূৰি নোচোৱাটোৱেই নেকি? সভ্য হোৱাৰ চৰিত্ৰ স্বাৰ্থপৰ ব্যক্তিকেন্দ্ৰিকতাই নে কি?

আনহাতে, গ্ৰামাঞ্চলৰ কিশোৰ-কিশোৰী আৰু নগৰাঞ্চলৰ কিশোৰ-কিশোৰীৰ মাজত স্পষ্ট পাৰ্থক্য ওলাই পৰে। গ্ৰামাঞ্চলৰ ল'ৰা-ছোৱালীয়ে প্ৰকৃতিৰ মাজত খেলি উলাহত দিন কটায়। পুখুৰীত মাছ ধৰে, নৈত সাঁতোৰে আৰু মুকলি পথাৰত খেলি সময় কটায়। পাছলৈ শিক্ষা লাভ কৰি উপাৰ্জনক্ষম হয়। পিতৃ-মাতৃয়ে তেওঁলোকক সুচৰিত্ৰৰ গৰাকী হ'বলৈ শিকায়। ইয়াৰ বিপৰীতে নগৰাঞ্চলত কিশোৰী-কিশোৰীবোৰক একোটা নিৰ্জীৱ ৰবটৰ দৰে ব্যৱহাৰ কৰা হয়। পিতৃ-মাতৃৰ নিৰ্দেশ, পৰীক্ষাত বেছি নম্বৰ পাবই লাগিব। বেছি দৰমহাৰ চাকৰিয়েই তেওঁলোকৰ জীৱনৰ একমাত্ৰ লক্ষ্য। তেওঁলোকৰ মাজৰ পৰা ক্ৰমাৎ মানৱীয় অনুভূতিসমূহ হেৰাই যাবলৈ বাধ্য হয়। তেওঁলোকে পাছলৈ সেই মাক-দেউতাককো ঘূৰি চাবলৈ সময় নোপোৱা হয়। এনে অৱস্থাৰ পৰা আমাৰ কি লাভ হৈছে? এজনে বহু ধনৰ মালিক হ'ব পাৰে; কিন্তু যদিহে সেই ধনে সুখ-শান্তি আনি দিব নোৱাৰে, তেন্তে সেই ধন বিষতুল্য নহয়নে? উল্লেখনীয় যে টকাৰ আৱিষ্কাৰকেই সভ্যতাৰ অন্যতম মাপ-কাঠি হিচাপে লোৱা হয়। ধনৰ সুষম ব্যৱহাৰ নিতান্তই কাম্য; কিন্তু সেই ধন গলগ্ৰহ হ'ব নালাগে। ছুৰী এখনেৰে আপেল চকলীয়াই খাব পাৰি; কিন্তু কোনোবাই যদিহে আপেলৰ সলনি কাৰোবাৰ ডিঙি কটাত ব্যৱহাৰ কৰে, তেন্তে তেনে ছুৰীৰ আৱশ্যকতা কি?

এই সময়ত আমি প্ৰত্যেকে ক'লৈ গৈ আছো সেই বিষয়ে চিন্তা কৰাটো বাঞ্ছনীয়; কিয়নো তথাকথিত সভ্য হ'বলৈ গৈ আমি কেৱল দৌৰিছো, কেৱল ব্যক্তিগত আকাংক্ষা পূৰণৰ হেতুকেহে; কিন্তু সেই আকাংক্ষাৰ কোনো সীমা নাই, অথচ আমাৰ শক্তি সামৰ্থ্য অনুসৰি নিজ ক্ষেত্ৰখনতেই সুখী হোৱাৰ যথেষ্ট উপাদান আছে। গুৱাহাটীতেই কিছু সংখ্যক ৰাজনৈতিক নেতা আৰু আমোলাৰ বহু ঠাইত মাটি আৰু কে'বামহলীয়া অট্টালিকা আছে; কিন্তু সেইবোৰৰ মালিক তেওঁলোক নে তেওঁলোকৰ মালিক অট্টালিকাসমূহ? সেই ক্ষেত্ৰত এদিন জবাবদিহি হ'ব নালাগিবনে? এনেবোৰ সম্পদ আহৰণৰ উদ্দেশ্যে যিবোৰ বেঁকা পথ লৈছে, সেইবোৰৰ প্ৰত্যক্ষ নহ'লেও পৰোক্ষভাৱে তেওঁলোকে প্ৰতিফল ভোগ কৰিবই লাগিব। নিজৰ সতি-সন্ততিলৈ মাত্ৰাধিক ধন এৰি যোৱাটো নিশ্চয় বিবেকবান লোকৰ কাম নহয়। তেনে সম্পদে সন্তানক নিষ্কৰ্মা, দুশ্চৰিত্ৰ অথবা ধোৱাখুলীয়াহে কৰি তোলাৰ সম্ভাৱনা থাকে।

সবাতোকৈ উল্লেখনীয় যে সভ্য হ'বলৈ যোৱাৰ নামত আমি স্বকীয় অস্তিত্বকেই হেৰুৱাই পেলাবলৈ ওলাইছো। মাতৃভাষাক অনাদৰ কৰা হৈছে। নিজৰ সংস্কৃতিৰ প্ৰতি বীতশ্ৰদ্ধ, পৰম্পৰাগত সাজ-পাৰ, খোৱা-লোৱা সকলো বিস্মৃতিৰ পথত। আমদানিকৃত ধ্যান-ধাৰণা, সাজ-পাৰ, খোৱা-লোৱা সকলোখিনিকে গো-গ্ৰাসে হজম কৰিবলৈ লোৱাৰ ফলস্বৰূপে সমাজত মানসিক বিকৃতিৰ লোকৰ সংখ্যা বৃদ্ধি পাইছে।

তেনে পৰিৱেশৰ পৰা মুক্তি লাভ কৰিবলৈ হ'লে শিশুৰ পিতৃ-মাতৃয়ে শৈশৱৰ পৰাই তেওঁলোকৰ স্বাভাৱিক বিকাশ যাতে বাধাগ্ৰস্ত নহয়, তাৰ ওপৰত নজৰ দিব লাগিব। ধৰ্ম-ভাষা-বৰ্ণ-গোষ্ঠী নিৰ্বিশেষে সকলোৰে অধিকাৰ ৰক্ষাৰ ওপৰত গুৰুত্ব দিয়াৰ বাবে প্ৰশিক্ষণ দিব লাগিব। ঘৰখনতেই সতি-সন্ততিক ব্যক্তিকেন্দ্ৰিকতাৰ সলনি সামূহিক চিন্তাৰ সমল যোগাব পাৰিব লাগিব। পাশ্চাত্যৰ তথাকথিত সভ্যতাৰ সমল আমদানি কৰিবলৈ যোৱাৰ আগতে আমাৰ চাৰিওফালৰ পৰিৱেশৰ লগতে আমাৰ মানুহখিনিকো মানৱীয় কৰি তুলিবলৈ শিকিব লাগিব।

### খো লা ম ঞ্চ

## দিছপুৰীয়া নতুন চৰকাৰখনে কিবোৰ বিষয়ত গুৰুত্ব দিয়া উচিত



**এইবেলি** নতুন চৰকাৰখনে আগৰ পাঁচটা বছৰো অসমত ক্ষমতা লাভ কৰি জনগণৰ কল্যাণৰ কাম কিছু পৰিমাণে কৰিছে সঁচা; কিন্তু আৰু বহুতো কাম আছে সেইবোৰ কাম নতুন চৰকাৰখনে নিষ্ঠা সহকাৰে কৰি যাব বুলি ৰাইজ আশাবাদী। প্ৰথমটো গুৰুত্বপূৰ্ণ সমস্যা হ'ল অসমৰ প্ৰতিবছৰে বিহু লেখীয়াকৈ অহা বানপানী। ই এক মাৰাত্মক সমস্যা অসমবাসীৰ বাবে ই সৰ্বসাধাৰণ দুখীয়া ৰাইজক ভিঠাচন কৰি যোৱা সমস্যা কুলাই পাছিয়ে নধৰা দুৰ্গতি, খেতিয়ক ৰাইজৰ খেতি মাটি উছন, ঘৰ, পশুধন, মানুহ বৰনৈত জাহ খেদায়। এতেকে এই বানপানীৰ সমস্যাটোত গুৰুত্ব সহকাৰে সমাধান কৰাৰ গুৰু দায়িত্ব চৰকাৰৰ। দ্বিতীয় সমস্যা বন-বননি সংৰক্ষণ কৰি প্ৰকৃতিৰ অৱদান অক্সিজেন বায়ুৰ দ্বাৰা মানৱকুল নিৰোগী কৰি ৰখাৰ ব্যৱস্থাত গুৰুত্ব দিয়া আৰু বন-জংঘলৰ পশু-পক্ষীক সংৰক্ষণ কৰাৰ দায়িত্ব বহন কৰা নতুন চৰকাৰখনৰ গুৰুত্ব অধিক। তৃতীয়তে শিক্ষিত নিবনুৱাৰ কৰ্মসংস্থাপন দিয়া আৰু নিয়মীয়া কৰি দুখীয়া ৰাইজক সকাহ দিয়া। আনহাতে, নাৰী সুৰক্ষা টনকিয়াল কৰা। সাধাৰণ গাঁওবাসী মহিলাসকলৰ বাবে বোৱা-কটা, ৰন্ধন প্ৰণালী, ফলমূল সংৰক্ষণৰ সৰু সৰু উদ্যোগ গঢ়ি কৰ্ম সংস্থাপন দিয়া। শিক্ষিত মহিলাসকলক কৰ্মসংস্থাপন দেশৰ ভিতৰতে সুৰক্ষিত কৰা ইত্যাদিবোৰত গুৰুত্ব দিয়াটো আমি মহিলাসকলে বিচাৰো। চৰকাৰে তাক গুৰুত্ব সহকাৰে লোৱাটো বাঞ্ছনীয়।

**গিৰিজা বালা দাস,** *লেখিকা*

পঞ্চম দফা কৰ্ম আঁচনিও নতুন চৰকাৰখনে গুৰুত্ব সহকাৰে ল'ব বুলি ৰাইজ আশাবাদী। গুৱাহাটী চহৰ অসমৰ ৰাজধানী দিছপুৰৰ গাতে লাগি থকা সুন্দৰ প্ৰকৃতিৰ অৱদানৰে ভৰপূৰ, মহাবাহু ব্ৰহ্মপুত্ৰই যাৰ মাজেৰে বৈ দেশ-বিদেশলৈ গতি কৰি আছে; কিন্তু গুৱাহাটীবাসী ৰাইজৰ খোৱাপানীৰ জটিল সমস্যাই ৰাইজক সমস্যাত পেলাইছে। ই বৰ দুখৰ কথা। পানীয়ে মানুহৰ প্ৰাণ। বতাহ যেনেকৈ লাগতিয়াল, পানীও অতি আৱশ্যকীয় পানীয় বস্তু। এই সমস্যাটো চৰকাৰে গুৰুত্বপূৰ্ণভাৱে ল'ব বুলি ৰাইজ আশাবাদী। ইয়াৰ মাজতে কৰ'না মহামাৰীৰ মহা প্ৰলয়। মানুহ মৰি শেষ হোৱাৰ উপক্ৰম। ইয়াত নতুন চৰকাৰখনে পাৰ্যমানে সেৱা আগবঢ়াই আছে তাৰ বাবে নতুন চৰকাৰখনক ধন্যবাদ জ্ঞাপন কৰিলো। নতুন চৰকাৰখনৰ আনটো গুৰুত্বপূৰ্ণ কৰ্ম আঁচনি হোৱাটো আমি সৰ্বসাধাৰণ ৰাইজে বাঞ্ছা কৰোহক। সেইটো হৈছে স্বাস্থ্যকেন্দ্ৰ, প্ৰশাসনীয় কেন্দ্ৰ, চৰকাৰী অফিচ-কাছাৰীৰ কৰ্মদক্ষতা কৰ্মীসকলৰ শুদ্ধাচাৰ, ন্যায় আদি ৰক্ষা কৰাটো দেশৰ অৰ্থনীতিৰ এক গুৰুত্বপূৰ্ণ কথা। তাৰ প্ৰতি নজৰ ৰখাটোও নতুন চৰকাৰখনৰ গুৰুত্বপূৰ্ণ কথা। ভাৰতবৰ্ষৰ অইন ৰাজ্যবোৰৰ কিছু সংখ্যক উন্নতি, প্ৰগতিমূলক ৰাজ্যৰ দৰে আমাৰ দেশখনক প্ৰগতিৰ পথেৰে আগবঢ়াই নিয়াটো গুৰু দায়িত্ব চককাৰখনে বহন কৰাটো বাঞ্ছনীয়। শিক্ষা-দীক্ষা খেলা-ধূলা, বৃক্ষৰোপণ আঁচনিৰে দেশখন সেউজীয়াকৰণ কৰা নতুন চৰকাৰখনৰ লগতে ৰাইজৰো দায়বদ্ধতা ৰখাটো বাঞ্ছনীয়। বিদেশী সমস্যাটোও যেন সমস্যা হৈ নাথাকে তাৰ বাবে নতুন চৰকাৰখনে গুৰুত্ব সহকাৰে কেন্দ্ৰীয় চৰকাৰৰ স'তে আলোচনাত বহি সমস্যা সমাধান কৰিব বুলি আমি সকলো ৰাইজ আশাবাদী। *ফোন ঃ ৯০৮২৬২৩১৯৯*

# অৰ্থনৈতিক মন্দাৱস্থা ঃ ধন্যবাদ বোপাই!!

## নিৰাশাৰ মাজতে ঠন ধৰি তুলিব লাগিব আশা

### আজিৰ চিন্তা



**বিশ্বজিৎ বৰুৱা**



২০২০ৰ তুলনাত ২০২১টো যে ভাৰতীয় অৰ্থনীতিৰ বিকাশৰ ক্ষেত্ৰত অতি প্ৰত্যাহ্বানমূলক হৈ পৰিছে সেয়া ইতিমধ্যে পৰিস্ফুট হৈছে। ২০২০-২১টোত প্ৰায় এক কোটি লোকে কৰ্মসংস্থাপন হেৰুওৱাটো হৈছে আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান। নগৰ আৰু চহৰ অঞ্চলত যিসকল লোক গ্ৰামাঞ্চলৰ পৰা গৈ বিভিন্ন বৃত্তিত নিয়োজিত হৈ আছিল আৰু পা-পৰিয়ালসহ একপ্ৰকাৰ স্থায়ী বসতি আৰম্ভ কৰিছিল সেইসকল লোকে কৰ্মসংস্থাপন হেৰুৱাই আকৌ গাঁওমুখী হৈ পৰাৰ বাবে কৃষিক্ষেত্ৰখনত স্বাভাৱিকতেই প্ৰভাৱ পৰিব। এক ৰাষ্ট্ৰীয় আলোচনীৰ সমীক্ষা অনুযায়ী পাৰ হৈ যোৱা বৰ্ষটোত গ্ৰামাঞ্চললৈ কমপক্ষেও ৯০ লাখ লোকৰ পাশ্চাদমুখী প্ৰব্ৰজন হৈছে। আমাৰ সমাজ ব্যৱস্থাত Fragmantation of Holdingৰ বাবে ক্ৰমাগতভাৱে প্ৰজন্মৰ পাছত প্ৰজন্মৰ হাতত কৃষিভূমি কমি আহিছে। নৱপ্ৰজন্মৰ চহৰ গমনৰ অন্যতম কাৰক আছিল এইটো। উন্নতৰ পৰা উন্নতম শিক্ষা গ্ৰহণ কৰি কোনোবাই দেশ-বিদেশৰ কৰ্মসংস্থাপন গ্ৰহণ কৰি ওলাই যোৱা এটা কথা, কিন্তু খেতি মাটিৰ অভাৱত আনকি নিজৰ পৈতৃক ঘৰখনত আৱাসস্থলীৰ অসুবিধাৰ বাবেও অন্য কৰ্মসংস্থাপন বিচাৰি আঁতৰি যোৱাটো অন্য এটা কথা। ধৰি লোৱা হ'ল— পৰিয়ালটোৰ আজোককাৰ হাতত পাঁচ বিঘা মাটি আছিল। তেওঁৰ পাছৰ প্ৰজন্মত পাঁচজন পুত্ৰৰ মাজত পৰিলগৈ এবিঘাকৈ মাটি। এই পাঁচোজনৰ আকৌ যদি দুজনকৈও পুত্ৰ বুলি ধৰি লোৱা হয় তেন্তে তেওঁলোকৰ হাতলৈ আহিব আধা বিঘাকৈ মাটি। যদি তেওঁলোকৰো দুজনকৈ পুত্ৰ বুলি ধৰি লোৱা হয় তেন্তে তেওঁলোকৰ হাতত বা পাছৰ প্ৰজন্মৰ সন্তানৰ হাতত মাটি থাকিবগৈ এচিকুটাকৈহে। ভৱিষ্যৎ প্ৰজন্মই হয়তো পৈতৃক মাটিত মূৰৰ ওপৰত চালি এখন তৰাটোও সমস্যা হ'ব। এই পশ্চাদগমনৰ ফলস্বৰূপে পাৰিবাৰিক অশান্তিও যে বৃদ্ধি পাব সেয়া ধ্ৰুৰূপ বুলি আশংকা কৰা হৈছে। যদি এটা বৰ্ষৰ ভিতৰতে ৯০ লাখ লোকৰ বোজা আমাৰ কৃষিক্ষেত্ৰই বহন কৰিবলগীয়া হৈছে তেন্তে স্বাভাৱিকতে কৃষিখণ্ডতো কৰ্মসংস্থাপনহীনতা বৃদ্ধি পাব বুলি আশংকা কৰা হৈছে। স্বাভাৱিকতে পশ্চাদগমন কৰা ব্যক্তি বা পৰিয়ালৰ আয়ৰ পথ হয় নিম্নগামী হৈছে অথবা বন্ধ হৈ পৰিছে। চহৰ অঞ্চলৰ প্ৰব্ৰজিত বহু ব্যক্তিয়ে ধাৰ-ঋণ কৰিবলগীয়া অৱস্থা হৈছে। এক ৰাষ্ট্ৰীয় সূত্ৰত প্ৰকাশ যে— এনে ব্যক্তিয়ে বিত্তীয় প্ৰতিষ্ঠানৰ পৰা সুতৰ বিনিময়ত ঋণ গ্ৰহণ কৰিছে অথচ এই ঋণ আৰু সুত ২৪ মাহত পৰিশোধ কৰিব পাৰিব বুলি ধৰি যদি অংক কৰা যায় তেন্তে দেখা যায় যে সেইজন ব্যক্তিৰ আয়েই সিমান নাছিল বা ভৱিষ্যতেও হোৱাৰ আশা নাই যে তেওঁ ধাৰ পৰিশোধ কৰিব পাৰিব। গতিকে তেনে ব্যক্তিয়ে নিজৰ সম্পত্তি বা ঘৰৰ লাম লাকটু বিক্ৰী কৰাৰ বাদে গত্যন্তৰ নাইকীয়া হ'ব। আয়ৰ পৰিমাণৰ তুলনাত অধিক ঋণ গ্ৰহণ কৰিবলগীয়া হৈছে মূলতঃ চিকিৎসাজনিত ব্যয়বহুলতাৰ বাবে। এনে যদি হ'বলৈ হয় তেন্তে দেশত পৰৱৰ্তী সময়ছোৱাত কমপক্ষেও ২৫ কোটি লোক দৰিদ্ৰ সীমাৰেখাৰ তললৈ অৱনমিত হ'বগৈ লাগিব বুলি আশংকা কৰা হৈছে। মন কৰিব লগা কথা এইটোহে যে ২০০৫ৰ পৰা ২০১৫ৰ ভিতৰত দেশৰ কমপক্ষেও ২০ কোটি লোক দৰিদ্ৰ সীমাৰেখাৰ ঊৰ্ধ্বলৈ আনিবলৈ তদানীন্তন চৰকাৰ সফল হৈছিল যি তথ্য বিশ্ববেংকৰ ৱেবছাইটত উপলব্ধ হৈছে। চিকিৎসাৰ বাধ্যতামূলক বীমাকৰণৰ ক্ষেত্ৰত ডঃ মনমোহন সিঙে সময় নাপালে।

এতিয়া কথা হৈছে ঃ নিৰাশাৰ প্ৰতিচ্ছবি এখন সন্মুখত লৈ দেশবাসী বহি থাকিলেও নহ'ব। এই বিশাল দেশখন তাহানিৰ পৰাই বহুবাৰ অতিমাৰী-মহামাৰীৰ সন্মুখীন হৈ আহিছে আৰু প্ৰত্যেকবাৰেই আমাৰ কৃষিখণ্ডই অৰ্থনীতিৰ পুনৰ উদ্ধাৰত বিপুল অৰিহণা যোগাই আহিছে। ভাৰতবৰ্ষৰ নিচিনা সেউজ ধৰণী প্ৰাচ্য আৰু পাশ্চাত্যৰ, গোলকৰ পৰা উত্তৰৰ পৰা দক্ষিণলৈ বহু দেশ-মহাদেশতে নাই। কোনোবা এখন হয়তো বিস্তীৰ্ণ মৰুভূমিৰ কবলত, অন্য এখন হয়তো পোত খাই আছে বৰফৰে। অসমৰ কথা ক'বই নালাগে ঃ প্ৰকৃতিয়ে অকৃপণ হাতেৰে সেউজ কৰি থৈছে অসমখন। নিৰাশাৰ মাজতে ঠন ধৰি তুলিব লাগিব আশা। নিৰাশাই দুৰ্বল কৰিব নিজকে, দেশৰ অৰ্থনীতিক। এই খিনিতে উইলিয়াম ষ্টেইনৰ লেখা এটা আগবঢ়াই সামৰিব খুজিছো। অন্যথা আমাৰো অৱস্থা ৰেস্তোৰাঁখনৰ মালিকৰ দৰেই হ'ব।

**নিৰাশাৰ প্ৰতিচ্ছবি এখন সন্মুখত লৈ দেশবাসী বহি থাকিলেও নহ'ব। এই বিশাল দেশখন তাহানিৰ পৰাই বহুবাৰ অতিমাৰী-মহামাৰীৰ সন্মুখীন হৈ আহিছে আৰু প্ৰত্যেকবাৰেই আমাৰ কৃষিখণ্ডই অৰ্থনীতিৰ পুনৰ উদ্ধাৰত বিপুল অৰিহণা যোগাই আহিছে**

মানুহজনে চহৰৰ উপকণ্ঠত এখন সৰু ৰেস্তোৰাঁৰ ব্যৱসায় কৰি নিজে আৰু পৰিয়ালটো স্বাচ্ছন্দ্যৰে আগবঢ়াই নি আছিল। তেওঁৰ একমাত্ৰ পুত্ৰজন পঢ়া-শুনাত ভাল গতিকে তাক ৰেস্তোৰাঁত বহিবলৈ নিদি দেউতাকে যিমান পাৰে সিমানলৈকে পঢ়া-শুনা কৰিবলৈ সুবিধা দিলে। ল'ৰায়ো পঢ়া-শুনা কৰি এদিন স্নাতকোত্তৰ ডিগ্ৰী লৈ দেউতাকৰ ওচৰত হাজিৰ হ'লহি। ঠিক আছে, উপযুক্ত চাকৰি এটা নোপোৱালৈকে মোৰ ওচৰতে বহা আৰু ব্যৱসায়ৰ ব্যৱহাৰিক জ্ঞান অলপো আৰ্জন কৰি লোৱা ঃ দেউতাকে ক'লে। মানুহজনৰ ব্যৱসায় সৰু; কিন্তু কিছুমান আইটেম বৰ কষ্ট কৰি সুস্বাদুৰূপে তৈয়াৰ কৰে বাবে অনবৰতে গ্ৰাহকৰ ভিৰ লাগিয়ে থাকে। চিকেনৰ সৰু টুকুৰা ভৰাই তৈয়াৰ কৰা বন আৰু চিঙৰা দূৰ-দূৰণিৰ পৰাও গ্ৰাহক আহি লৈ যায়হি। দুদিনমান দেউতাকৰ স'তে বহাৰ পাছত এদিন ল'ৰাই হাতৰ বাতৰি কাকতখন সামৰি থৈ ক'লে— দেউতা, তুমি বাৰু আমাৰ দেশখন যে অৰ্থনৈতিক মন্দাৱস্থাই বৰ বেয়াকৈ ছাটি ধৰিছে গম পাইছানে? দেউতাকে হাঁহি মাৰি ক'লে ঃ বোপাই, মই পুৱাই উঠিয়ে বজাৰ কৰিবলৈ যাওঁ, আহি সেইবোৰ ধুই মেলি কাৰিকৰৰ স'তে লাগি দিওঁ। খাদ্যসম্ভাৰখিনি প্ৰস্তুত কৰি নিজে এমুঠি খাই কাউণ্টাৰত বহো। দিনটোত দেখিছাই, নিশা পৰ্যন্ত মোৰ আহৰি নাই। ক'তনো আৰু বাতৰি কাকত পঢ়ো, টিভি চাবলৈ সময় পাওঁ। ল'ৰাই ক'লে— বুজিছা দেউতা, সমগ্ৰ পৃথিৱীখনেই অৰ্থনৈতিক মন্দাৱস্থাৰ সন্মুখীন হৈছে। আমেৰিকাৰ আটাইতকৈ ডাঙৰ বজাৰ ৱালমাৰ্টৰ পতন হৈছে। কিছুমান মাল্টিনেছনেল কোম্পানীয়ে ঘৰে ঘৰে খাদ্য যোগানৰ ব্যৱসায় যে আৰম্ভ কৰিছে সেইটোহে চলি থাকিব, আমাৰ নিচিনা সৰু সৰু ব্যৱসায়বোৰ মাৰ খাই যাব। দেশখনত ক্ষুদ্ৰ ব্যৱসায়, কুটিৰ উদ্যোগ বন্ধ হৈ যাব, এটা দুৰ্ভিক্ষৰ পৰিৱেশে আমাক গ্ৰাস কৰিবলৈ দানৱৰ দৰে মুখ মেলি আগবাঢ়ি আহিছে। অৰ্থনীতিবিদ কে'বাজনেও আজিৰ কাকতত সেই বিষয়ে লিখিছে। সঁচা কথা, মানুহৰ ক্ৰয় ক্ষমতা কমি আহিছে দেখিছানে? মানুহজনে বৰ ভয় খালে। তেওঁ পাছদিনা বজাৰৰ পৰা বস্তু কমকৈ আনিলে আৰু গ্ৰাহকৰ ক্ৰয় ক্ষমতা কমি যোৱাৰ বাবে প্ৰস্তুত কৰা বস্তু থাকি গ'লে লোকচান হ'ব বুলি ভাবি কমকৈ তৈয়াৰ কৰিলে। পুত্ৰই সদায় অৰ্থনীতিৰ মন্দাৱস্থাৰ কথা পাতে আৰু দেউতাকে গ্ৰাহকৰ বাবে তৈয়াৰ কৰা সামগ্ৰী এপদ-এপদকৈ কমাই আনে। লাহে লাহে গ্ৰাহকে আহি বস্তু নোপোৱাত বহু গ্ৰাহক দোকানলৈ আহিবলৈ বাদ দিলে আৰু এদিন গৈ মানুহজনৰ ৰেস্তোৰাঁখনৰহে অৰ্থনৈতিক অৱস্থা পৰিমৰা বিধৰ হ'ল। তেওঁৰ আয়ৰ বাট বন্ধ হৈ পৰিল। পুত্ৰই এদিন চাকৰি প্ৰাপ্তিৰ খবৰ দিয়াত মানুহজনে ক'লে—কোম্পানীৰ চাকৰিয়ে ভাল হ'ব বোপাই। দেশখন সঁচাকৈয়ে অতি মন্দাৱস্থাৰ সন্মুখীন হৈছে। তুমি যে মোক আগেয়েই জনাই দিছিলা তাৰ বাবে মই এইকণকে বচাব পাৰিলো। ধন্যবাদ বোপাই !!

*ফোন ঃ ৯৯৫৪০৬৯৯৫৫*

# চিকিৎসা কৰ্মীৰ বিৰুদ্ধে হিংসা

## সমাজৰ শুভ চিন্তকসকল সৰৱ হওক

**ডাঃ শংকৰ কুমাৰ দাস**

**ক'ভিড** মহামাৰীৰ দিনত চিকিৎসক আৰু চিকিৎসা কৰ্মীৰ সন্মান বৃদ্ধি পালে নে লাঘৱ হ'ল সেয়া আজি এক জটিল প্ৰশ্ন। বহু চিকিৎসক আৰু চিকিৎসা কৰ্মীয়ে ক'ভিডৰ চিকিৎসাত ব্ৰতী হৈ নিজেই প্ৰাণ দিবলগীয়া হোৱা ঘটনা নিশ্চিতভাৱে তুচ্ছ ঘটনা নহয়।

মই চিকিৎসক নৌহওঁতেও মোৰ এতিয়াও মনত পৰে আমাৰ ঘৰলৈ আহি চিকিৎসা আগবঢ়োৱা চিকিৎসকগৰাকীৰ প্ৰতি আমাৰ ঘৰৰ মানুহৰ সমীহ। আজি এনে লাগে সেই ৰামো নাই, অযোধ্যাও নাই। ক'বলৈ মন যায় তেনে ডাক্তৰো নাই, সমাজৰ মানুহখিনিও নাই। নামত আমি আজি বহু শিক্ষা আহৰণ কৰি শিক্ষিত হ'লো। সেৱা, সেৱক, সেৱা গ্ৰহণকাৰীৰ মাজত এতিয়া দুৰ্ভাগ্যবশতঃ অবিশ্বাসৰ সম্পৰ্কই গা কৰি উঠা পৰিলক্ষিত হৈছে।

এনে অৱস্থাৰ অৱনতি নিশ্চয় এদিনতে হোৱা নাই। এই কাৰণখিনিৰ বিশ্লেষণ বৰ্তমানৰ সময়ত অত্যন্ত প্ৰয়োজনীয়। এই সমস্যাৰ সমাধান এদিনতে আশা কৰাও ভুল। ইয়াৰ বাবে হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী সমাধান ব্যৱস্থাৰ কথা চিন্তা কৰাৰ লগতে সংশ্লিষ্ট সকলো পক্ষৰ ইতিবাচক আত্মসমালোচনাৰ প্ৰয়োজন।

পৃথিৱীৰ প্ৰায় সকলো ঠাইতে আৰু অতীজতো প্ৰায় সকলো ক্ষেত্ৰতে সেৱকৰ সেৱাৰ ওপৰত অসন্তুষ্ট হৈ হাই-কাজিয়া আনকি জীৱন হানিৰ দৰে ঘটনাও ঘটিছিল; কিন্তু আজিৰ পৰিপ্ৰেক্ষিতত চিকিৎসা ক্ষেত্ৰখনত সেৱকৰ সেৱাৰ ওপৰত হোৱা অসন্তুষ্টিৰ আকাৰ এতিয়া পৰ্বত সম আৰু পৰিণতিত জীৱন-নাশ হোৱাৰ দৰে ঘটনাৰ বৃদ্ধি হৈছে। চিকিৎসা কৰ্মীৰ বিপৰীতে হোৱা ঊৰ্ধ্বগামী হিংসাত্মক ঘটনাৰ কাৰণবোৰ আৰু সমাধান বহু স্তৰত বিবেচনা কৰিব পাৰি।

**১) চিকিৎসক, চিকিৎসা কৰ্মী আৰু চিকিৎসা কেন্দ্ৰৰ স্তৰত ঃ** মানৱ সম্পদ হিচাপে গুণগত চিকিৎসা কৰ্মী আৰু তেওঁলোকৰ সংখ্যাৰ গুৰুত্ব উপেক্ষা কৰা নাযায়। বেছি ভাগ ক্ষেত্ৰত ৰোগী আৰু ৰোগীৰ আত্মীয়ৰ অসন্তুষ্টিৰ কাৰণ হৈছে চিকিৎসক বা চিকিৎসা কৰ্মী সময়ত উপলব্ধ নোহোৱা। চিকিৎসক উপস্থিত হোৱাৰ লগে লগে সমস্যাৰ প্ৰায় ৫০ শতাংশই সমাধান হয় বুলি ক'লে ভুল কোৱা নহয়। তাৰ পাছত বিবেচিত হয় চিকিৎসকজনৰ ৰোগীৰ প্ৰতি প্ৰতিষ্ঠা কৰা সেৱা ভাবৰ প্ৰচেষ্টা। সেইখিনি ৰোগী আৰু ৰোগীৰ আত্মীয়ই চিকিৎসকজনৰ মুখৰ প্ৰকাশভংগী, বিষয় আৰু শাৰীৰিক ভাষাত বিচাৰ কৰিবলৈ চেষ্টা কৰে। তাৰ পৰাই সেৱাগ্ৰহণকাৰীৰ সন্তুষ্টিৰ বা অসন্তোষৰ ভাব জাগৰণ হয়।

বহু সময়ত চিকিৎসকজন অত্যধিক ৰোগীৰ আত্মীয়ৰ উপস্থিতিৰ দ্বাৰা পৰিবেষ্টিত হৈ বিমোৰত পৰি ৰোগীৰ আত্মীয়ৰ ওপৰতে খৰ্গহস্ত হৈ ৰোগীৰ চিকিৎসাৰ পৰা ফালৰি কাটি যায়। এই ক্ষেত্ৰত চিকিৎসকৰ অভিজ্ঞতাই কাম দিয়ে। হাস্পতালৰ কৰ্তৃপক্ষৰো কৰণীয় থাকে। ৰোগীৰ লগত অহা আত্মীয় যে ৰোগৰ নিদানত অপৰিহাৰ্য, ইয়াৰ গুৰুত্ব বুজাই তেওঁলোকক ছেই ছেই নকৰি সন্মান সহকাৰে থাকিবলৈ কৈ অলপ দূৰত অৱস্থান কৰাৰ কথাও কৌশলগতভাৱে ক'ব পৰা যায় আৰু সুবিধা বুজি আত্মীয়ৰ সংখ্যা সীমিত কৰাৰ কথা ক'ব পাৰি। মাদক দ্ৰব্য সেৱন কৰি অহা আত্মীয়ৰ ক্ষেত্ৰত চিকিৎসা কৰ্মীসকলৰ সমস্যা আৰু নিৰাপত্তাহীনতাৰ ভাব বৃদ্ধি হোৱাটো বাস্তৱিক সত্য। সৰু সৰু হাস্পতালবোৰৰ তুলনাত ডাঙৰ ডাঙৰ হাস্পতালবোৰত যথেষ্ট সংখ্যক সুৰক্ষা কৰ্মী থকাৰ সুবাদত এনে সমস্যা কম হয়।

গতিকে থোৰতে ক'ব পাৰি যে চিকিৎসালয়ত উপযুক্ত সংখ্যক সুৰক্ষা কৰ্মীৰ লগতে চিকিৎসকৰ সময়ত উপলব্ধতা, চিকিৎসকজনৰ নিজৰ কৌশলগত আত্মৰক্ষাৰ বাবে নিজৰ মুখৰ আৰু শাৰীৰিক ভাষাৰ সমান প্ৰয়োজন আছে। পৰ্যাপ্ত সংখ্যক চিকিৎসকৰ ব্যৱস্থা দীৰ্ঘম্যাদী সমাধান হিচাপে নকৰা পৰ্যন্ত হ্ৰস্বম্যাদী সমাধান হিচাপে প্ৰশিক্ষণৰ জৰিয়তে হ'লেও আপাদকালীন সময়ৰ চিকিৎসাৰ বাবে পেৰামেডিকেল কৰ্মীৰ বা মেডিকেল সহায়কৰ সৃষ্টিৰ প্ৰয়োজন আছে। চৰকাৰীভাৱে ইয়াৰ মান্যতা দিয়াৰ ব্যৱস্থা হ'ব লাগে আৰু ৰাইজকো ইয়াৰ বাবে অৱগত কৰা দৰকাৰ। উন্নত দেশবোৰত ধাত্ৰীসকলৰ সেৱাও প্ৰাৰম্ভিক বুনিয়াদী স্তৰত একো একোজন চিকিৎসকৰ দৰে হয় আৰু ইয়াৰ জৰিয়তে চিকিৎসকসকলৰ সেৱাক সংৰক্ষিত কৰি জটিল কামত উপযোগ কৰা দেখা যায়।

**২) সমাজৰ স্তৰত ঃ** চিকিৎসকৰ বিপৰীতে সংঘটিত হিংসাৰ বাবে সমাজৰ এটা নিচেই ক্ষুদ্ৰসংখ্যক মানুহ জড়িত থাকে, কিন্তু তাৰ বিৰূপ প্ৰতিক্ৰিয়া গোটেই সমাজখনৰ ওপৰত পৰে। দুৰ্ভাগ্যৰ বিষয় যে বেছিভাগ সময়তে সমাজৰ বৃহৎ সংখ্যক লোকে ইয়াৰ বিৰুদ্ধে মাত নামাতি নীৰৱ দৰ্শক বা শ্ৰোতাৰ ভাও লৈ অৱস্থান কৰে। ইয়াতেই চিকিৎসাকৰ্মীক শাৰীৰিকভাৱে আক্ৰমণ কৰা সমাজৰ এই অপশক্তি স্বৰূপ ক্ষুদ্ৰ বৰ্গৰ লোকসকল উৎসাহিত হয়। গতিকে সমাজৰ সুস্থ চিন্তাৰ বাহক বৃহৎ সংখ্যক লোকৰ দায়িত্বৰ ওপৰত চিকিৎসা কৰ্মীৰ বিপৰীতে হোৱা হিংসাৰ বৰ্দ্ধিত ক্ৰম হ্ৰাস নিৰ্ভৰ কৰে।

ইতিবাচক কথাটো হৈছে যে ক'ভিডৰ সময়ছোৱাত সমাজৰ বহু লোকে আৰু দল-সংগঠনে প্ৰকাশ্যে চিকিৎসকৰ বিপৰীতে হোৱা হিংসাৰ বিৰোধিতা কৰিছে। আমি ভাবো এয়া আৰু উচ্চস্বৰত আৰু বৃহৎ আকাৰত প্ৰকাশিত হোৱাৰ প্ৰয়োজন আছে।

চিকিৎসকৰ সুৰক্ষাত কৱচ হিচাপে সমাজৰ এই বৃহৎ অংশই যিদিনাই ভাগ ল'ব এই সমস্যাৰ শাম কাটিবলৈ বাধ্য হ'ব। চিকিৎসা কৰ্মী আৰু সমাজৰ মাজত ইতিবাচক মধুৰ সম্পৰ্কৰ প্ৰয়োজন আছে আৰু তাৰ বাবে দুয়োপক্ষৰ দায়িত্ব অপৰিসীম।

**(৩) চৰকাৰী আৰু আইনী ব্যৱস্থাৰ দায়িত্ব ঃ** সেৱা প্ৰদানকাৰী আৰু সেৱা গ্ৰহণকাৰীৰ মাজত বিবাদ, বিৰোধৰ উচিত বিচাৰ আৰু ব্যৱস্থাৰ দায়িত্ব চৰকাৰ আৰু আদালতৰ। এই বিচাৰ সোপানটিলা ৰূপত থকা বাবেই বহু ক্ষেত্ৰত সমস্যাৰ ওৰ পৰাটো বাদেই বৃদ্ধিহে হোৱা পৰিলক্ষিত হয়।

আমাৰ দেশৰ সংবিধানৰ আটাইতকৈ শক্তিশালী আৰু লগতে খুবেই দুৰ্বল দিশটো হৈছে ইয়াত উল্লেখ থকা যুক্তিপূৰ্ণ এটা যুক্তি। কোনো দোষীয়ে শাস্তি নাপালেও নাই কিন্তু নিৰ্দোষীয়ে শাস্তি পাব নালাগে। ইয়াৰেই সুবিধা গ্ৰহণ কৰি অপৰাধীয়ে বছৰৰ পাছত বছৰ শাস্তি নোপোৱাকৈ থাকিবলৈ সক্ষম হয়, আনকি



অপৰাধৰো প্ৰমাণ নোহোৱা বাবে মুক্ত হৈ ওলাই আহে। চিকিৎসকৰ বিপৰীতে হোৱা বেছি ভাগ অপৰাধৰ বিচাৰো এই ব্যৱস্থাৰ বাহিৰ নহয়। উল্লেখ্য যে কেৱল চৰকাৰ আৰু আইন-আদালতে কোনো অপৰাধৰ সমূলঞ্চে বিনাশ কৰিব নোৱাৰে। কিন্তু সেই বুলি ইয়াৰ গ্ৰহণযোগ্যতা আৰু প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি।

**(৪) সংবাদ মাধ্যম বা সামাজিক মাধ্যমৰ দায়িত্ব ঃ** সংবাদ সেৱাক গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি কোৱাৰ মূলত ইয়াৰ অধিকাৰ আৰু দায়িত্ব উভয়কে মানি লোৱা হয়। সামাজিক সমস্যাৰাজিক নিৰপেক্ষভাৱে দাঙি ধৰাৰ দায়িত্ব পালন কৰাতো সংবাদ মাধ্যমৰ কৰ্তব্য। সকলো সামাজিক মাধ্যমৰ সমাজ গঠনত গঠনমূলক ভূমিকা থাকে। নেতিবাচক সংবাদ পৰিৱেশন কৰোতেও তাৰ মাজত ইতিবাচকতাৰ সন্ধান বাঞ্ছনীয়। চিকিৎসক সমাজৰ বিপৰীতে বৰ্তমানৰ নেতিবাচক মনোভাব তুংগত বুলি ক'লেও ভুল কোৱা নহয়। ইয়াৰ বাবে বহুতে মিডিয়াক জগৰীয়া কৰিব খোজে। উদাহৰণস্বৰূপে সংবাদ পৰিৱেশন কৰা জনৰ অজ্ঞাততও ইয়াৰ কাৰণ হ'ব পাৰে। এজন সংবাদ সেৱীয়ে এখন হাস্পতালত ৰেট টেষ্ট নিগেটিভ আৰু একে দিনাই আন এখন হাস্পতালত পজিটিভ হোৱা ঘটনাটোকে ৰাইজৰ আগত চিকিৎসা কেন্দ্ৰ বা চিকিৎসকক হেয় কৰিবলৈ বাতৰি পৰিৱেশন কৰা দেখা যায়। কিন্তু চিকিৎসা বিজ্ঞানৰ ছাত্ৰ এজনৰ দৃষ্টিত এয়া একেবাৰেই সম্ভৱ আৰু সৰল ঘটনা। কিন্তু সংবাদ সেৱীজনে ইতিমধ্যে অজ্ঞতাৰ দ্বাৰা পৰিচালিত হৈ বাতৰি তৈয়াৰ কৰি ৰাইজৰ জনমানসত চিকিৎসা ব্যৱস্থাৰ প্ৰতি অনাস্থা বা অবিশ্বাস্য মনোভাব সৃষ্টি কৰিলেই। সকলো ক্ষেত্ৰতে সেৱা প্ৰদানকাৰী আৰু সেৱা গ্ৰহণকাৰীৰ মাজত স্বচ্ছতা ৰাখিব পাৰিলে এজনে আনজনৰ ওপৰত ৰখা বিশ্বাসযোগ্যতা বৃদ্ধি পায়। এয়াও হিংসাত্মক ঘটনাৰ বিনাশৰ উপায় হিচাপে পৰিগণিত হৈছে।

মই নিজেই ইয়াৰ বহু সুফল পাইছো। মহিলাসকলৰ জৰায়ুৰ ফেলপিয়ান নলীত গৰ্ভস্থ হোৱাৰ বাবে ৰক্তক্ষৰণ হৈ ৰোগীৰ পেটত তেজ ভৰি মৃত্যুৰ মুখত পৰা ৰোগীগৰাকীৰ আত্মীয়ক অস্ত্ৰোপচাৰ কক্ষলৈ মাতি নি ৰোগীৰ পেটৰ ভিতৰৰ ৰক্তক্ষৰণ প্ৰত্যক্ষ কৰালে সেৱা প্ৰদানকাৰী আৰু সেৱা গ্ৰহণকাৰীৰ মাজত বিশ্বাস স্থাপন হোৱাত সহায় হয়।

**৫) সমাজকৰ্মী, ৰাজনৈতিক নেতাৰ দায়িত্ব ঃ** সমাজৰ মানুহৰ লগত থাকি ওচৰৰ পৰা কাম কৰি যোৱা সমাজকৰ্মী আৰু ৰাইজক প্ৰতিনিধিত্ব কৰা ৰাজনৈতিক নেতাসকলৰ চিকিৎসা কৰ্মীৰ বিপৰীতে হোৱা হিংসা প্ৰতিৰোধৰ দায়িত্ব কোনেও উলাই কৰিব নোৱাৰে। সস্তীয়া জনপ্ৰিয়তা অৰ্জন কৰিবলৈ ৰাইজে কৰা অপকৰ্মক সমৰ্থন দিলে তেওঁলোক ৰাইজৰ আচল অৰ্থত হিতকাৰী হ'ব নোৱাৰে, ভোট পাই হয়তো জিকি থাকিব পাৰে, কিন্তু আচল অৰ্থত সমাজৰ অৱক্ষয়ৰ কাৰণহে হৈ থাকিব। এনে নেতাৰ পৰা সচকিত হোৱাৰ সময় এতিয়া দ্বাৰস্থ হৈছে।

সময়ৰ সোঁতত স্বাস্থ্য ব্যৱস্থাই কাল চাকনৈয়াত গ্ৰাসিত হোৱাৰ পাছতো কিন্তু মানৱ সেৱাৰ দৰে মহান চিকিৎসা সেৱাই পৰাজয় বৰণ কৰিব নোৱাৰে, ইয়াক পৰাপক্ষত স্বাস্থ্যবান কৰাৰ পক্ষত আমি সকলোৰে থিয় হ'ব লাগিব।

*লেখক আই এম এৰ বঙাইগাঁও শাখাৰ সভাপতি, ফোন ঃ ৯৪৩৫০২১৯৯২*

# মুখ্যমন্ত্ৰীৰ তৎপৰতা আৰু মন্ত্ৰীৰ কামৰ গতি

**গোপাল জালান**

**অসমক** দেশৰ শীৰ্ষ ৰাজ্যসমূহৰ তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ দৃঢ়প্ৰতিজ্ঞাবদ্ধ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা। ৰাজ্যৰ মুৰব্বীৰ দায়িত্ব গ্ৰহণ কৰিয়েই ডঃ শৰ্মাই অসমক অহা পাঁচ বছৰৰ ভিতৰত শীৰ্ষ স্থানত উপনীত কৰিবলৈ পৰিকল্পনা হাতত লোৱাৰ কথা ঘোষণা কৰিছে। ইয়াৰ অংশৰূপেই নৱনিযুক্তি মন্ত্ৰীসকলক লৈ এনে কিছু পদক্ষেপ গ্ৰহণ কৰিবলগীয়া হৈছে— যিটো পূৰ্বৰ মন্ত্ৰীসকলৰ ক্ষেত্ৰত কিছুসংখ্যকৰ গাতহে এনে বৈশিষ্ট্য দেখা গৈছিল— যিখন ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে নিশা দুপৰলৈকে কামত ব্যস্ত থাকে, সেই ৰাজ্যৰ মন্ত্ৰীসভাৰ সদস্যসকলেও দিন-ৰাতি একাকাৰ কৰি কাম কৰিবলৈ বাধ্য হয়। এতিয়া স্বাস্থ্যমন্ত্ৰীয়ে দুপৰ নিশাও চিকিৎসালয় পৰিদৰ্শন কৰাৰ উপৰি পুৱাই আকৌ আন ঠাইলৈ ঢাপলি মেলিছে। পূৰ্বৰ স্বাস্থ্যমন্ত্ৰীও পুৱাৰ পৰা নিশা পৰ্যন্ত ব্যস্ত আছিল। এতিয়া ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ শৰ্মাই তেওঁৰ মন্ত্ৰীসভাৰ সদস্যসকলক অৰ্পণ কৰা গুৰুদায়িত্ব পালন কৰিছে নে নাই, সেই বিষয়ত চকু দিছে। ফলত প্ৰতিগৰাকী মন্ত্ৰীয়ে কাম কৰিবলগীয়া হৈছে।

বিজেপি নেতৃত্বাধীন বিগত চৰকাৰখনে যিমান কাম কৰিছিল, তাতকৈ জনসাধাৰণে এইবাৰ বেছি আশা কৰিছে। বিগত চৰকাৰৰ দিনত ৰাস্তা-ঘাটৰ উন্নতি সাধনৰ লগতে শিক্ষা-স্বাস্থ্য, কৃষিখণ্ড আদিত যথেষ্ট সাফল্য অৰ্পণ কৰিছিল। অৱশ্যে কিছুমান কাম আধৰুৱা হৈ ৰৈছিল। বিশেষকৈ দলং আদিৰ নিৰ্মাণ আধৰুৱা হৈ থাকোতে নিৰ্বাচনী অধিসূচনা জাৰি কৰে। ফলত নিৰ্মাণ কাৰ্য কিছুমান ঠাইত আধৰুৱা হৈ থাকে। তদুপৰি অভিযান্ত্ৰিক মহাবিদ্যালয়, চিকিৎসালয় আদি নিৰ্মাণ কাৰ্য আদিতো যতি পৰে। এইবাৰ যিহেতু পূৰ্বৰ চৰকাৰখনেই আকৌ এবাৰ ৰাজ্যৰ শাসন চলোৱাৰ দায়িত্ব লাভ কৰিলে, সেয়েহে পূৰ্বৰ আধৰুৱা কামসমূহ সম্পূৰ্ণ কৰিবলৈ ৰাইজে আৰু এবাৰ সুযোগ দিলে, সেয়েহে ইয়াৰ সদ্ব্যৱহাৰ হোৱাটো বাঞ্ছনীয়। মন্ত্ৰীসকলক যিহেতু একো একোটা বিভাগৰ দায়িত্ব অৰ্পণ কৰিছে— এই বিভাগসমূহ শ্ৰেষ্ঠ হিচাপে পৰিগণিত কৰিবলৈ সকলোকে নিৰ্দেশ দিয়া হৈছে। শ্ৰেষ্ঠত্বৰ যুঁজত যি তিষ্ঠি থাকিব তেৱেঁই জনসাধাৰণৰ প্ৰিয়ভাজন হ'ব পাৰিব। 'কৰিম', 'হ'ব' মনোভাৱেৰে কাম কৰাৰ মানসিকতা থাকিলে নহ'ব। এৰাতিৰ ভিতৰত মোমাই কটা গড় নৱনালেও কামৰ গতি যে ক্ষিপ্ৰতৰ কৰিব লাগিব, সেয়া মুখ্যমন্ত্ৰীৰ কথা আৰু নিৰ্দেশত প্ৰমাণিত হৈছে। মন্ত্ৰী এগৰাকীৰ এক মিনিট সময়ো ৰাজ্যবাসীৰ বাবে মূল্যৱান। কাৰণ পাঁচ বছৰৰ ভিতৰত কাম-কাজ সম্পূৰ্ণ কৰিবলৈ হ'লে সঠিক সিদ্ধান্তৰে কাম আৰম্ভ কৰাটোও গুৰুত্বপূৰ্ণ। বিগত সময়ছোৱাত এটা কথা স্পষ্ট হৈ পৰিছিল যে চৰকাৰৰ যে কিছুমান বিভাগ আছে সেয়া ৰাইজে জনাই নাছিল। কাৰণ কিছুমান বিভাগৰ দায়িত্বত কোন মন্ত্ৰী থাকে সেই বিষয়ে বহুতেই নাজানে। নাজানে মানে মন্ত্ৰীগৰাকীয়ে কাম নকৰা বাবেহে ৰাইজ জ্ঞাত নহয়। এইবাৰ পিছে প্ৰতিটো বিভাগৰ মন্ত্ৰীয়ে অহৰ্নিশে কাম কৰিবলগীয়া হৈছে। এয়া সকলোৰে বাবে এটি ইতিবাচক দিশ। ৰাইজৰ মনত এনে মনোভাৱে গা কৰি উঠিবলৈ দিব নালাগে যে বিভাগটোৰ মন্ত্ৰীগৰাকী দক্ষতাহীন। যিবোৰ বিভাগ নিষ্প্ৰভ হৈ আছিল সেইবোৰ বিভাগত হোৱা কাম-কাজ সম্পৰ্কে ৰাইজেও গুৰুত্ব প্ৰদান কৰা নাছিল। এতিয়া ছবিখন সুকীয়া হ'ল। কৃষিমন্ত্ৰীয়ে শীত-তাপ নিয়ন্ত্ৰিত কোঠাত বহি আঁচনি প্ৰস্তুত কৰাৰ দিন উকলিল। কৃষিমন্ত্ৰীয়ে কৃষকৰ স'তে মত-বিনিময় কৰিবই লাগিব। কাৰণ য'ত মুখ্যমন্ত্ৰীৰ কাৰ্যালয় ২৪ ঘন্টাই খোলা থাকে, তাত মন্ত্ৰীয়ে হাত সাবটি বহি থাকিব পাৰিব জানো?

*ফোন ঃ ৯৪৩৫১০৩৯৭৭*

# কৰ'না সংক্ৰমণৰ প্ৰতিবেদন লুকুৱাই দণ্ডাধীশ আহিল কাৰ্যালয়লৈ

### অভিমত

**অসমৰ** ক'ভিড সংক্ৰমণ বৃদ্ধি পোৱা পাঁচখন জিলাৰ ভিতৰত তিনিচুকীয়া অন্যতম। জিলাখনত দৈনিক বৃদ্ধি পাইছে ক'ভিড আক্ৰান্ত ৰোগীৰ সংখ্যা। মৃত্যুৰ সংখ্যাও কম নহয়। জিলাখনৰ নগৰ-গাঁও-চাহ বাগিচা সকলোতে দিনৌ নতুন নতুন ৰোগী ওলাই আছে। ফলত জিলাখনত তলাবন্ধৰ সম্ভাৱনাও বৃদ্ধি পাইছে। এনেবোৰ কাৰণতে স্বাস্থ্য বিভাগে যিকোনো পৰীক্ষা অনুষ্ঠিত কৰাৰ সপক্ষে মত দিয়া নাই। জনসাধাৰণে যাতে কঠোৰভাৱে ক'ভিড বিধি মানি চলে তাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। কিন্তু আচৰিত কথাটো হ'ল এনে এক ভয়াবহ পৰিস্থিতি স্বয়ং জিলাখনৰ উপায়ুক্তৰ কাৰ্যালয়তে যেতিয়া এগৰাকী দণ্ডাধীশে নিজৰ ক'ভিড সংক্ৰমণৰ প্ৰতিবেদন লুকুৱাই নিজৰ কাৰ্যালয়লৈ আহি বিভিন্ন কৰ্মচাৰীৰ সংস্পৰ্শলৈ আহে তেতিয়া কাক দোষ দিয়া যাব? হয়, এনে এক কাণ্ডই তিনিচুকীয়াত সংঘটিত হ'ল। তথ্য মতে, জিলাৰ নিৰ্বাচনী বিষয়া ৰশ্মি প্ৰতাপ নামৰ মহিলা দণ্ডাধীশগৰাকীয়ে যোৱা ১৪ জুনত প্ৰতিষেধক ল'বলৈ যাওঁতে কৰা ক'ভিড পৰীক্ষাত তেওঁ সংক্ৰমিত হোৱাৰ তথ্য আহে। কিন্তু বিষয়াগৰাকীয়ে এই কথা লুকুৱাই ১৬ জুনলৈকে কাৰ্যালয়ত উপস্থিত থকাই নহয় বিভাগৰ বিভিন্নজনৰ সংস্পৰ্শলৈ আহে। আনকি ১৬ জুনৰ উপায়ুক্ত কাৰ্যালয়ৰ এখন সভাতো উপস্থিত থাকে, তেতিয়াই একাংশ কৰ্মচাৰীয়ে বিষয়টো জানিব পাৰি উপায়ুক্তক কোৱাতহে তেওঁক উলিয়াই পঠিওৱা হয়। ইতিপূৰ্বে বিষয়াগৰাকীৰ স্বামী ক'ভিড সংক্ৰমিত হৈ হোম কোৱাৰেণ্টাইনত আছিল। অন্য এক প্ৰাপ্ত তথ্যমতে জিলাখনৰ বিভিন্ন ঠাইত ক'ভিড পৰীক্ষাৰ সময়ত যিসকলৰ সংক্ৰমণ ধৰা পৰে সেই সকলক পৃথকে বহি থাকিবলৈ দিয়ে যদিও এটা সময়ত তাৰে এজন-দুজনকৈ নোহোৱা হয়। এনে লোকৰ পৰাও গাঁও আৰু চাহ বাগিচাত ৰোগ বিয়পিব পাৰে। এইবোৰ বিষয়ত কঠোৰ নহ'লে নিয়ন্ত্ৰণ সম্ভৱ নহ'ব।

**অমূল্য খাটনিয়াৰ,** তিনিচুকীয়া, ফোন ঃ ৭০৮৬৩১৭৭২২



## বিশ্বৰ তৃতীয় সৰ্ববৃহৎ হীৰাৰ সন্ধান লাভ আফ্ৰিকাত

**নিউজ ব্যুৰ' গব'ৰুনে, ১৭ জুন ঃ** আফ্ৰিকাৰ ব'ষ্টৱানাত বিশ্বৰ তৃতীয় সৰ্ববৃহৎ আকাৰৰ এটুকুৰা হীৰা খননৰ সময়ত উদ্ধাৰ হ'ল। হীৰাৰ খনন কাৰ্যৰ স'তে জড়িত ডেবখানা নামৰ প্ৰতিষ্ঠানটোৱে প্ৰকাশ কৰা মতে, এই টুকুৰা হীৰা ১,০৯৮ কেৰেটৰ আৰু আকৃতিৰ ফালৰ পৰা ই হৈছে বিশ্বৰ ভিতৰতে তৃতীয় বৃহদাকাৰৰ হীৰা। কোম্পানীটোৱে লগতে জনোৱা অনুসৰি, হীৰা টুকুৰাৰ দৈৰ্ঘ্য হৈছে ৭৩ মিলিমিটাৰ আৰু প্ৰস্থ হৈছে ৫২ মিলিমিটাৰ। উল্লেখ্য যে ১৯০৫ত দক্ষিণ আফ্ৰিকাত বিশ্বৰ সবাতোকৈ বৃহৎ আকাৰৰ হীৰাৰ সন্ধান লাভ কৰা হৈছিল আৰু এই হীৰা আছিল ৩,১০৬ কেৰেটৰ।

**ৰাছিয়াৰ ৰাষ্ট্ৰপতিক বিশেষভাৱে তৈয়াৰ কৰা এভিয়েটৰ ছানগ্লাছ উপহাৰ মাৰ্কিন ৰাষ্ট্ৰপতিৰ**

# সবাতোকৈ 'ডাঙৰ শত্ৰু' পুটিনক সাক্ষাৎ ৰাষ্ট্ৰপতি বাইডেনৰ



**নিউজ ব্যুৰ' জেনেভা, ১৭ জুন ঃ** আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত জয়লাভৰ পাছত ৰাছিয়াক সবাতোকৈ 'ডাঙৰ শত্ৰু' অভিহিত কৰা ৰাষ্ট্ৰপতি জ' বাইডেনে অৱশেষত ৰুছ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনক জেনেভাত সাক্ষাৎ কৰিলে। বাইডেন আৰু পুটিনে জেনেভাত দীৰ্ঘ সময় ধৰি পৰস্পৰৰ স'তে আলোচনাত অংশ ল'লে। এই বৈঠকৰ পাছত পুটিনে সাংবাদিকৰ স'তে হোৱা বাৰ্তালাপত কয় যে দ্বিপাক্ষিক বাৰ্তালাপৰ সময়ত দুই ৰাষ্ট্ৰনেতাই উভয় দেশৰ সম্পৰ্ক উন্নীতকৰণৰ প্ৰসংগত আলোচনা কৰিছিল। এই আলোচনাতে আমেৰিকা আৰু ৰাছিয়াই নিজ দেশৰ ৰাষ্ট্ৰদূতক আনখন দেশলৈ প্ৰেৰণ কৰিবলৈ সন্মতি দিয়ে। প্ৰকাশিত বাতৰি অনুসৰি, ৰুছ ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰাৰ সময়তে বাইডেনে পুটিনক এযোৰ বিশেষ ধৰণৰ চশমা উপহাৰ দিছিল। চি এন এনৰ বাতৰি মতে, বিশেষভাৱে তৈয়াৰ কৰা এভিয়েটৰ ছানগ্লাছ কেছ ৰাষ্ট্ৰপতিক উপহাৰ দিলে মাৰ্কিন ৰাষ্ট্ৰপতিয়ে। উল্লেখ্য যে এভিয়েটৰৰ ছানগ্লাছ বিশ্বৰ অন্যতম জনপ্ৰিয় বিলাসী ব্ৰেণ্ডৰ অন্তৰ্ভুক্ত। এই চশমা আমেৰিকাৰ এটা কোম্পানীয়ে তৈয়াৰ কৰি আহিছে আৰু মাৰ্কিন সেনাৰ লগতে নাটোৰ দেশসমূহকো এই চশমা আমেৰিকাই যোগান ধৰি আহিছে। বাইডেনে ক্ৰিষ্টেলৰে তৈয়াৰী এটা বন্য ষাঁড়ৰ মূৰ্তিও পুটিনক উপহাৰ দিয়ে। উল্লেখ্য যে বন্য ষাঁড় হৈছে আমেৰিকাৰ ৰাষ্ট্ৰীয় পশু। দীঘলীয়া বৈঠকৰ অন্তত পুটিনে সংবাদ মাধ্যমৰ আগত কয়, 'বৈঠকত আমাৰ মাজত কোনো ধৰণৰ বিবাদ হোৱা নাছিল। ইয়াৰ বিপৰীতে আমি গঠনমূলক আলোচনাত অংশ লৈছিলো।' আনহাতে, বাইডেনে কয়, 'সমগ্ৰ বৈঠক এক ইতিবাচক দিশৰে সমাপ্ত হ'ল।' ৰাষ্ট্ৰপতি পুটিনৰ আগত আমি স্পষ্ট কৰি দিলো যে মানৱাধিকাৰ বিষয়ত আমি বাৰে বাৰে মাত মাতি যাম। আমাৰ চাইবাৰ ক্ষমতা যে যথেষ্ট সেয়া ৰাষ্ট্ৰপতি পুটিনে জানে। সেয়েহে তেওঁ পুনৰ শীতল যুদ্ধ বিচৰা নাই।' আনহাতে, পুটিনে আমেৰিকাক এই আলোচনাত স্পষ্ট কৰি কয়, 'চাইবাৰ নিৰাপত্তাৰ বিষয়টো ৰাছিয়া, আমেৰিকা আৰু সমগ্ৰ বিশ্বৰ বাবে অতি জৰুৰী। ৰাছিয়া আমেৰিকাৰ শত্ৰু নহয়।' পুটিন আৰু বাইডেনৰ এই ঐতিহাসিক সাক্ষাতৰ পাছত আমেৰিকা আৰু ৰাছিয়াৰ মাজত এক নতুন সম্পৰ্ক গঢ় লৈ উঠিব বুলি কূটনৈতিক বিশেষজ্ঞই মত প্ৰকাশ কৰিছে।



## মাইক্ৰ'ছফ্টৰ অধ্যক্ষৰ দায়িত্বও লাভ কৰিলে সত্য নাডেলাই

**নিউজ ব্যুৰ' নিউ য়ৰ্ক, ১৭ জুন ঃ** মাইক্ৰ'ছফ্টৰ মুখ্য কাৰ্যবাহী বিষয়া (চি ই অ') সত্য নাডেলাই এতিয়াৰে পৰা তথ্য প্ৰযুক্তি প্ৰতিষ্ঠানটোৰ অধ্যক্ষ হিচাপেও দায়িত্ব পালন কৰিব। ২০১৪ বৰ্ষত মাইক্ৰ'ছফ্টৰ চি ই অ'ৰ দায়িত্ব লাভ কৰিছিল ভাৰতীয় বংশোদ্ভূত নাডেলাই। উল্লেখ্য যে নাডেলাৰ পূৰ্বে বিল গেটছে মাইক্ৰ'ছফ্টৰ চি ই অ' আৰু অধ্যক্ষৰ দায়িত্ব একেলগে পালন কৰিছিল।

# আম্বানীৰ ঘৰৰ সন্মুখত বোমা ৰখাৰ গোচৰত গ্ৰেপ্তাৰ এনকাউণ্টাৰ বিশেষজ্ঞ প্ৰদীপ শৰ্মা



**নিউজ ব্যুৰ', মুম্বাই, ১৭ জুন ঃ** দেশৰ সবাতোকৈ ধনী উদ্যোগপতি মুকেশ আম্বানীৰ মুম্বাইস্থিত বাসগৃহ এণ্টিলাৰ সন্মুখত বিস্ফোৰক ভৰ্তি গাড়ী ৰখাৰ গোচৰত ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা (এন আই এ)ই গ্ৰেপ্তাৰ কৰিলে এনকাউণ্টাৰ বিশেষজ্ঞ প্ৰদীপ শৰ্মাক। আজি পুৱাতে শৰ্মাৰ মুম্বাইস্থিত বাসগৃহত এন আই এ অভিযান চলাইছিল আৰু ইয়াৰ পাছতে শিৱসেনাৰ নেতা তথা মুম্বাই আৰক্ষীৰ প্ৰাক্তন বিষয়া শৰ্মাক কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে গ্ৰেপ্তাৰ কৰে। আম্বানীৰ বাসগৃহৰ সন্মুখত বিস্ফোৰক ভৰ্তি গাড়ী ৰখাৰ ঘটনাৰ স'তে শৰ্মাৰ হাত থকা বুলি এন আই এয়ে তথ্য লাভ কৰিছিল। এই তথ্য লাভৰ পাছতে আজি এন আই এয়ে তেওঁক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে যোৱা শতিকাৰ ৯০ দশকত মুম্বাইৰ অপৰাধ জগতৰ বাবে ত্ৰাসত পৰিণত হৈছিল আৰক্ষীৰ এনকাউণ্টাৰ বিশেষজ্ঞ শৰ্মা। ২০০৮ত মাফিয়া ড'ন ডাউড ইব্ৰাহিমৰ সংগী চোটা ছাকিলৰ স'তে যোগাযোগ থকাৰ অভিযোগত শৰ্মাক চাকৰিৰ পৰা নিলম্বন কৰা হৈছিল। অৱশ্যে পাছত প্ৰমাণৰ অভাৱত ২০১৭ত তেওঁ পুনৰ মুম্বাই আৰক্ষীত কৰ্মৰত হৈছিল। ২০১৯ত অৱসৰৰ পূৰ্বেই চাকৰি ত্যাগ কৰি শৰ্মাই শিৱসেনাত যোগদান কৰিছিল।

## কাৰাগাৰত পুটিন সমালোচকৰ মৃত্যু হ'লে পৰিণতি বিষম হ'ব ঃ সকীয়নি বাইডেনৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৭ জুন ঃ** কাৰাগাৰত বন্দী হৈ থকা ৰাছিয়াৰ বিৰোধী নেতা তথা ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ কঠোৰ সমালোচক হিচাপে পৰিচিত এলেক্সেই নাভালনিৰ মৃত্যু হ'লে ৰাছিয়াই ভয়ানক পৰিণতিৰ সন্মুখীন হ'ব লাগিব। এইদৰে কালি মন্তব্য কৰিলে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে। ছুইজাৰলেণ্ডৰ জেনেভাত পুটিনৰ স'তে এখন বৈঠকত অংশ লোৱাৰ পাছত বাইডেনে সাংবাদিকৰ আগত কয় যে আমেৰিকাই মানৱাধিকাৰ ৰক্ষাৰ পক্ষত সদায় থিয় দি আহিছে আৰু কাৰাবন্দীসকলৰ অধিকাৰৰ ৰক্ষণাবেক্ষণত সদায়ে অগ্ৰাধিকাৰ দিয়ে। ৰাছিয়াৰ কাৰাগাৰত বন্দী হৈ থকা পুটিন বিৰোধী নেতা নাভালনিৰ কোনো কাৰণত মৃত্যু হ'লে ম'স্কোৱে ভয়াৱহ ফল ভুগিব লাগিব বুলি বাইডেনে সকীয়াই দি ৰুছ বিৰোধী নেতাজনৰ সুচিকিৎসাৰ দাবী জনায়।

## অপেক্ষাৰ অৱসান ঃ প্লেষ্ট'ৰৰ পৰা ডাউনলোড কৰিব পাৰিব 'বি এম আই' গে'ম



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ জুন ঃ** অৱশেষত গুগল প্লেষ্ট'ৰত উপলব্ধ হ'ল পাব্জীৰ নতুন ভাৰতীয় সংস্কৰণ 'বেটলগ্ৰাউণ্ডছ ম'বাইল ইণ্ডিয়া' (বি এম আই) অনলাইন গে'ম। যিসকল ব্যক্তিয়ে ইতিমধ্যে বেটা ভাৰ্চনৰ বাবে লগ ইন কৰিছিল তেওঁলোকে গুগল প্লেষ্ট'ৰৰ পৰা এতিয়া এই গে'ম ডাউনলোড কৰি ল'ব পাৰিব। ম'বাইল ফোনত এই গে'ম খেলিব বিচাৰিলে আপোনাৰ স্মাৰ্টফোনটোত এণ্ড্ৰইড ৫.১.১ অথবা ইয়াৰ পৰৱৰ্তী সংস্কৰণৰ হ'ব লাগিব। তদুপৰি ম'বাইত দুই জি বিৰ ৰেম থাকিব লাগিব। অৱশ্যে ১৮ বছৰ অনূৰ্ধ্ব লোকে এই গে'ম খেলাৰ বাবে অভিভাৱকৰ অনুমতি ল'ব লাগিব, অন্যথা কঠোৰ শাস্তি বিহা হ'ব বুলি কোম্পানীটোৱে জানিবলৈ দিয়ে।

# হত্যাৰ ৰাজনীতি জুণ্টাৰ, ম্যানমাৰৰ গ্ৰামত কৰিলে অগ্নিসংযোগ



**নিউজ ব্যুৰ', য়াংগুন, ১৭ জুন ঃ** ম্যানমাৰত গণতান্ত্ৰিক শাসন ব্যৱস্থা পুনৰ প্ৰৱৰ্তনৰ দাবীৰে আন্দোলন অব্যাহত ৰখা প্ৰতিবাদকাৰীৰ বিৰুদ্ধে দমনমূলক পদক্ষেপ গ্ৰহণ কৰিছে দেশখনৰ সেনাই। প্ৰতিবাদীৰ কণ্ঠৰোধ কৰিবলৈ ধাৰাষাৰ গুলিবৰ্ষণ, লাঠিচালনা, গ্ৰেপ্তাৰ কৰাৰ পৰা সকলো ধৰণৰ বৰ্বৰ আচৰণ জুণ্টাই প্ৰদৰ্শন কৰি আহিছে। এইবাৰ ম্যানমাৰৰ জুণ্টাৰ বিৰুদ্ধে এখনৰ পাছত আন এখন গাঁও জ্বলাই দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ম্যানমাৰৰ মধ্যভাগত অৱস্থিত মেগৱেত থকা কিনমা গাঁৱত ২৫০ টাৰো অধিক বাসগৃহ আছিল। বুধবাৰে এই গাঁওখনত মাত্ৰ ১০টা বাসগৃহহে অক্ষত অৱস্থাত থাকিল। বাকী সকলো বাসগৃহ জুণ্টাই অগ্নিসংযোগ কৰি ধ্বংস কৰিলে। এই ঘটনাত তিনিজন লোকৰ মৃত্যু হোৱাৰ লগতে অসংখ্য পোহনীয়া জীৱ-জন্তুৰ মৃত্যু হ'ল। প্ৰকাশিত বাতৰি অনুসৰি, ম্যানমাৰৰ জুণ্টাই প্ৰতিবাদী জনতাক দমন কৰিবলৈ এইদৰে এখনৰ পাছত আন এখন গ্ৰামত অগ্নিসংযোগ কৰি আহিছে। উপায়ান্তৰ হৈ অঞ্চলবাসীয়ে ঘৰ-বাৰী ত্যাগ কৰি গভীৰ অৰণ্যত আশ্ৰয় ল'বলৈ বাধ্য হৈছে। উল্লেখ্য যে যোৱা পহিলা ফেব্ৰুৱাৰীত ম্যানমাৰত গণতান্ত্ৰিক নেত্ৰী আন ছাং ছু কীক সেনাই ক্ষমতাৰ পৰা অপসাৰণ কৰি দেশখনত সামৰিক শাসন প্ৰৱৰ্তন কৰিছিল।



## দেশৰ নখন চহৰত উপলব্ধ হ'ব ৰাছিয়াৰ স্পুটনিক প্ৰতিষেধক

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ জুন ঃ** ৰাছিয়াত উদ্ভাৱন কৰা কৰ'নাৰ প্ৰতিষেধক স্পুটনিক-ভি অচিৰে ভাৰতৰ আৰু নখন চহৰত উপলব্ধ হ'ব। স্পুটনিকৰ টুইটাৰ হেণ্ডেলত আজি এই কথা প্ৰকাশ কৰা হৈছে। ভাৰতত স্পুটনিক-ভিৰ বিতৰক সহযোগী ডাঃ ৰেড্ডিজ লেবৰেটৰীজে প্ৰকাশ কৰা মতে, এইবাৰ দেশৰ নখন চহৰ ক্ৰমে বাংগালুৰু, দিল্লী, মুম্বাই, চেন্নাই, কলকাতা, বিশাখাপট্টনম, বড্ডী, কুলহাপুৰ আৰু মিৰয়ালাগুডাত স্পুটনিক-ভি প্ৰতিষেধক উপলব্ধ হ'ব। বৰ্তমানলৈকে চলোৱা গৱেষণামূলক অধ্যয়নত লাভ কৰা তথ্য অনুসৰি, ক'ভিড প্ৰতিৰোধৰ ক্ষেত্ৰত ৰাছিয়াৰ স্পুটনিক-ভি প্ৰতিষেধক ৯৬.৬ শতাংশ কাৰ্যকৰী। ভাৰতত এইবিধ ৰুছ প্ৰতিষেধক ১,১৪৫ টকাত বিক্ৰীৰ বাবে অনুমতি দিয়া হৈছে।

# ভাৰতৰ ৩৩ জিলাত নিয়ন্ত্ৰণহীন কৰ'না, ৰাজস্থানৰ ১৬ জিলাত পৰিস্থিতি জটিল



**নিউজ ব্যুৰ' নতুন দিল্লী, ১৭ জুন ঃ** দেশত কৰ'নাৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌৰ প্ৰকোপ ক্ৰমে হ্ৰাস পাইছে। বৰ্তমানে দেশত দৈনিক সংক্ৰমণৰ সংখ্যা ৬০ হেজাৰৰ ঘৰলৈ অৱনমিত হৈছে। কিন্তু এনে ইতিবাচক পৰিস্থিতিৰ মাজতো দেশৰ মুঠ ৭৩৪ খন জিলাৰ ভিতৰত ৩৩ শতাংশ অৰ্থাৎ ২৪৫ খন জিলাত এতিয়াও ক'ভিড পৰিস্থিতি জটিল হৈ আছে। এই ২৪৫ খন জিলাত ক'ভিড সংক্ৰমণৰ হাৰ হৈছে পাঁচ শতাংশৰো অধিক। অৰ্থাৎ বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ তথ্য অনুসৰি এইসমূহ জিলাত ক'ভিডৰ সংক্ৰমণ এতিয়াও নিয়ন্ত্ৰণহীন অৱস্থাত আছে। এই ২৪৫ খন জিলাৰ ভিতৰত ১১৪খন জিলাত ক'ভিডৰ সংক্ৰমণৰ হাৰ হৈছে ১০ শতাংশৰো অধিক। তদুপৰি নখন জিলাত ক'ভিডৰ সংক্ৰমণৰ হাৰ হৈছে ৫০ শতাংশৰো অধিক। ইয়াৰে ছখন অৰুণাচল প্ৰদেশৰ, দুখন নগালেণ্ডৰ আৰু এখন মেঘালয়ৰ। দেশৰ ১৪খন জিলাত ক'ভিডৰ সংক্ৰমণৰ হাৰ হৈছে ২৫ শতাংশৰ পৰা ৫০ শতাংশৰ ভিতৰত। ৰাজস্থানৰ ১৬ খন জিলাত সম্প্ৰতি ক'ভিড পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰত আছে। উত্তৰ প্ৰদেশ, বিহাৰ আৰু দিল্লীসহ দেশৰ নখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত কৰ'না সম্প্ৰতি নিয়ন্ত্ৰণত আছে। এইকেইখন ৰাজ্যত কৰ'নাৰ সংক্ৰমণ পাঁচ শতাংশৰ ভিতৰত আছে।

## এদিনত বিশ্বজুৰি সংক্ৰমিত হ'ল ৩.৯৭ লাখ লোক, ৯,৪৬৪ জনৰ মৃত্যু



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৭ জুন ঃ** বিশ্বজুৰি কৰ'নাৰ ডেৰ বছৰ ধৰি ত্ৰাস অব্যাহত ৰাখিছে। কালি বিশ্বত নতুনকৈ তিনি লাখ ৯৭ হেজাৰ ৯৬২ জন লোক ক'ভিডত আক্ৰান্ত হ'ল। বিগত ২৪ ঘণ্টাত বিশ্বজুৰি পুনৰ কৰ'নাত প্ৰাণ হেৰুৱালে ৯,৪৬৪ জন লোকে। অৱশ্যে সকাহৰ কথা এয়ে যে কালি চাৰি লাখ ৫৫ হেজাৰ ৬৫৯ জন লোকে কৰ'নাক পৰাভূত কৰিবলৈ সফল হ'ল। বিশ্বত বিগত ১৫ দিনত ১৯.৫০ লাখ সক্ৰিয় ক'ভিড ৰোগী হ্ৰাস পালে। পহিলা জুনত বিশ্বত এক কোটি ৩৬ লাখ ১২ হেজাৰ ৪০ জন সক্ৰিয় ক'ভিড আক্ৰান্ত আছিল। বিগত কেইদিনত এই সংখ্যা হ্ৰাস পাই বৰ্তমানে এক কোটি ১৬ লাখ ৬১ হেজাৰ ৪৬৭ জন হৈছে। বৰ্তমানলৈকে বিশ্বত ১৭.৭৮ কোটি লোক কৰ'নাত আক্ৰান্ত হ'ল। তদুপৰি এই মাৰাত্মক ভাইৰাছত এতিয়ালৈকে ৩৮.৪৯ লাখ লোকৰ মৃত্যু হ'ল। ইয়াৰ মাজতে ১৬.২৩ কোটিৰো অধিক লোকে কৰ'নাক পৰাভূত কৰিবলৈ সফল হ'ল। বৰ্তমানে বিশ্বত ১.১৬ কোটি ক'ভিড আক্ৰান্তই চিকিৎসা গ্ৰহণ কৰি আছে।

## জুলাইত খুলিব প্ৰেক্ষাগৃহ! কেতিয়া মুক্তি লভিব অক্ষয়, ৰণবীৰৰ ছবিয়ে?



**নিউজ ব্যুৰ' মুম্বাই, ১৭ জুন ঃ** কৰ'নাৰ দ্বিতীয়টো ঢৌ প্ৰতিৰোধ কৰিবলৈ সমগ্ৰ দেশতে তলাবন্ধ, সান্ধ্যআইন আদি অব্যাহত আছে। সংক্ৰমণৰ প্ৰথম ঢৌৰ পাছত তলামুক্ত হোৱাত দেশৰ চিত্ৰগৃহৰ দুৱাৰ দৰ্শকৰ বাবে খোল খাইছিল। কিন্তু পুনৰ তলাবন্ধ হোৱাত বৰ্তমানে দেশৰ প্ৰায়বোৰ অঞ্চলতে চিত্ৰগৃহ বন্ধ হৈ আছে। এতিয়া দেশত ক'ভিডৰ সংক্ৰমণ লাহে লাহে হ্ৰাস পাবলৈ ধৰিছে আৰু একাধিক ৰাজ্যই তলাবন্ধ পৰ্যায়ক্ৰমে প্ৰত্যাহাৰ কৰিছে। লাহে লাহে চিত্ৰগৃহৰ দুৱাৰ পুনৰ খোল খাব বুলি আশা প্ৰকাশ কৰিলে বলিউডৰ মহাতাৰকা অভিনেতা অক্ষয় কুমাৰে। অভিনেতাজনৰ পৰৱৰ্তী ছবি 'বেল বটম'ৰ মুক্তিৰ দিন ঘোষণা কৰিলে নিৰ্মাতাই। সকলো ঠিকে থাকিলে অহা ২৭ জুলাইত এইখন ছবিৰ চিত্ৰগৃহত মুক্তি হ'ব পাৰে। উল্লেখ্য যে প্ৰায় ডেৰ বছৰ ধৰি দেশৰ চিত্ৰগৃহসমূহ বন্ধ হৈ থকাৰ ফলত বলিউডৰ বৃহৎ পৰিমাণৰ আৰ্থিক ক্ষতি হৈছে। নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ পাছতো দিনৰ পাছত দিন ধৰি মুক্তিৰ অপেক্ষাৰত হৈ আছে ৰোহিত শেঠ্ঠী পৰিচালিত 'সূৰ্যবংশী', জন আব্ৰাহামৰ 'এটেক্' আৰু ৰণবীৰ সিঙৰ '৮৩' ছবিকেইখনে। বলিউডৰ বিগ বাজেটৰ ছবি হিচাপে এইকেইখন ছবিৰ প্ৰতি দৰ্শকৰ এক বিশেষ কৌতূহল আছে। প্ৰকাশিত বাতৰি অনুসৰি, ১৩ আগষ্টত 'এটেক্' আৰু অহা অক্টোবৰত 'সূৰ্যবংশী'ৰ মুক্তি লাভৰ সম্ভাৱনা আছে। নৱেম্বৰত মুক্তি লাভ কৰিব পাৰে '৮৩' ছবিখনে।

## নিউ য়ৰ্কত ক'ভিড বিধি প্ৰত্যাহাৰ, ফটকা ফুটাই উদ্‌যাপন চহৰবাসীৰ



**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ১৭ জুন ঃ** পুনৰ মাস্ক পৰিধান কৰিব নালাগে, ছয় ফুটৰ দূৰত্ব বিধিও পালন কৰিব নালাগিব। হোটেল, ৰেস্তোৰাঁ, চিত্ৰগৃহত প্ৰৱেশৰ ক্ষেত্ৰত নাই কোনো বাধা। আমেৰিকাৰ নিউ য়ৰ্কত অৱশেষত ক'ভিড বিধি প্ৰত্যাহাৰ কৰা হ'ল। কালি এই কথা ঘোষণা কৰিলে নিউ য়ৰ্কৰ গভৰ্ণৰ এণ্ড্ৰিউ কুয়'ম'ই। স্থানীয় প্ৰশাসনৰ এই ঘোষণাৰ পাছতে নিউ য়ৰ্কবাসীয়ে ফটকাবাজীৰে আনন্দ প্ৰকাশ কৰিলে। উল্লেখ্য যে কেলিফ'ৰ্ণিয়াতো ইতিমধ্যে ক'ভিড বিধি প্ৰত্যাহাৰ কৰা হৈছে। নিউ য়ৰ্কত প্ৰাপ্তবয়স্কই ৭০ শতাংশই বৰ্তমানলৈকে ক'ভিডৰ কমেও এটাকৈ প্ৰতিষেধক গ্ৰহণ কৰিছে। সেয়েহে আমেৰিকাৰ এইখন চহৰত ক'ভিড বিধি প্ৰত্যাহাৰ কৰা হ'ল। বিধি নিষেধ বাতিলৰ পাছত বুধবাৰৰ পৰা নিউ য়ৰ্কলৈ স্বাভাৱিক জীৱনৰ ছন্দ উভতি আহিল।

## ফ্ৰান্সবাসীয়ে মাস্ক পিন্ধাৰ প্ৰয়োজন নাই, ঘোষণা ৰাষ্ট্ৰপতিৰ



**নিউজ ব্যুৰ', পেৰিছ, ১৭ জুন ঃ** ঘৰৰ বাহিৰলৈ ওলালে ফ্ৰান্সত এতিয়াৰ পৰা আৰু মাস্ক পৰিধান কৰিব নালাগিব। ফ্ৰান্সবাসীয়ে পূৰ্বৰ দৰে মুক্ত আকাশৰ তলত গ্ৰহণ কৰিব পাৰিব শ্বাস-প্ৰশ্বাস। কালি এই ঘোষণা কৰিলে ফ্ৰান্সৰ প্ৰধানমন্ত্ৰী জিন কাছটেক্সে। কৰ'নাৰ প্ৰথমটো ঢৌৰ পাছত বিপৰ্যস্ত হৈছিল সমগ্ৰ ইউৰোপ। ফ্ৰান্সতো যথেষ্টসংখ্যক লোকৰ কৰ'নাত মৃত্যু হৈছিল। সংক্ৰমণ ৰোধৰ বাবে দেশখনত কঠোৰ ক'ভিড বিধি প্ৰৱৰ্তন কৰা হৈছিল। কিন্তু অৱশেষত ফ্ৰান্সৰ প্ৰধানমন্ত্ৰীয়ে মাস্ক পৰিধানৰ ক্ষেত্ৰত আৰোপিত নিৰ্দেশনা প্ৰত্যাহাৰ কৰিলে। অহা ২০ জুনৰ পৰা দেশখনত নৈশ সান্ধ্যআইনসহ একাধিক কৰ'না সংক্ৰান্ত বিধি নিষেধো প্ৰত্যাহাৰ কৰা হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে ইতিমধ্যে ঘোষণা কৰিছে।

## ভুৱা টুইটৰে হিংসাক উচটনি যোগোৱাৰ অভিযোগত স্বৰাৰ বিৰুদ্ধে আৰক্ষীৰ গোচৰ



**নিউজ ব্যুৰ', গাজিয়াবাদ, ১৭ জুন ঃ** গাজিয়াবাদৰ এজন মুছলমান বৃদ্ধক প্ৰহাৰৰ ঘটনাত এইবাৰ বলিউডৰ অভিনেত্ৰী স্বৰা ভাস্কৰৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিলে আৰক্ষীয়ে। কালি ভুৱা খবৰ প্ৰচাৰৰ অভিযোগত টুইটাৰ, কংগ্ৰেছ নেতা আৰু দুজন সাংবাদিকৰ বিৰুদ্ধে থানাত এক গোচৰ তৰা হৈছিল। একেটা ঘটনাতে টুইট কৰি সাম্প্ৰদায়িক হিংসা সৃষ্টিত উচটনি যোগোৱাৰ অভিযোগ উত্থাপিত হ'ল অভিনেত্ৰী স্বৰাৰ বিৰুদ্ধে। আজি দিল্লী আৰক্ষীয়ে জনোৱা মতে, অভিনেত্ৰী স্বৰা, টুইটাৰৰ ভাৰতীয় পৰিচালন সঞ্চালক মনীষ মাহেশ্বৰী, সাংবাদিক আফৰা খানুম শ্বেৰৱানীসহ কে'বাজনো ব্যক্তিৰ বিৰুদ্ধে তেওঁলোকে অভিযোগ লাভ কৰিছে। গাজিয়াবাদ নিবাসী এজন প্ৰবীণ নাগৰিকৰ সন্দৰ্ভত ভুৱা বাতৰি টুইটাৰত শ্বেয়াৰ কৰি ইয়াক সাম্প্ৰদায়িক ৰূপ দিয়াৰ অপচেষ্টা চলোৱাৰ অভিযোগ এই ব্যক্তিকেইজনৰ বিৰুদ্ধে উত্থাপিত হৈছে। আব্দুল ছামাদ ছাইফি নামৰ মুছলমান বৃদ্ধ এজনক প্ৰহাৰ কৰা ঘটনাত আৰক্ষীয়ে ইতিমধ্যে তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছে। এই ঘটনাৰ সন্দৰ্ভতে স্বৰাই আপত্তিকৰ টুইট কৰা বুলি অভিনেত্ৰীগৰাকীৰ বিৰুদ্ধে অভিযোগ উত্থাপিত হৈছে।

## ৰাইজৰ সেৱাৰ বাবে ই-ৰিক্সা কিনিলে ৰিক্সাৱালা বিধায়কে



**নিউজ ব্যুৰ', কলকাতা, ১৭ জুন ঃ** পেছাত তেওঁ এজন ৰিক্সাৱালা। দিন অতিবাহিত কৰিছিল ৰেল ষ্টেচনত। জীৱিকা নিৰ্বাহৰ বাবে এসময়ত তেওঁ দিন হাজিৰাও কৰিছিল। কিন্তু এইজন ৰিক্সাৱালা-শ্ৰমিক এতিয়া পশ্চিমবংগৰ এজন বিধায়ক। তৃণমূল কংগ্ৰেছৰ টিকটত হুগলিৰ বলাগড় সমষ্টিৰ পৰা মনোৰঞ্জন বেপাৰী বিধানসভাৰ বিগত নিৰ্বাচনত বিধায়ক নিৰ্বাচিত হৈছিল। দক্ষিণ ২৪ পৰগনাৰ সোণাৰপুৰত ৰিক্সা চলাই জীৱিকা নিৰ্বাহ কৰা এইজন তৃণমূল কংগ্ৰেছৰ বিধায়কে নিৰ্বাচনত জয়ৰ পাছত ক্ৰয় কৰিলে এখন বেটাৰীচালিত ই-ৰিক্সা। 'ইণ্ডিয়ান এক্সপ্ৰেছ'ৰ আগত বিধায়ক বেপাৰীয়ে কয়, 'আজি মই এখন টোটো ৰিক্সা কিনিলো। অন্যসকল জন্মগত নেতা, বিধায়ক— তেওঁলোকৰ কথা সুকীয়া। আমি ৰিক্সাৱালা, শ্ৰমিকৰ সন্তান। আমি বাবুগিৰি দেখুৱালে শোভা নাপায়। মানুহৰ স'তে একেলগে থকাৰ উদ্দেশ্যৰে মই এইখন ই-ৰিক্সা ক্ৰয় কৰিছো। ভৰিৰে এতিয়া খোজকাঢ়িবলৈ মই কষ্ট অনুভৱ কৰো। সেয়েহে নিজে চলাই ই-ৰিক্সাৰে প্ৰয়োজনত বিভিন্ন ঠাইলৈ যাম।' বেপাৰীয়ে লগতে কয় যে ৰাইজে তেওঁক দিয়া দান-বৰঙণিৰ ধনৰ জৰিয়তে এইখন ই-ৰিক্সা তেওঁ ক্ৰয় কৰিছে।



## ব্ৰাজিলৰ পাছত কলম্বিয়া, আৰ্জেণ্টিনাতো বৃদ্ধি ক'ভিড আক্ৰান্তৰ সংখ্যা

**নিউজ ব্যুৰ', ছাও পাউলো, ১৭ জুন ঃ** বিশ্বৰ ভিতৰতে সৰ্বাধিকসংখ্যক কৰ'না আক্ৰান্ত ৰোগী বৰ্তমানে চিনাক্ত হৈছে ব্ৰাজিলত। যোৱা ২৪ ঘণ্টাত ব্ৰাজিলত পুনৰ ৮৫,৮৬১ জন লোক ক'ভিড-১৯ত আক্ৰান্ত হ'ল। তদুপৰি কালি এইখন দেশত বিশ্বৰ ভিতৰতে সৰ্বাধিক ২,৬৭৩ জন লোকৰ কৰ'নাত মৃত্যু হ'ল। আনহাতে, বিগত ২৪ ঘণ্টাত ভাৰতত ৬৭,২৯৪ জন লোক কৰ'নাত আক্ৰান্ত হোৱাৰ বিপৰীতে ১,৪১১ জন লোকৰ ক'ভিডত মৃত্যু হ'ল। ভাৰত আৰু ব্ৰাজিলৰ পাছতে শেহতীয়াভাৱে কলম্বিয়া আৰু আৰ্জেণ্টিনাত ক'ভিডৰ সংক্ৰমণ উদ্বেগজনক হাৰত বৃদ্ধি পাইছে। কলম্বিয়াত বুধবাৰে ২৭,৮২৭ জন লোকৰ এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণ ধৰা পৰিছিল। তদুপৰি দেশখনত কালি কৰ'নাত আক্ৰান্ত ৫৯৫ জন লোকৰ মৃত্যু হৈছিল। আনহাতে, কালি আৰ্জেণ্টিনাত নতুনকৈ ২৫,৮৭৮ জন লোক কৰ'নাত আক্ৰান্ত হোৱাৰ লগতে ৬৪৬ জন লোকৰ ক'ভিডত মৃত্যু হৈছিল।

# ৰঙাপৰাত মাৰোৱাৰী সন্মিলনে সম্পন্ন কৰালে ব্যৱসায়ীসকলৰ ৰেট টেষ্ট

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ১৭ জুন ঃ** শোণিতপুৰ জিলাত ক'ভিড-১৯ আক্ৰান্তৰ সংখ্যা বৃদ্ধি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি শোণিতপুৰ জিলাৰ উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসে দুৰ্যোগ ব্যৱস্থাপনা আইন, ২০০৫ৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগৰে পৌৰ অঞ্চলৰ অধীনৰ সকলো ব্যৱসায়িক প্ৰতিষ্ঠানৰ গৰাকী, দোকানী, পেট্ৰ'ল পাম্পৰ কৰ্মচাৰী, ব্যৱসায়িক প্ৰতিষ্ঠানৰ কৰ্মচাৰী আৰু অন্যান্য জড়িত কৰ্মচাৰীৰ অহা সাত দিনৰ ভিতৰত ৰেট পৰীক্ষা কৰাটো বাধ্যতামূলক কৰিছে। সময়ত দোকানৰ গৰাকীয়ে পৰিদৰ্শনকাৰী দলক ৰেট পৰীক্ষাৰ ফলাফল নিগেটিভ হোৱাৰ প্ৰমাণপত্ৰ প্ৰদৰ্শন কৰিব লাগিব। এই ক্ষেত্ৰত জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকক সংশ্লিষ্ট চক্ৰ বিষয়াৰ লগত মিলি নিৰ্দিষ্ট বজাৰ অঞ্চলত বিশেষ ৰেট পৰীক্ষা শিবিৰৰ আয়োজন কৰিবলৈ উপায়ুক্তই নিৰ্দেশ দিয়াৰ সময়ত অন্যতম স্বেচ্ছাসেৱী বেচৰকাৰী সংগঠন মাৰোৱাৰী সন্মিলন ৰঙাপৰা শাখাই যোৱা ১৫ জুন আৰু আজিৰ দিনটোত নগৰখনৰ পাঁচ শতাধিক লোকক নিজা উদ্যোগত ইয়াৰে কমলা ভৱনত ৰেট টেষ্ট সম্পন্ন কৰায়। তাৰে দুগৰাকী ব্যক্তিৰ দেহত কৰ'না ধৰা পৰে। ইপিনে, এই অনুষ্ঠানত সন্মিলনৰ স্বেচ্ছাসেৱী সদস্য ৰাজেশ পাটোদিয়া, পৱন পাৰিক, মনিষ টায়েল, কিষাণ পাৰিক, সুভাষ দত্ত আদি ব্যক্তিসকলে সম্পূৰ্ণ ক'ভিড নিয়ম পালন কৰি পৰীক্ষা শিবিৰত স্বেচ্ছা সেৱা আগবঢ়াই জিলা প্ৰশাসনক তেওঁলোকৰ সংগঠনক প্ৰতিষেধক প্ৰদানৰ দায়িত্ব দিবলৈ আহ্বান জনায়।



# তেজপুৰত ৰূপকোঁৱৰৰ ১১৮ সংখ্যক জন্মজয়ন্তী পালন

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১৭ জুন ঃ** ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ১১৮ সংখ্যক জন্ম দিৱসত ৰূপকোঁৱৰৰ পৈতৃক গৃহ তথা বৰ্তমান ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনস্থ ঐতিহ্যমণ্ডিত 'পকী'ত আজি ৰূপকোঁৱৰলৈ গীতে-মাতে শ্ৰদ্ধা জনোৱা হয়। পুৱা ১০ বজাত ইয়াত থকা ৰূপকোঁৱৰৰ আৱক্ষমূৰ্তিত মাল্যাৰ্পণ তথা বন্তি প্ৰজ্বলনৰ লগতে ৰূপকোঁৱৰৰ গীতৰ আধাৰত এক নৃত্য কৰা হয়। একেদৰে তেজপুৰ সাহিত্য সভায়ো ৰূপকোঁৱৰৰ জন্ম দিনটোত জাতীয় পুৰোধাগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। কৰ'নাকালীন পৰিস্থিতিৰ বাবে অনুষ্ঠুপীয়া আৰু অনাড়ম্বৰভাৱে আয়োজন কৰা হয়। বান থিয়েটাৰতো ৰূপকোঁৱৰৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনায় বিষয়ববীয়াসকলে। আনহাতে, জ্যোতিপ্ৰসাদ আগৰৱালাৰ ১১৮ সংখ্যক জন্মজয়ন্তী ছাত্ৰ সংগঠন অল ইণ্ডিয়া ডি এছ অ'য়ে বিভিন্ন কাৰ্যসূচীৰে পালন কৰে। এইবাৰো এই ক'ভিড পৰিস্থিতিৰ মাজতো ক'ভিড প্ৰট'কল মানিয়েই অল ইণ্ডিয়া ডি এছ অ'ৰ শোণিতপুৰ জিলা কাৰ্যালয়ত মহান শিল্পীগৰাকীৰ জন্মজয়ন্তী পালন কৰা হয়। পুৱা ১০ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সমাপন কৰি জ্যোতিপ্ৰসাদ সংস্কৃতি পৰিষদৰ ফেচবুক পেইজৰ যোগেদি অনলাইন সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ৰূপান্তৰ শিল্পী ৰূপকোঁৱৰৰ সাধনাৰ স্থলী জ্যোতি ভাৰতী তথা পকীত তেওঁৰ আৱক্ষ মূৰ্তিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণৰে মহান শিল্পীগৰাকীৰ জন্মজয়ন্তী উদ্‌যাপন কৰা হয়। চহৰখনৰ অন্যতম অনুষ্ঠান সংকল্প অসমে কমলা নগৰস্থিত ৰূপকোঁৱৰগৰাকীৰ সমাধিস্থলীত ক'ভিডসৃষ্ট পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰে অনুষ্ঠান সম্পন্ন কৰে। ইপিনে, আজি সুন্দৰৰ পূজাৰীগৰাকীৰ প্ৰতি তেজপুৰৰ অন্যতম অনুষ্ঠান প্ৰহ্লাদ চন্দ্ৰ দাস স্মৃতি নৃত্যশালাৰ তৰফৰ পৰা নৃত্যপটীয়সী তথা বিদ্যালয়খন পৰিচালনা কৰা দীপা দাসৰ লগতে কে'বাগৰাকী শিল্পীয়ে জ্যোতি সংগীতৰ আধাৰত এক নৃত্যৰ শ্ৰদ্ধাঞ্জলি জনায়।



# টংলাত ৰাভা সাংস্কৃতিক প্ৰকল্পৰ আধাৰশিলা

**অগ্ৰদূত বাৰ্তা**

**টংলা, ১৭ জুন ঃ** উত্তৰ-পূব পৰিষদৰ উন্নয়ন পুঁজিৰ দ্বাৰা ওদালগুৰি জিলাৰ টংলা কুকুৰাকাটাত নিৰ্মাণ হ'বলগীয়া ৰাভা সাংস্কৃতিক প্ৰকল্পৰ আধাৰশিলা আজি মাংগলিক কাৰ্যসূচীৰে আৰম্ভ কৰে বিজেপিৰ ৰাষ্ট্ৰীয় সম্পাদক তথা সাংসদ দিলীপ শইকীয়াই। ওদালগুৰি জিলাৰ টংলা কুকুৰাকটাস্থিত ৰাভা সাংস্কৃতিক প্ৰকল্পত হ'বলগীয়া ভূমিত অনুষ্ঠুপীয়াকৈ অনুষ্ঠিত সভাৰ পাছত সাংসদ শইকীয়াই কয় যে ৯০ লাখ টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া প্ৰকল্প সম্পূৰ্ণকৰণ হ'লে ৰাভা ৰাইজৰ বহুদিনীয়া অভাৱ আঁতৰ হ'ব। ৰাভা জাতিৰ উত্তৰণৰ লগতে ভাষা-সাহিত্য-সংস্কৃতি তথা সভ্যতা বিকাশৰ অগ্ৰগতি হোৱাটো বিচাৰো। ৰাভা হাছঙৰ বাহিৰে অন্য জিলাসমূহক আমি অচিৰেই ৰাভা উন্নয়ন পৰিষদ দিয়াৰ সুব্যৱস্থা গ্ৰহণ কৰি ৰাভা ৰাইজৰ বহুদিনৰ অভাৱ পূৰণৰ স্বাৰ্থত বিজেপি নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰে সদায় সুদৃষ্টি প্ৰদান কৰিব বুলি সাংসদ শইকীয়াই মন্তব্য কৰে। উক্ত অনুষ্ঠানত বগাই সাংস্কৃতিক মহাসংঘ, অসমৰ উপ-সভাপতি প্ৰফুল্ল ৰাভা, জিলা ৰাভা সাহিত্য সভাৰ সভাপতি দেৱ কুমাৰ ৰাভা, জিলা ৰাভা ছাত্ৰ সন্থা, ৰাভা মহিলা পৰিষদ, জিলা ৰাভা জাতীয় পৰিষদৰ বিষয়ববীয়াসকল উপস্থিত থাকে। আধাৰশিলা অনুষ্ঠানত টংলা আঞ্চলিক ৰাভা সাহিত্য সভা আৰু টংলা আঞ্চলিক ৰাভা ছাত্ৰ সন্থাই বিশেষভাৱে সহায়-সহযোগিতা আগবঢ়ায়। পুৱাৰ ভাগত স্বজাতীয় সংগঠন ৰাভা সাহিত্য সভা, ছাত্ৰ সন্থা, মহিলা পৰিষদ আৰু ৰাভা জাতীয় পৰিষদৰ পতাকা উত্তোলন কাৰ্যসূচীৰে আধাৰশিলা স্থাপন শীৰ্ষক অনুষ্ঠানটোৰ আৰম্ভ কৰে।

# হাজোত ক'ভিড আক্ৰান্ত হৈ দুই ভ্ৰাতৃৰ মৃত্যু ঃ পুত্ৰ শোকত মৃত্যু পিতৃৰ

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১৭ জুন ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিনিধিত্ব কৰা জালুকবাৰী সমষ্টিৰ অন্তৰ্গত হাজো ৰাজহ চক্ৰৰ অধীনস্থ পাকৰকোনাত এমাহ নৌহওঁতে একেটা পৰিয়ালৰ দুই ভ্ৰাতৃ ক'ভিড আক্ৰান্ত হৈ অকাল মৃত্যুক সাবটি লোৱাৰ লগতে পুত্ৰ শোকত ম্ৰিয়মাণ অসুস্থ পিতৃৰ মৃত্যু হোৱা ঘটনাই অঞ্চলটোত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হৈছে। সমান্তৰালকৈ দুখীয়া পৰিালটোৰ ভৱিষ্যৎ ভৰণ- পোষণৰ বাবে চিন্তিত হৈ পৰিছে। জালুকবাৰী সমষ্টিৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত পাকৰকোনাৰ কৃষি-কৰ্ম কৰি জীৱন নিৰ্বাহ কৰা ৰত্ন কুমাৰ দাস (৫২)ৰ জ্বৰ-কাহ হৈ থকাৰ বাবে চিকিৎসালয়ত ভৰ্তি কৰোৱাইছিল। কিন্তু ক'ভিড পৰীক্ষাত পজিটিভ ধৰা পৰাত উন্নত চিকিৎসাৰ বাবে জি এম চি এইছলৈ প্ৰেৰণ কৰে যদিও যোৱা ১৫ জুনত তেওঁৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ তৃতীয় ষাণ্মাসিকত অধ্যয়নৰত পুত্ৰ-কন্যাক এৰি যায়। আনহাতে, যোৱা ২২ মে'ত ক'ভিড আক্ৰান্ত হৈ সৰু ভ্ৰাতৃ দীপক দাসৰ মৃত্যু হৈছিল। মৃত্যুৰ সময়ত দীপক দাসেও পত্নীসহ কন্যাক এৰি যায়। ইফালে, কনিষ্ঠ পুত্ৰ দীপক দাসৰ মৃত্যুৰ পাছত পুত্ৰ শোকত ম্ৰিয়মাণ বৃদ্ধ পিতৃ বিষ্ণুৰাম দাসেও ইহ সংসাৰ ত্যাগ কৰে। সম্প্ৰতি এক শোকাকুল পৰিৱেশৰ মাজতে দুখীয়া পৰিয়ালটোৰ সদস্যসকল দিশহাৰা হৈ পৰিছে। এনে সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সহায় ভিক্ষা বিচাৰিছে পৰিয়ালটোৰ সদস্যই।

# দোতমাত ক'ভিড নিয়ম ভংগ কৰি অৰুণোদয় আঁচনি বাছনিৰ বাবে ভিৰ



**অগ্ৰদূত বাৰ্তা**

**ফকিৰাগ্ৰাম/দোতমা, ১৭ জুন ঃ** ক'ভিড নিয়ন্ত্ৰণৰ বাবে চৰকাৰে বিভিন্ন ধৰণৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে যদিও এই নীতি-নিৰ্দেশনা ভংগ কৰি আজি অৰুণোদয় আঁচনি বাছনি কৰাৰ বাবে সভা অনুষ্ঠিত কৰিছে। আজি কোকৰাঝাৰ জিলাৰ দোতমা উন্নয়ন খণ্ডৰ অন্তৰ্গত ২৫ খন ভিচিডিচিৰ চেয়াৰমেনৰ লগতে ভিচিডিচিৰ গাঁওসমূহৰ গাঁওবুঢ়াৰ উপৰি লাট মণ্ডল, সুলভ মূল্যৰ দোকানী, অংগনৱাড়ী কৰ্মী, আশা ছুপাৰভাইজাৰ, এএনএম আদিৰ উপৰি ভিচিডিচিৰ জিআৰএছ সকলো উপস্থিত থাকি ক'ভিড নিয়ম ভংগ কৰি অৰুণোদয় আঁচনিৰ হিতাধিকাৰী বাছনি কৰে। উল্লেখ্য যে যি সময়ত ক'ভিড নিয়ন্ত্ৰণ কৰিবলৈ চৰকাৰে সান্ধ্য আইনৰ দৰে কঠোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে তেনে সময়ত দোতমা উন্নয়ন খণ্ডত এনে জনসমাগম সৃষ্টি কৰাত ৰাইজে আশ্চৰ্য প্ৰকাশ কৰিছে।

# ক্ষুদ্ৰ সঞ্চয় অভিকৰ্তা সংঘৰ ক'ভিড সজাগতা অনুষ্ঠান

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৭ জুন ঃ** নগাঁও জিলা ক্ষুদ্ৰ সঞ্চয় অভিকৰ্তা সংঘই প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আজি এক ক'ভিড সজাগতা অনুষ্ঠান অনুষ্ঠিত কৰে। নগাঁও মুখ্য ডাকঘৰৰ চৌহদত অনুষ্ঠিত এই সজাগতা অনুষ্ঠানত অংশগ্ৰহণ কৰি নগাঁও ডাক সংমণ্ডলৰ অধীক্ষক দেবাশীষ গোস্বামীয়ে ক'ভিডৰ দ্বিতীয় লহৰে সৃষ্টি কৰা পৰিস্থিতি আৰু ভয়াৱহ দিশসমূহৰ বিষয়ে উল্লেখ কৰি কয় যে এই সময়ত আমি সকলোৱে চৰকাৰে ঘোষণা কৰা ক'ভিড নিয়ম মানি চলিব লাগিব। সামাজিক দূৰত্ব, মাস্ক পৰিধান কৰা আদি ক্ষেত্ৰত ৰাইজক অধিক সচেতন কৰি তুলিব লাগিব। সজাগতাইহে ক'ভিড প্ৰতিৰোধৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভুমিকা ল'ব পাৰে। উক্ত অনুষ্ঠানত সহকাৰী অধীক্ষক প্ৰকাশ কাটোৱাল, পোষ্টমাষ্টৰ তৰুণ চন্দ্ৰ বৰা, সংঘৰ জিলা সভাপতি নুৰুল ইমান, সম্পাদক অৰূপ কুমাৰ ফুকন, কোষাধ্যক্ষ ইয়াকুব হাজৰিকা, প্ৰচাৰ সম্পাদক লিটন দত্ত, সদস্যা পল্লবী বৰাই অংশগ্ৰহণ কৰে। উল্লেখ্য যে ৰাষ্ট্ৰীয় ক্ষুদ্ৰ সঞ্চয় অভিকৰ্তা সংঘৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি সংঘৰ নগাঁও জিলা শাখাই ক'ভিড প্ৰট'কল মানি সজাগতা অনুষ্ঠান অনুষ্ঠিত কৰে। সংঘৰ তৰফৰ পৰা নগাঁৱৰ প্ৰধান ডাকঘৰৰ বিষয়া-কৰ্মচাৰী আৰু গ্ৰাহকক মাস্ক বিতৰণ কৰা হয়।

# ভাওৰাগুৰিত বান-প্ৰাকৃতিক দুৰ্যোগ সন্দৰ্ভত সভা

**অগ্ৰদূত বাৰ্তা**

**দোতমা/ফকিৰাগ্ৰাম/গোসাঁইগাঁও, ১৭ জুন ঃ** কোকৰাঝাৰ জিলাৰ অন্তৰ্গত ভাওৰাগুৰিত ভাওৰাগুৰি ৰাজহ চক্ৰৰ সভাকক্ষত দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ উদ্যোগত সকলো বিভাগৰ বিষয়াক লৈ এখন সভা অনুষ্ঠিত হয়। উক্ত সভাত ক'ভিড-১৯, বানপানী আৰু প্ৰাকৃতিক দুৰ্যোগ সন্দৰ্ভত বিভিন্ন বিভাগৰ বিষয়াসকলৰ লগত আলোচনা কৰে ভাওৰাগুৰি ৰাজহ চক্ৰৰ বিষয়া চৈতালী দত্তই। তেওঁ সকলো বিভাগৰ বিষয়াসকলক সজাগ আৰু সচেতন হৈ থাকিবলৈ আহ্বান জনায়। উক্ত সভাত উপস্থিত থাকে ভাওৰাগুৰি ৰাজহ চক্ৰৰ বিষয়া, জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগৰ বিষয়া, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ বিষয়া, কৃষি বিভাগৰ বিষয়া, জলসিঞ্চন বিভাগৰ বিষয়া, গড়কাপ্তানী বিভাগৰ বিষয়া, হস্ততাঁত বস্ত্ৰশিল্প বিভাগৰ বিষয়া, ৰেচম পলু বিভাগৰ বিষয়া, শিক্ষা বিভাগৰ বিষয়া, অগ্নিনিৰ্বাপক আৰু আপাদকালীন বিভাগৰ বিষয়া।

ফকিৰাগ্ৰাম বিদ্যুৎ বিভাগৰ মইমতালি

# চিথিলাৰ মিস্ত্ৰিপাৰা, মাজেৰগাঁৱত বিদ্যুৎ সংযোগ বিচ্ছিন্ন

**অগ্ৰদূত বাৰ্তা**

**দোতমা/চিথিলা, ১৭ জুন ঃ** কোকৰাঝাৰ জিলাৰ অন্তৰ্গত চিথিলাৰ মিস্ত্ৰিপাৰা, মাজেৰগাঁও আদি গাঁৱত বিদ্যুৎ সংযোগ বিচ্ছিন্ন কৰিছে বিদ্যুৎ বিভাগে। যোৱা এসপ্তাহ ধৰি বিদ্যুৎ সংযোগ বিচ্ছিন্ন হৈ আছে উক্ত অঞ্চলকেইটাত। আজি গাঁওবাসীয়ে কয় যে বিদ্যুৎ বিভাগৰ এনে মইমতালিক কোনোভাৱেই প্ৰশ্ৰয় দিয়া নহ'ব। গাঁওবাসীয়ে কয় যে যিসকল গ্ৰাহকে বিদ্যুৎ মাচুল আদায় দিয়া নাই, সেইসকলৰহে বিদ্যুৎ সংযোগ বিচ্ছিন্ন কৰাব লাগিব যদিও মাচুল আদায় দিয়া লোকসকলৰ বিদ্যুৎ সংযোগ বিচ্ছিন্ন কৰা কাৰ্যক বিদ্যুৎ বিভাগৰ মইমতালিৰ বাহিৰে একো নহয়। গাঁওবাসীয়ে পুনৰ জনায় যে যদি আজি-কালিৰ ভিতৰতে বিদ্যুৎ মাচুল আদায় দিয়া লোকসকলৰ বিদ্যুৎ সংযোগ কৰা নহয়, তেন্তে বিদ্যুৎ বিভাগৰ লগতে জিলা উপায়ুক্তৰ কাৰ্যালয়ত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰিব। গ্ৰাহকসকলে পুনৰ কয় যে মহামাৰী কৰ'না ভাইৰাছে বহু লোকক আৰ্থিক সংকটত পেলোৱা সময়তে বিদ্যুৎ বিভাগে নিজৰ ইচ্ছামতে, বিদ্যুৎ সংযোগ বিচ্ছিন্ন কৰা কাৰ্যক বিভাগটোৱে দায়িত্বহীনতাৰ পৰিচয় দিছে।

# অৱসৰপ্ৰাপ্ত কৰ্মচাৰী শৰৎ চন্দ্ৰ বৰ্মনৰ বিয়োগ

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ১৭ জুন ঃ** বঙাইগাঁও চহৰৰ বৰপাৰা পাহাৰতলী নিবাসী তথা বঙাইগাঁও পৌৰসভাৰ ২১ নম্বৰ ৱাৰ্ডৰ বাসিন্দা, প্ৰাক্তন শিক্ষক আৰু বি আৰ পি এলৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা বঙাইগাঁৱৰ দুই সাংবাদিক উত্তম কুমাৰ বৰ্মন আৰু তৰুণ চন্দ্ৰ বৰ্মনৰ পিতৃ শৰৎ চন্দ্ৰ বৰ্মন (৮০)ৰ আজি নিজ বাসভৱনত পুৱা সাত বজাত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। দীৰ্ঘদিন ধৰি তেও বিভিন্ন ৰোগত ভুগি থকাৰ লগতে চিকিৎসা গ্ৰহণ কৰি আছিল। উল্লেখ্য যে বৰ্মন বঙাইগাঁও জিলাৰ নাৰকাৰগাঁও হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আছিল। তাৰ পাছত তেওঁ ঢালিগাঁও হাইস্কুলত শিক্ষকতা কৰে। ইয়াৰ পাছতে অসম চৰকাৰৰ গড়কাপ্তানী বিভাগৰ উচ্চ বৰ্গৰ সহায়ক চাকৰি কৰাৰ পাছত উক্ত চাকৰি ইস্তফা দি বি আৰ পি এলৰ চাকৰিত যোগদান কৰে। মৃত্যুৰ সময়ত দুজন পুত্ৰ, এগৰাকী কন্যা এৰি যায়।

# নগাঁৱত অবৈধ কাঠফলা কল জব্দ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৭ জুন ঃ** নগাঁও বন বিভাগে আজি জিলাখনৰ দক্ষিণ খাটোৱালত অভিযান চলাই এটা অবৈধ কাঠ ফলা কল জব্দ কৰে। বন বিভাগে দক্ষিণ খাটোৱালৰ মতিবুৰ ৰহমানৰ ঘৰৰ পৰা অবৈধ কাঠ ফলা মিলটো জব্দ কৰে। বনৰক্ষীৰ দল যোৱা গম পাই মতিবুৰে পলায়ন কৰে। উল্লেখ্য যে মতিবুৰে দীৰ্ঘদিন ধৰি চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছিল।

# গোসাঁইগাঁৱৰ ভাওৰাগুৰিত চুৰি

**অগ্ৰদূত বাৰ্তা**

**ফকিৰাগ্ৰাম, ১৭ জুন ঃ** কোকৰাঝাৰ জিলাৰ অন্তৰ্গত ভাওৰাগুৰিৰ পুৰণি গৰুবজাৰত যোৱা নিশা চুৰিকাণ্ড সংঘটিত হয়। সান্ধ্য আইনৰ সুযোগ লৈ নিশাৰ ভাগত চোৰে লুটি নিলে ৫০ হেজাৰ টকাৰ সামগ্ৰী। ভাওৰাগুৰিৰ পুৰণি গৰু বজাৰৰ মুছতাফিজুৰ ৰহমানৰ মটৰ চাইকেল গেৰেজত সংঘটিত হৈছে এই চুৰিকাণ্ড।

# ভাওৰাগুৰি স্বাস্থ্য কেন্দ্ৰ পৰিদৰ্শন বিটিআৰৰ কাৰ্যবাহী সদস্যৰ

**অগ্ৰদূত বাৰ্তা**

**দোতমা/ফকিৰাগ্ৰাম, ১৭ জুন ঃ** গোসাঁইগাঁও মহকুমাৰ ভাওৰাগুৰি ভিচিডিচিৰ কাৰ্যালয়ত আকস্মিক ভ্ৰমণ বিটিআৰৰ কাৰ্যবাহী সদস্য ৰেওৱেয়া নাজীহাৰীৰ। ভিচিডিচিৰ কাৰ্যালয়ত উপস্থিত হৈ কাৰ্যকৰ্তাসকলৰ লগত মত বিনিময় কৰি কাৰ্যালয়টোৰ পৰিস্থিতিৰ বুজ লৈ ভাওৰাগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ পৰিদৰ্শন কৰি স্বাস্থ্য কেন্দ্ৰটোৰ সমস্যাৰ বুজ লয়। ভাওৰাগুৰিৰ হৈ ৩০খন বিছনাযুক্ত চিকিৎসালয়খনৰ চিকিৎসকৰ অবাৰৰ পৰা আৰম্ভ কৰি চিকিৎসালয়খনৰ বহু সমস্যা আছে। চিকিৎসালয়খনৰ পৰিকাঠামোৰ সমস্যাৰ লগতে চিকিৎসকৰ সমস্যাসমূহৰ বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ স'তে আলোচনা কৰি সমাধান কৰাৰ আশ্বাস দিয়ে। তেওঁক এই পৰিদৰ্শনত সংগ দিয়ে ভাওৰাগুৰি ভিচিডিচিৰ চেয়াৰমেন পাৰ্থ পালে।



বৰাগাৰিত ক'ভিড পৰীক্ষা-প্ৰতিষেধক প্ৰদান

# প্ৰতিষেধক ল'বলৈ এজনো নাহিল বৰাগাৰি গাঁৱত

**অগ্ৰদূত বাৰ্তা**

**দোতমা/ফকিৰাগ্ৰাম/চিথিলা, ১৭ জুন ঃ** ৰাজ্যৰ চহৰবোৰৰ লগতে গ্ৰামাঞ্চলতো ক'ভিডে সংহাৰী ৰূপ ধাৰণ কৰিছে। তাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে গ্ৰামাঞ্চলত ক'ভিড প্ৰতিষেধক প্ৰদান কৰাৰ লগতে ক'ভিড পৰীক্ষা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। সেইমৰ্মে দোতমা অঞ্চলৰ ভিন্ন গ্ৰামাঞ্চলত ১৮ৰ ঊৰ্ধ্বৰ আৰু ৪৫ ঊৰ্ধ্বৰ ব্যক্তিক ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হৈছে। সমান্তৰালকৈ আজি কোকৰাঝাৰ জিলাৰ দোতমা স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত চিথিলা ৰাজহুৱা প্ৰেক্ষাগৃহত ক'ভিড আৰটিপিচিআৰ টেষ্ট কৰাৰ ব্যৱস্থা কৰে স্বাস্থ্য বিভাগে। আজি বৰাগাৰি প্ৰাথমিক স্কুলত ৪৫ বছৰৰ ঊৰ্ধ্বৰ ব্যক্তিক ক'ভিড প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থা কৰা হয়। কিন্তু তাত থকা স্বাস্থ্য বিভাগৰ কৰ্মচাৰী এজনে সংবাদ মাধ্যমক জনোৱা অনুসৰি পুৱাৰ পৰা উক্ত বৰাগাৰি গাঁওখনৰ এজনো লোক প্ৰতিষেধক ল'বলৈ আগবাঢ়ি নাহিল। গাঁওখনৰ গাঁওবুঢ়াই সদৰী কৰা মতে, তেওঁ ৰাইজক প্ৰতিষেধক সম্পৰ্কে সজাগ কৰিছিল যদিও কোনো আগবাঢ়ি নাহিল।




পেট্ৰ'ল-ডিজেলৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ, নলবাৰীত বৃহস্পতিবাৰে।

# ড্ৰাগছৰ বিৰুদ্ধে ৰাজ্যত অভিযান অব্যাহত

## বিভিন্ন স্থানৰ পৰা গ্ৰেপ্তাৰ অধিবক্তাসহ কে'বাজনো সৰবৰাহকাৰী

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/হাজো/দুলীয়াজান/লাহৰীঘাট, ১৭ জুন ঃ** নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে অসম আৰক্ষীৰ অভিযান অব্যাহত আছে। যোৱা নিশাৰে পৰা ৰাজ্যখনৰ বিভিন্ন স্থানত চলোৱা ড্ৰাগছ বিৰোধী অভিযানত আৰক্ষীয়ে এজন অধিবক্তাসহ প্ৰায় ছজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ লগতে আৰক্ষীয়ে জব্দ কৰিছে বৃহৎ পৰিমাণৰ ড্ৰাগছ।

নগাঁও জিলাৰ পুৰণিগুদাম আৰক্ষী চকীৰ অন্তৰ্গত হায়ংথলত কিছুদিনৰ পূৰ্বে বৃহৎ পৰিমাণৰ নিচাযুক্ত দ্ৰব্যৰ লগত তিনিজন সৰবৰাহকাৰীক কৰায়ত্ত কৰিছিল। যোৱা নিশাও পুৰণিগুদাম আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া বিৰদাও গয়াৰীৰ নেতৃত্বত আৰক্ষীৰ দল এটাই উক্ত ড্ৰাগছ সৰবৰাহৰ মূল অভিযুক্ত পংকজ বৰাক জিলাখনৰ ননৈৰ পৰা গ্ৰেপ্তাৰ কৰে। আজি বৰাক আদালতত হাজিৰ কৰাই পুৰণিগুদাম আৰক্ষীয়ে দুদিনৰ বাবে জিম্মাত লয়।

ইপিনে, তীৰ্থ নগৰী হাজোতো ড্ৰাগছ আৰু গাঞ্জাৰ বিৰুদ্ধে ব্যাপক অভিযান অব্যাহত আছে। যোৱা নিশা আৰক্ষীয়ে অঞ্চলটোৰ এজন দুৰ্ধৰ্ষ ড্ৰাগছ মাফিয়াক গ্ৰেপ্তাৰ কৰে। হাজো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বাবুল কুমাৰ মেধিৰ নেতৃত্বত যোৱা আৰক্ষীৰ দল এটাই হাজোৰ দলৈতোলাত অভিযান চলাই কুখ্যাত ড্ৰাগছ মাফিয়া ৰাজু আলীক নিজ গৃহৰ পৰাই কৰায়ত্ত কৰে। তেওঁৰ জিম্মাৰ পৰা আৰক্ষীয়ে ৬৫ টা হেৰ'ইন ভৰ্তি কণ্টেইনাৰ আৰু নগদ ২০ হেজাৰ টকা জব্দ কৰে। উল্লেখ্য যে আৰক্ষীৰ চকুত ধূলি দি ধৃ আলীয়ে দীৰ্ঘদিনৰ পৰা ৰাজ্যৰ বিভিন্ন স্থানত ড্ৰাগছৰ বেহা অব্যাহত ৰাখিছিল। সম্প্ৰতি তেওঁক জেৰা অব্যাহত ৰাখিছে।

ইফালে, দুলীয়াজান আৰক্ষীয়ে আজি দিনৰ ভাগত অভিযান চলাই দুলীয়াজানৰ টিপলিং কৃষ্ণনগৰৰ পৰা এজন যুৱকক ড্ৰাগছ ব্যৱসায়ৰ অভিযোগত গ্ৰেপ্তাৰ কৰে। ধৃত ঔম প্ৰকাশ বৰুৱা (২২) নামৰ যুৱকজনৰ ভিত্তিত আৰক্ষীয়ে তিনিচুকীয়া জিলাৰ ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত বঙালী বালিজান গাঁৱৰ সত্যেন্দ্ৰ বৰুৱা (৩৩) আৰু মাকুম বৰতৰণী গাঁৱৰ বিতোপন মৰাণ (২৫) নামৰ আন দুজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে ধৃত সত্যেন্দ্ৰ পেছাত অধিবক্তা। আৰক্ষীয়ে তিনিওজনৰ জিম্মাৰ পৰা বুজন পৰিমাণৰ ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয়। ইতিমধ্যে তিনিওজনকে ডিব্ৰুগড় আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে।

ইপিনে, লাহৰীঘাট আৰক্ষীয়েও আজি ড্ৰাগছ সহ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। আটকাধীন চোৰাং সৰবৰাহকাৰীজন হৈছে হুছেইন আলী (৩২)। লাহৰীঘাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অডিট বড়াৰ নেতৃত্বত যোৱা আৰক্ষীৰ দল এটাই আৰক্ষী থানাখনৰ অন্তৰ্গত নৰামাৰী গাঁৱৰ পৰা উক্ত সৰবৰাহকাৰীজনক কৰায়ত্ত কৰাৰ লগতে তেওঁৰ জিম্মাৰ পৰা ৩৫টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ আৰু নগদ ৫৪ হেজাৰ টকা জব্দ কৰে। সম্প্ৰতি ধৃত লোকজনক জেৰা কৰি তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে।

# যমুনামুখত জন স্বাস্থ্য কাৰিকৰী বিভাগৰ পাইপ চুৰি ঃ ধৃত তিনি

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ১৭ জুন ঃ** যোৱা নিশা হোজাই জিলাৰ যমুনামুখ আৰক্ষীয়ে পাইপ চুৰিৰ অভিযোগত তিনি যুৱকক গ্ৰেপ্তাৰ কৰে। যমুনামুখ আৰক্ষী থানাৰ অন্তৰ্গত কঁহাৰ গাঁৱত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ এখন পানী যোগান আঁচনিৰ পাইপ লাইনৰ কাম নতুনকৈ আৰম্ভ হৈছে। সেই সূত্ৰে এই কামৰ ঠিকা লাভ কৰা ঠিকাদাৰজনে প্ৰয়োজনীয় পাইপসমূহ আনি গাঁওখনৰে এঘৰত মজুত কৰি ৰাখিছিল। কিন্তু মজুত কৰি ৰখা পাইপৰ মাজৰ পৰা ৰহস্যজনকভাৱে দুদিন পূৰ্বে ৪০ ডালৰো অধিক পাইপ চুৰি হয়। ঘটনাৰ সন্দৰ্ভত ঠিকাদাৰজনে যমুনামুখ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে এক গোচৰ পঞ্জীয়ন কৰি তদন্ত অব্যাহত ৰখাৰ সময়তে যোৱা নিশা আৰক্ষীয়ে পাইপ চুৰিৰ অভিযোগত ভৃগু বৰা (৩০), জিতুমণি বৰা (২৬) আৰু লখি বৰা (৩০)ক গ্ৰেপ্তাৰ কৰে। ধৃত চোৰ তিনিজনৰ ঘৰ যমুনামুখৰ কঁহাৰ গাঁৱত। আজি আৰক্ষীয়ে তিনিজনক আদালতত হাজিৰ কৰোৱাত আদালতে তেওঁলোকক জেল হাজোতলৈ প্ৰেৰণ কৰে। উল্লেখ্য যে ধৃত চোৰকেইজন যমুনামুখত ইয়াৰ পূৰ্বে সংঘটিত হোৱা কে'বাটাও চুৰি কাৰ্যৰ স'তে জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে।



### প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপ ঃ টীম ইণ্ডিয়াৰ একাদশত দুই স্পীনাৰ, তিনি পেচাৰ

# আজিৰে পৰা ভাৰত-নিউজিলেণ্ডৰ ফাইনেল



**লণ্ডন, ১৭ জুন ঃ** ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন কাইলৈৰ পৰা আৰম্ভ হ'ব। উল্লেখ্য যে টেষ্ট ক্ৰিকেটত বিশ্ব শ্ৰেষ্ঠ কোন? প্ৰথমবাৰৰ বাবে সেয়া নিৰ্ণয় হ'ব বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলৰ জড়িয়তে। ইয়াৰপূৰ্বে আই চি চিয়ে বৰ্ষ সমাপ্তিত টেষ্ট ৰেংকিঙৰ শীৰ্ষত থকা দলকটোক শ্ৰেষ্ঠৰূপে নিৰ্বাচিত কৰি ট্ৰফী প্ৰদান কৰিছিল। কিন্তু যোৱা দুবছৰত প্ৰতিটো দলকে টেষ্ট শৃংখলা খেলাৰ সুযোগ দিয়াৰ লগতে পইণ্টৰ ব্যৱস্থা কৰা হয় তথা ভাৰত আৰু নিউজিলেণ্ড দলে শীৰ্ষস্থান লাভ কৰি ফাইনেল খেলাৰ সুযোগ পাইছে। উল্লেখ্য যে ভাৰতে ছটা শৃংখলাৰ পাঁচটা দখল কৰি ফাইনেলত উপনীত হৈছে। টীম ইণ্ডিয়াই বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ মুঠ 17 খন টেষ্টৰ 12 খনত জয়ী হোৱাৰ বিপৰীতে চাৰিখনত পৰাস্ত হোৱাৰ লগতে এখন ড্ৰ খেলিছে। আনহাতে, নিউজিলেণ্ডে 11 খন টেষ্টৰ সাতখনত জয়ী হোৱাৰ বিপৰীতে চাৰিখনত পৰাস্ত হয়। কিন্তু ফাইনেল খেলাৰ পূৰ্বে দলে ইংলণ্ডত অনুশীলন মেচ খেলাৰ সুযোগ নাপালে। বিপৰীতে নিউজিলেণ্ডে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলৰ পূৰ্বে ইংলণ্ডৰ বিৰুদ্ধে দুখনীয়া টেষ্টৰ এক শৃংখলা খেলে আৰু 1-0 ত সেয়া দখল কৰিছে। পৰিৱেশ বুজি উঠা নিউজিলেণ্ড দল সুসংঘঠিত লগতে দৃঢ়। বিপৰীতে দলীয় শক্তিৰে যুঁজ দিবলৈ সাজু টীম ইণ্ডিয়া। ইতিমধ্যে আজি ভাৰতে মূল একাদশ ঘোষনা কৰিছে। ভাৰতৰ হৈ ইনিংছ মুকলি কৰিব ৰোহিত শৰ্মা আৰু শুভমন গিলে। তিনি মিডল অৰ্ডাৰ বেটছমেন হ'ল অধিনায়ক বিৰাট কোহলি, চেতেশ্বৰ পূজাৰা আৰু অজিংক্য ৰাহানে (সহঃ অধিনায়ক)। উইকেট ৰক্ষকৰ দায়িত্বত থাকিব ঋষভ পণ্ট। স্পীনাৰৰ লগতে অলৰাউণ্ডাৰৰ ভূমিকা পালন কৰিব ৰবিচন্দ্ৰন অশ্বিন আৰু ৰবীন্দ্ৰ জাডেজাই। মূল একাদশত স্থান পোৱা তিনি পেচাৰ হ'ল যশপ্ৰীত বুমৰাহ, ঈশান্ত শৰ্মা, মহম্মদ ছামি। ইফালে, নিউজিলেণ্ডেও ইতিমধ্যে 15 জনীয়া দলটো ঘোষণা কৰিছে। কিন্তু মূল একাদশ কাইলৈ নিৰ্বাচন কৰিব। কিবি বাহিনীৰ 15 জনীয়া দলত আছে কেন উইলিয়ামছন, ব্লুন্দিল, বৌল্ট, ক'নৱে, গ্ৰেনঘ'মে, মাট হেনৰী, জামিছন, টম লাথাম, হেনৰী নিকলছ, আয়াজ পেটেল, টিম ছাউথী, ৰ'জ টেইলৰ, ৱাগনাৰ, ৱাটলিং আৰু ইয়ং।

## উইম্বলডন-অলিম্পিকৰ পৰা নাম প্ৰত্যাহাৰ ৰাফেল নাডালৰ



**মাদ্ৰিদ, ১৭ জুন ঃ** টেনিছ তাৰকা ৰাফেল নাডালে আসন্ন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডন আৰু টকিঅ' অলিম্পিকৰ পৰা নিজৰ নাম প্ৰত্যাহাৰ কৰিছে। আজি এই কথা ছ'ছিয়েল মিডিয়াযোগ্য ব্যক্ত কৰে নাডালে। উল্লেখ্য যে অহা 28 জুনৰ পৰা আৰম্ভ হ'ব গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডন। আনহাতে, অহা 23 জুলাইৰ পৰা আৰম্ভ হ'ব টকিঅ' অলিম্পিক। উল্লেখ্য যে সদ্য সমাপ্ত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনত ছেমিফাইনেলত পৰাস্ত হৈছিল নাডাল। এখন আকৰ্ষনীয় ছেমিফাইনেলত ৰাফেল নাডালৰ মুখামুখি হৈছিল ড ক'ভিচ। চাৰি ঘণ্টাৰ মেচখনত চাৰিটা ছেটৰ অন্তত ডক'ভিচে 3-6, 6-3, 7-6, 6-2 ৰ ব্যৱধানত জয়ী হৈ ফাইনেত স্থান নিশ্চিত কৰে। নাডালৰ অলিম্পিকত অংশ নলোৱাৰ সিদ্ধান্তই স্পেইনক হতাশ কৰিব। দুটা অলিম্পিক সোণৰ পদক আছে নাডালৰ নামত। 2008 ৰ বেইজিং অলিম্পিকত পুৰুষৰ একক শাখাৰ সোণ লাভ কৰা নাডালে যোৱা 2016 ৰ ৰিঅ' অলিম্পিকত ডাবলছৰ সোণ দখল কৰিছিল।

### আজিৰ খেল

ছুইডেন-শ্লভাকিয়া
নিশা ঃ ৬.৩০ বজাত
ক্ৰ'ৱেচিয়া-চেক গণৰাজ্য
নিশা ঃ ৯.৩০ বজাত
ইংলণ্ড-স্কটলেণ্ড
নিশা ঃ ১২.৩০ বজাত

চিলি-বলিভিয়া
নিশা ঃ ২.৩০ বজাত
আৰ্জেণ্টিনা-উৰুগুৱে
পুৱা ঃ ৫.৩০ বজাত
(১৯ জুন)

### ৩৯৬-৯ ৰাণত প্ৰথম ইনিংছ ঘোষণা ইংলণ্ডৰ

## ভাৰতৰ চমকপ্ৰদ আৰম্ভণি

**লণ্ডন, ১৭ জুন ঃ** ইংলণ্ড ভ্ৰমণলৈ যোৱা ভাৰতীয় মহিলা ক্ৰিকেট দলে ঘৰুৱা দলৰ বিৰুদ্ধে খেলা একমাত্ৰ টেষ্টখনত দৃঢ় আৰম্ভণি কৰিছে। উল্লেখ্য যে পোনতে বেটিং কৰা ইংলণ্ডে ন উইকেটত 396 ৰাণ কৰি প্ৰথম ইনিংছ ঘোষনা কৰে। দলৰ হৈ নাইটে 95, ছ'ফিয়াই 74 আৰু টেমিয়ে 66 ৰাণ কৰে। ভাৰতৰ হৈ স্নেহ ৰানাই চাৰিটা আৰু দিপ্তী শৰ্মাই তিনিটা উইকেট পায়। ইফালে, ভাৰতে আজি প্ৰথম ইনিংছ আৰম্ভ কৰি শ্বেফালিৰ (96] উইকেটতো হেৰুৱাই 177 ৰাণ কৰিছে। উইকেটত আছে মান্ধানা (76)। উল্লেখ্য যে দীৰ্ঘ বিৰতিৰ পাছত ভাৰতীয় মহিলা ক্ৰিকেট দলে টেষ্ট খেলিছে। উল্লেখ্য যে ইংলণ্ডত ভাৰতীয় মহিলা ক্ৰিকেট দলে এখন টেষ্ট খেলাৰ লগতে তিনিখন এদিনীয়া আৰু তিনিখন টি-20 মেচ খেলিব। এইবাৰ ভাৰতীয় মহিলা দলে ইংলণ্ডৰ লগতে অষ্ট্ৰেলিয়া ভ্ৰমণতো এখন টেষ্ট খেলিব। ভাৰতীয় মহিলা ক্ৰিকেট দলে পোন প্ৰথমবাৰৰ বাবে চলিত বৰ্ষতে দিবা-নৈশ টেষ্ট খেলিব। অষ্ট্ৰেলিয়া ভ্ৰমণলৈ যাব লগা ভাৰতীয় মহিলা ক্ৰিকেট দলে পাৰ্থত অহা 30 ছেপ্টেম্বৰৰ পৰা তিনি অক্টোবৰলৈ ঘৰুৱা দলৰ বিৰুদ্ধে দিবা-নৈশ টেষ্টখন খেলিব। অষ্ট্ৰেলিয়া ভ্ৰমণত ভাৰতীয় মহিলা ক্ৰিকেট দলে তিনিখন এদিনীয়া আৰু টি-20 মেচো খেলিব।



## আজিৰে পৰা দক্ষিণ আফ্ৰিকা-ৱেষ্ট ইণ্ডিজৰ দ্বিতীয়খন টেষ্ট

**ছেইণ্ট লুছিয়া, ১৭ জুন ঃ** দক্ষিণ আফ্ৰিকা আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ দুখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন টেষ্ট কাইলৈৰ পৰা আৰম্ভ হ'ব। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাই শৃংখলাৰ প্ৰথমখন টেষ্টত এক ইনিংছ আৰু 63 ৰাণত জয়লাভ কৰি 1-0 ত আগবাঢ়ি আছে। প্ৰথম টেষ্টখনত পোনতে বেটিং কৰা ৱেষ্ট ইণ্ডিজে মাত্ৰ 97 ৰাণতে প্ৰথম ইনিংছ সামৰে। ৱেষ্ট ইণ্ডিজৰ এই বিপৰ্যয়ৰ মূলতে হ'ল দক্ষিণ আফ্ৰিকাৰ পেচ বলাৰ এনগিনি আৰু নৰ্টজে। উল্লেখ্য যে এনগিনিয়ে পাঁচটা আৰু নৰ্টজে চাৰিটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই 322 ৰাণত প্ৰথম ইনিংছ সামৰি অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হয়। দলৰ হৈ ডিক'কে 141 ৰাণৰ শতকীয় ইনিংছ খেলে। আনহাতে, মাৰ্কৰামে 60 ৰাণ কৰাৰ বিপৰীতে কেৰিয়ান দলৰ হৈ জেছন হ'ল্ডাৰে লাভ কৰে চাৰিটা উইকেট। ইফালে, দ্বিতীয় ইনিংছ আৰম্ভ কৰি ৱেষ্ট ইণ্ডিজে পুনৰ বেটিং বিপৰ্যয়ৰ সন্মুখীন হয়। দলে 162 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। চেচে 62 ৰাণ কৰাৰ বিপৰীতে ৰাবাডাই পাঁচটা উকেট দখল কৰে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাই দুখন টেষ্ট আৰু পাঁচখন টি-20 মেচ খেলিবলৈ ৱেষ্ট ইণ্ডিজ ভ্ৰমণ কৰিছে। দ্বিতীয় টেষ্টৰ সামৰণিৰ পাছত দক্ষিণ আফ্ৰিকা আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ পাঁচখন টি-20 মেচ অহা 26 জুনৰ পৰা তিনি জুলাইলৈ অনুষ্ঠিত হ'ব।

## ইউৰ' কাপৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেললৈ যোগ্যতা ইটালী-ৱেলছৰ



**ৰোম, ১৭ জুন ঃ** চাৰিবাৰৰ ফিফা বিশ্বকাপৰ চেম্পিয়ন ইটালীয়ে 16 সংখ্যক ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত ক্ৰমাগত দ্বিতীয়খন গ্ৰুপ মেচত জয়লাভ কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ইটালীৰ লগতে গ্ৰুপ 'এ'ৰ পৰা নকআউট ৰাউণ্ডলৈ যোৱা আনটো দল হ'ল ৱেলছ। বিপৰীতে এই গ্ৰুপৰ পৰা তুৰস্কৰ বিদায় নিশ্চিত হৈছে। কিন্তু ক্ষীন আশা আছে ছুইজাৰলেণ্ডৰ। উল্লেখ্য যে ইটালীয়ে জয়ৰে ইউৰো কাপত নিজৰ অভিযান আৰম্ভ কৰাৰ পাছত যোৱানিশা দলে গ্ৰুপ লীগৰ দ্বিতীয় মেচখন খেলে ছুইজাৰলেণ্ডৰ বিৰুদ্ধে। 3-0 গ'লৰ ব্যৱধানত জয়ী হৈ ছয় পইণ্টৰে 'এ' গ্ৰুপৰ শীৰ্ষ দলৰূপে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। ইটালীৰ হৈ ল'কাতেলীয়ে (26, 52 মিনিট) দুটা গ'ল কৰাৰ লগতে তৃতীয়টো গ'ল কৰে ইম'বিলিয়ে (89 মিনিট)। উল্লেখ্য যে ইয়াৰপূৰ্বে অনুষ্ঠিত হোৱা গ্ৰুপ 'এ'ৰ প্ৰথম তথা প্ৰতিযোগিতাৰ উদ্বোধনী মেচত ইটালীয়ে 3-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল তুৰস্কক। খেলৰ প্ৰথমাৰ্ধত কোনো গ'ল হোৱা নাছিল যদিও 53 মিনিটত তুৰস্কই এটা আত্মঘাটী গ'ল হজম কৰে। আনহাতে, 66 মিনিটত ইটালীৰ হৈ কিৰোই গ'ল কৰি দলক 2-0 ৰ অগ্ৰগতি দিয়াৰ পাছত 79 মিনিটত লৰেঞ্জোই গ'ল কৰি ইটালীৰ বিজয় নিশ্চিত কৰে। উল্লেখ্য যে ইটালীয়ে চাৰিবাৰ ফিফা বিশ্বকাপৰ খিতাপ লাভ কৰিছে যদিও ইউৰো কাপৰ খিতাপ (1968) এবাৰেই দখল কৰিছে। ইফালে, ছুইজাৰলেণ্ডে প্ৰথম মেচত ৱেলছৰ লগত 1-1 গ'লত ড্ৰ খেলি পইণ্ট ভগাই লয়। উল্লেখ্য যে গ্ৰুপ 'এ'ৰ মেচখনত খেলৰ প্ৰথমাৰ্ধত কোনো দলে গ'ল কৰিব পৰা নাছিল যদিও দ্বিতীয়াৰ্ধ আৰম্ভ হোৱাৰ চাৰি মিনিট পাছতে সফলতা লাভ কৰে ছুইজাৰলেণ্ডে। খেলৰ 49 মিনিটত ছুইজাৰলেণ্ডৰ হৈ ইমবোলোই গ'ল কৰি 1-0 ৰ অগ্ৰগতি লাভ কৰে। কিন্তু দলে সেয়া ধৰি ৰাখিব নোৱাৰিলে। খেলৰ 74 মিনিটত মুৰে গ'ল কৰি ৱেলছক মেচলৈ প্ৰত্যাৱৰ্তন কৰায় আৰু খেল ড্ৰ কৰিবলৈ সক্ষম হয়। ইটালীয়ে পৰবৰ্তী মেচ খেলিব ৱেলছৰ বিৰুদ্ধে। কিন্তু উভয় দলৰ নকআউটলৈ যোগ্যতা নিশ্চিত হোৱাত মেচ কাৰ্যতঃ গুৰুত্বহীন। আনহাতে, ছুইজাৰলেণ্ডে গ্ৰুপৰ অন্তিম মেচ খেলিব তুৰস্কৰ লগত। তুৰস্কৰ বিদায় নিশ্চিত হৈছে যদিও এক পইণ্ট লাভ কৰা ছুইজাৰলেণ্ডে এই মেচত জয়ী হ'লে নকআউট ৰাউণ্ডলৈ যোৱাৰ ক্ষীন আশা থাকিব।

## আজি শ্ল'ভাকিয়াৰ মুখামুখি হ'ব ছুইডেন

**ছেইণ্ট পীটাৰ্ছবাৰ্গ, ১৭ জুন ঃ** চলিত 16 সংখ্যক ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত কাইলৈ হ'বলগা গ্ৰুপ 'ই'ৰ এখন মেচত শ্ল'ভাকিয়াই খেলিব ছুইডেনৰ বিৰুদ্ধে। উভয় দলৰ এয়া গ্ৰুপৰ দ্বিতীয় মেচ। প্ৰথম মেচত শ্ল'ভাকিয়াই জয়লাভ কৰাৰ বিপৰীতে ছুইডেনে ড্ৰ খেলিছিল। উল্লেখ্য যে শ্ল'ভাকিয়াই ছেইণ্ট পীটাৰ্ছবাৰ্গত অনুষ্ঠিত গ্ৰুপ 'ই'ৰ প্ৰথম মেচত পোলেণ্ডক 1-2 গ'লত পৰাস্ত কৰি তিনি পইণ্ট লয়। খেলৰ 18 মিনিটতে গ'লৰক্ষক ছজজেছনিৰ ভুলৰ বাবে আত্মঘাটি গ'ল হজম কৰে পোলেণ্ডে। বিৰতিলৈ শ্ল'ভাকিয়া 1-0 ত আগুৱাই থাকে যদিও 46 মিনিটত পোলেণ্ডৰ লিনেটিয়ে গ'ল কৰি মেচত 1-1 ত সমতা স্থাপন কৰে। কিন্তু 62 মিনিটত পোলেণ্ডৰ ক্ৰিচ'ৱিকক ৰঙা কাৰ্ড দিয়াত দলে 10 জনৰে খেলিব লগা হয়। ইয়াৰ সুযোগ লৈয়ে 64 মিনিটত স্কিনিয়াৰে বিজয়সুচক গ'লটো কৰি শ্ল'ভাকিয়াক তিনি পইণ্ট সংগ্ৰহত গুৰুত্বপূৰ্ণ ভূমিকা লয়। ইফালে, পূৰ্বৰ বিশ্ব চেম্পিয়ন তথা ইউৰোৰ খিতাপ লাভ কৰা স্পেইনৰ বিৰুদ্ধে ড্ৰ খেলি প্ৰতিযোগিতাত নিজৰ অভিযান আৰম্ভ



## জয়ৰ ধাৰা অব্যাহত ৰাখিব ইংলণ্ডে



**লণ্ডন, ১৭ জুন ঃ** ইংলণ্ডে চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত জয়ৰে অভিযান আৰম্ভ কৰাৰ পাছত কাইলৈ ৱেম্বলি ষ্টেডিয়ামত হ'বলগা গ্ৰুপ 'ডি'ৰ নিজৰ দ্বিতীয় মেচত মুখামুখি হ'ব স্কটলেণ্ডৰ। উল্লেখ্য যে জয়ৰ ধাৰা অব্যাহত ৰাখি প্ৰথমখন দেওনা পাৰ কৰাৰ লক্ষ্য ইংলণ্ডৰ। কাইলৈৰ মেচত জয় মানেই ইংলণ্ডৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ নিশ্চিত। উল্লেখ্য যে ইয়াৰপূৰ্বে ৱেম্বলি ষ্টেডিয়ামত অনুষ্ঠিত হোৱা গ্ৰুপ 'ডি'ৰ প্ৰথমখন মেচত ইংলণ্ডে একমাত্ৰ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ক্ৰ'ৱেছিয়াক। মেচখনত খেলৰ প্ৰথমাৰ্ধ গ'লশূন্য হোৱাৰ পাছত 57 মিনিটত ইংলণ্ডৰ হৈ বিজয়সুচক গ'লটো দিয়ে ষ্টাৰলিঙে। উল্লেখ্য যে ইংলণ্ডে ইউৰো কাপ লাভ কৰিবলৈ সক্ষম হোৱা নাই। কিন্তু বিগত ৰাছিয়া ফিফা বিশ্বকাপত দলে ছেমিফাইনেল খেলি চমক সৃষ্টি কৰিছিল। এইবাৰ ইউৰোত সেই চমক পুনৰ প্ৰতিফলিত কৰাৰ লক্ষ্য দলৰ। ইফালে, স্কটলেণ্ডৰ বাবে কাইলৈৰ মেচ অতি গুৰুত্বপূৰ্ণ। প্ৰথম মেচত স্কটলেণ্ড 2-0 গ'লত পৰাস্ত হৈছে চেক গনৰাজ্যৰ বিৰুদ্ধে।

## দৃঢ় চেক গণৰাজ্য, চাপত ক্ৰ'ৱেছিয়া



**গ্লাছগো, ১৭ জুন ঃ** বিগত ফিফা বিশ্বকাপৰ ৰাণাৰ্ছআপ ক্ৰ'ৱেছিয়াই কাইলৈ চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত নিজৰ দ্বিতীয় মেচখন খেলিব। দলৰ প্ৰতিদ্বন্দী হ'ল চেকগণৰাজ্য। উল্লেখ্য যে ক্ৰ'ৱেছিয়াৰ বাবে এই মেচ মৰণপণ সদৃস। কাৰণ গ্ৰুপ 'ডি'ৰ প্ৰথম মেচত ইংলণ্ডে একমাত্ৰ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ক্ৰ'ৱেছিয়াক। মেচখনত খেলৰ প্ৰথমাৰ্ধ গ'লশূন্য হোৱাৰ পাছত 57 মিনিটত ইংলণ্ডৰ হৈ বিজয়সুচক গ'লটো দিয়ে ষ্টাৰলিঙে। কাইলৈ যদি ক্ৰ'ৱেছিয়াই তিনি পইণ্ট ল'ব নোৱাৰে তেন্তে দলৰ অভিযান গ্ৰুপতে সমাপ্ত হ'ব। ইফালে, প্ৰথম মেচত জয়ৰে আত্মবিশ্বাসী চেক গণৰাজ্য। পেটৰিকৰ দুটা গ'লৰ সহায়ত প্ৰতিযোগিতাত নিজৰ প্ৰথম মেচত চেক গণৰাজ্যই 2-0 গ'লত পৰাস্ত কৰিছিল স্কটলেণ্ডক। উল্লেখ্য যে খেলৰ 42 মিনিটত পেটৰিকে প্ৰথমটো গ'ল কৰি চেক গণৰাজ্যক বিৰতিলৈ 1-0 ত আগুৱাই ৰাখে। আনহাতে, খেলৰ 52 মিনিটত পেটৰিকে দলৰ হৈ দ্বিতীয়টো গ'ল কৰে। এই জয়ৰে দলে পইণ্ট তালিকাৰ শীৰ্ষত উপনীত হয়। দলৰ লক্ষ্য কাইলৈৰ মেচত জয়ৰে নকআউটলৈ যোগ্যতা অৰ্জন কৰা।



টকিঅ' অলিম্পিক খেলিব লগা ভাৰতীয় মহিলা দলটো।

## ইউক্ৰেইনে বিদায় দিলে উত্তৰ মেচিড'নিয়াক

**বুচাৰেষ্ট, ১৬ জুন ঃ** চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত আজি অনুষ্ঠিত হোৱা প্ৰথমখন মেচত ইউক্ৰেইনে 2-1 গ'লত পৰাস্ত কৰে উত্তৰ মেছিড'নিয়াক। ইউক্ৰেইনৰ হৈ এন্দি (29 মিনিট) আৰু ৰ'মানে (34 মিনিট) প্ৰথমাৰ্ধতে গ'ল কৰাৰ পাছত উত্তৰ মেছিড'নিয়াৰ হৈ 57 মিনিটত একমাত্ৰ গ'লটো এলিছ'কিয়ে কৰে যদিও দলৰ পৰাজয় নিশ্চিত হয়। এই পৰাজয়ৰ পাছত উত্তৰ মেছিড'নিয়াৰ বিদায় নিশ্চিত হোৱাৰ বিপৰীতে ইউক্ৰেইনৰ আশা অন্তিম মেচলৈ আছে। উল্লেখ্য যে উভয় দলে প্ৰথম মেচত পৰাজয়ৰ সন্মুখীন হৈছিল। ইয়াৰপূৰ্বে বুচাৰেষ্টত হোৱা গ্ৰুপ 'চি'ৰ মেচত অষ্টিয়াই 3-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল উত্তৰ মেছিড'নিয়াক। উল্লেখ্য যে উত্তৰ মেছিড'নিয়াই এইবাৰ চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত অভিষেক কৰিছে। ইফালে, গ্ৰুপ 'চি'ৰ অন্য এখন মেচত নেদাৰলেণ্ডছে 3-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ইউক্ৰেইনক। এতিয়া ইউক্ৰেইনে অন্তিম মেচ খেলিব অষ্টিয়াৰ বিৰুদ্ধে। উভয় দলৰ বাবে সেই মেচ গুৰুত্বপূৰ্ণ হ'ব নকআউট যোগ্যতাৰ বাবে। আনহাতে, উত্তৰ মেছিড'নিয়া অন্তিম মেচত মুখামুখি হ'ব নেদাৰলেণ্ডছৰ।

## ইউৰ' কাপত প্ৰথমটো দল ৰূপে বিদায় ল'লে তুৰস্কই



**বাকু, ১৭ জুন ঃ** চলিত 16 সংখ্যক ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমটো দলৰূপে বিদায় নিশ্চিত হ'ল তুৰস্কৰ। উল্লেখ্য যে ক্ৰমাগত দুখন মেচত পৰাস্ত হোৱাৰ পাছত গ্ৰুপ 'এ'ৰ পৰা বিদায় লৈছে তুৰস্কই। অথচ দলে নিজৰ অন্তিম মেচখন এতিয়াও খেলিবলৈ বাকী আছে। যোৱানিশা অনুষ্ঠিত হোৱা মেচত ৱেলছৰ বিৰুদ্ধে 2-0 গ'লৰ ব্যৱধানত পৰাস্ত হয় তুৰস্ক। ৱেলছৰ হৈ গ'ল দিয়ে ৰামছি (42 মিনিট) আৰু ৰ'বাৰ্টছে (90 মিনিট)। এই জয়ৰ পাছত ৱেলছে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে ইয়াৰপূৰ্বে গ্ৰুপ 'এ'ৰ নিজৰ প্ৰথম মেচত গ'ল হজম কৰাৰ পাছতো শক্তিশালী প্ৰত্যাৱৰ্তন কৰি ছুইজাৰলেণ্ডৰ বিৰুদ্ধে মেচ ড্ৰ খেলিছিল গেৰেথ বেলেৰ দল ৱেলছে। মেচখনত খেলৰ প্ৰথমাৰ্ধত কোনো দলে গ'ল কৰিব পৰা নাছিল যদিও দ্বিতীয়াৰ্ধ আৰম্ভ হোৱাৰ চাৰি মিনিট পাছতে সফলতা লাভ কৰে ছুইজাৰলেণ্ডে। কিন্তু দলে সেয়া ধৰি ৰাখিব নোৱাৰিলে। খেলৰ 74 মিনিটত মুৰে গ'ল কৰি ৱেলছক মেচলৈ প্ৰত্যাৱৰ্তন কৰায় আৰু খেল ড্ৰ কৰিবলৈ সক্ষম হয়। ৱেলছে ছুইজাৰলেণ্ডৰ লগত 1-1 গ'লত ড্ৰ খেলি পইণ্ট ভগাই লয়। সেই মেচত এক পইণ্ট লাভ কৰা ৱেলছে যোৱানিশা জয়ৰে মুঠ চাৰি পইণ্ট সংগ্ৰহ কৰি নকআউট ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰে। বিপৰীতে প্ৰতিযোগিতাৰ উদ্বোধনী মেচত ইটালীৰ বিৰুদ্ধে 3-0 গ'লৰ ব্যৱধানত পৰাস্ত হয় তুৰস্ক। যোৱানিশাৰ মেচ তুৰস্কৰ বাবে মৰণপণ সদৃস আছিল। কিন্তু পৰাস্ত হোৱাত দলৰ বিদায় নিশ্চিত হয়। ৱেলছে পৰবৰ্তী মেচ খেলিব ইটালীৰ বিৰুদ্ধে। কিন্তু উভয় দলৰ নকআউটলৈ যোগ্যতা নিশ্চিত হোৱাত মেচ কাৰ্যতঃ গুৰুত্বহীন। আনহাতে, ছুইজাৰলেণ্ডৰ বিৰুদ্ধে গ্ৰুপৰ অন্তিম মেচ খেলিব তুৰস্কই। এক পইণ্ট লাভ কৰা ছুইজাৰলেণ্ডে এই মেচত জয়ী হ'লে নকআউট ৰাউণ্ডলৈ যোৱাৰ ক্ষীন আশা থাকিব। কিন্তু বিদায় লোৱা তুৰস্কৰ বাবে অন্তিম মেচ গুৰুত্বহীন।

## বিলাসনন্দন চ'ৰা



# কথা বেছি কাম কম

**কথা** কোৱা মানুহ দুবিধ আছে। এচামে জুখি-মাখি কথা কয়। এনেকৈ জোখ-মাখ কৰে যাতে জনাখিনি সম্পূৰ্ণকৈ ওলাই নাহে। অলপ অলপকৈ এৰি দিয়ে। জনাখিনিৰ যিমানখিনি কথাৰে প্ৰকাশ কৰে, তাতকৈ বেছিখিনি ষ্টকত ৰাখে। আৰু এচাম আছে যিয়ে যিমানখিনি জানে সিমানখিনিতো কয়েই আৰু বেছি জনা দেখুৱাবলৈ নজনাখিনিকো জনাৰ ষ্টাইলত কয়। ধৰি লওক তেওঁ মহাকাশৰ কথা নাজানে। তথাপি তেওঁ ক'ব যে মহাকাশ বৰ একেবাৰে নতুন বস্তু নহয়। 'আমি যে আকাশখন দেখো, তাতকৈ অলপ ডাঙৰ কাৰণে ইয়াক মহাকাশ বোলা হয়। মহাকাশত বৰ বেছি একো নাথাকে। তৰা, চন্দ্ৰ, বেলি সেইবোৰেই থাকে। আজিকালি মানুহৰ চখ উঠিছে মহাকাশলৈ যোৱাৰ। আৰে ভাই, সেইবোৰলৈ গৈ কি লাভ? চকুৰ আগত দেখোন সেইবোৰ দেখিয়ে আছো। তাতকৈ নিজৰ ঘৰতে ভালকৈ খাই-বৈ থাক।' তেওঁ এনেকৈ কথাবোৰ ক'ব যেন মহাকাশলৈ তেওঁ যাওঁ বুলিয়ে যাব পাৰে, কিন্তু মন কৰা নাই কাৰণেহে যোৱা নাই। এইবোৰ মানুহক কথা চহকী বোলা হয়। কথা কমকৈ ক'লে কাম বেছিকৈ কৰিব পাৰি বুলি পণ্ডিতসকলে কয়। কিন্তু এইটো ধৰাবন্ধা নহয় যে কথা বেছিকৈ কোৱা মানুহে বেছিকৈ কাম কৰিব নোৱাৰে। আচলতে কাম কৰা মানুহো দুই ধৰণৰ আছে। এচাম হ'ল নীৰৱ কৰ্মী আৰু এচাম হ'ল সৰৱ কৰ্মী।

নীৰৱ কৰ্মীসকলে কাম কৰে, কিন্তু কোনেও গম নাপায় তেওঁলোকে কাম কৰা বুলি। আকৌ এনে এচাম কাম কৰা মানুহ আছে যিয়ে কৰা প্ৰতিটো কামৰ কথা এনেকৈ চিঞৰি চিঞৰি কয় যেন তেওঁৰ বাহিৰে পৃথিৱীৰ আন কোনো মানুহে একো কামেই কৰা নাই। আমাৰ বহু ঘৰতে এনে কিছুমান বোৱাৰী দেখা যায়, যিসকলে বাকী কাম কৰা মানুহক কাম নকৰা বুলি কৈ নিজে বিছনাত বাগৰি থাকে। কিন্তু ইষ্ট-কুটুম্ব ঘৰলৈ আহিলেই এই বোৱাৰীসকল জাগি উঠে। কলিং বেল বজাৰ লগে লগে আটাইকে আদৰ-সাদৰ কৰি বহিবলৈ দিয়ে আৰু বহুদিন ফোন-চোন নকৰাৰ কাৰণ দৰ্শাই কয় যে ঘৰৰ কাম কৰোতে কৰোতে আহৰিয়ে নাপায়। শাহুৱেকৰ তামোলৰ গাঁঠি লাগিল। বোৱাৰীজনীয়ে এনে এটা চিটুৱেচনৰ সৃষ্টি কৰিলে যেন ১০৮ মাতিব লাগেই আৰু! দৌৰাদৌৰিকৈ পানী এগিলাচ আনি শাহুৱেকৰ হাতত দিলে আৰু আলহীৰ আগত ব্যাখ্যা কৰিলে যে শাহুৱেকক এৰি ক'লৈকো যাব নোৱাৰা হৈছে। মানে শাহুৱেকৰ যতন লওতে বহু সময় পাৰ হয়। ভাত ৰান্ধনিয়ে ৰান্ধিছে। ৰান্ধনিৰ হতুৱাই ৰন্ধা-বঢ়া কৰিবলৈ যে বেয়া পায়, সেই কথাও বোৱাৰীজনীয়ে ক'লে, যেন সদায় ৰন্ধা-বঢ়া কৰা কামখিনি তেৱেঁই কৰে। অথচ বহু বছৰ তেওঁ পাকঘৰত সোমায়ে পোৱা নাই। টেবুলত টেবুল মেটবোৰ পাৰি আটাইকে ভাত খাবলৈ মাতিলে। আলহীক খুৱাই-বোৱাই গেটৰ কাষলৈ আগবঢ়াই থৈ আহিল। উভতি আহি বোৱাৰীয়ে গিৰীয়েক আৰু শাহুৱেকৰ আগত বৰ্ণনা কৰিলে দিনটোত আজি তেওঁৰ কিমান কষ্ট হ'ল, কিমান কাম কৰিলে তেওঁ। ভালকৈ গমি-পিতি চালে দেখা যায় যে দিনটোত তেওঁ এইকেইটা কাম কৰিলে—আলহীক দুৱাৰ খুলি বহিবলৈ দিলে, শাহুৱেকৰ হাতত পানী এগিলাচ দিলে, ভাত খাবৰ সময়ত টেবুলত টেবুল মেটবোৰ পাৰি দিলে, আলহীক বিদায় জনাবলৈ গেটৰ কাষলৈ খোজ কাঢ়ি গ'ল। এইকেইটা কাম কৰোতে বোৱাৰীজনীয়ে এনে সৰৱ ভূমিকা পালন কৰিলে যাৰ বাবে আলহীসকলেও তেওঁৰ গুণ-গান কৰি গ'ল— বোৱাৰীজনীয়ে বেলেগ কাম কৰিব পাৰে দেই! ইয়াকে কয় সৰৱ কৰ্মী।

বৰ্তমানৰ প্ৰচাৰৰ যুগত সৰৱ কৰ্মীসকলৰ জয়জয়কাৰ হৈছে। আপুনি একো কৰিব নালাগে। চেনেলৰ চুঙাকেইটামান মাতি আনক, চুঙাকেইটাৰ আগত খাড়া হৈ ইলেকট্ৰিচিটিৰ তাঁৰকেইডাললৈ চাই কিবা এটা কৈ দিয়ক, বচ আপোনাৰ কাম হৈ গ'ল। আপুনি কি কি কাম কৰিছে বা কিমান কাম কৰিছে, তাৰ চাৰ্টিফিকেটকেইখন হ'ল সেই চুঙাকেইটা। চুঙাকেইটাৰ আগত বহি আপুনি ঘণ্টাৰ পাছত ঘণ্টা পাৰ কৰি দিয়ক, প্ৰমাণ হৈ যাব যে আপুনি এক ছেকেণ্ডো বহি থকা নাই, কেৱল কামেই কৰি আছে। চুঙাৰ আগত বহা সময়খিনিত বেলেগ কাম কৰিব পৰা নগ'লহেঁতেন নেকি? নগ'লহেঁতেন। কিয়নো কথা কম কাম বেছি জাতীয় কথাবোৰ আজিকালি নেচেল। আজিৰ দিনত আপুনি কিবা কাম কৰক বা নকৰক, কথা কিন্তু অনবৰত কৈ যাব লাগিব। কাম এটা কৰক আৰু কথা ১০ টা কওক, দেখিব- আপোনাৰ টি আৰ পি দিনক দিনে বাঢ়ি গৈছে।

অৱশ্যে টি আৰ পি জোখা মেচিনকেইটা কাৰ কাৰ ঘৰত ফিটিং কৰা আছে, সেয়া জানি ল'লে আৰু বেছি সুবিধা হয়।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*



# ক'ভিডৰ দ্বিতীয় লহৰত ক্ষতিগ্ৰস্ত অন্তঃসত্ত্বা-প্ৰসূতি

## এনে মহিলাৰ টিকাকৰণত গুৰুত্ব আৰোপ আইচএমআৰৰ

আইচিএমআৰৰ তৰফৰ পৰা দাবী কৰা হৈছে যে বিগত বছৰৰ তুলনাত এই বছৰ অন্তঃসত্ত্বা আৰু প্ৰসূতি মহিলাসকল ক'ভিডত অধিক সংখ্যাত আক্ৰান্ত হৈছে।

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ১৭ জুন ঃ** ক'ভিড-১৯ৰ প্ৰথম লহৰৰ তুলনাত দ্বিতীয়টোত অন্তঃসত্ত্বা আৰু প্ৰসূতিসকল অধিক ক্ষতিগ্ৰস্ত হৈছে। এখন গৱেষণাপত্ৰত এই কথা জনাইছে ইণ্ডিয়ান কাউন্সিল অৱ মেডিকেল ৰিচাৰ্চ (আইচিএমআৰ)-এ। আইচিএমআৰৰ তৰফৰ পৰা দাবী কৰা হৈছে যে বিগত বছৰৰ তুলনাত এই বছৰ অন্তঃসত্ত্বা আৰু প্ৰসূতি মহিলাসকল ক'ভিডত অধিক সংখ্যাত আক্ৰান্ত হৈছে। মৃত্যুৰ হাৰো যোৱাবাৰৰ তুলনাত এইবাৰ বেছি। এই গৱেষণাত ক'ভিড-১৯ৰ প্ৰথম আৰু দ্বিতীয় লহৰত অন্তঃসত্ত্বা আৰু প্ৰসূতিসকলৰ সংক্ৰমণৰ বিষয়টো দাঙি ধৰা হৈছে।

গৱেষণাত কোৱা হৈছে যে দ্বিতীয় লহৰত উপসৰ্গ থকা মহিলাৰ সংখ্যা ২৮.৭ শতাংশ বৃদ্ধি পাইছে। প্ৰথম লহৰৰ সময়ত এই হাৰ আছিল ১৪.২ শতাংশ। দ্বিতীয় লহৰত অন্তঃসত্ত্বা আৰু প্ৰসূতিৰ ক্ষেত্ৰত মৃত্যুৰ হাৰ হৈছে ৫.৭ শতাংশ। অথচ প্ৰথম লহৰত সেই হাৰ আছিল মাত্ৰ ০.৭ শতাংশ। আইচিএমআৰৰ এই সমীক্ষাতো এহেজাৰ ৫৩০গৰাকী অন্তঃসত্ত্বা আৰু প্ৰসূতিৰ ওপৰত চলোৱা হৈছিল। যাৰ ভিতৰত প্ৰথম লহৰত আক্ৰান্ত হৈছিল এহেজাৰ ১৪৩ গৰাকী মহিলা আৰু দ্বিতীয় লহৰত আক্ৰান্ত মহিলা আছিল ৩৮৭ গৰাকী। প্ৰথম আৰু দ্বিতীয় লহৰত সদ্যমাতৃৰ মুঠ মৃত্যুৰ হাৰ হৈছে দুই শতাংশ। ইয়াৰ ভিতৰত গৰিষ্ঠসংখ্যকৰ মৃত্যু হৈছে ক'ভিড নিউম'নিয়া আৰু শ্বাস-প্ৰশ্বাসৰ সমস্যাৰ কাৰণে।

গৱেষণাত আইচিএমআৰ-এ গৰ্ভৱতী আৰু স্তন্যদায়িনী মহিলাসকলক প্ৰতিষেধক প্ৰদানৰ বিষয়টোত গুৰুত্ব আৰোপ কৰিছে। ভাৰতত স্তনপান কৰাই থকা মহিলাসকলক প্ৰতিষেধক লোৱাৰ পৰামৰ্শ দিয়া হৈছে। অৱশ্যে ক্লিনিকেল ট্ৰায়েলৰ তথ্যৰ অভাৱৰ কাৰণ হিচাপেই চৰকাৰে এতিয়াও এই মহিলাসকলক প্ৰতিষেধক প্ৰদানৰ অনুমতি দিয়া নাই। অৱশ্যে কেন্দ্ৰীয় চৰকাৰৰ এটা উপদেষ্টা গোষ্ঠীয়ে সম্প্ৰতি বিষয়টোক লৈ আলোচনা অব্যাহত ৰাখিছে। যোৱা সপ্তাহত বিশ্ব স্বাস্থ্য সংস্থাৰ তৰফৰ পৰা ক'মৰ্বিডিটি থকা আৰু জটিলতা থকা অন্তঃসত্ত্বা মহিলাসকলক প্ৰতিষেধক প্ৰদানৰ ছুপাৰিছ কৰা হৈছে।

# গংগাত বাকচৰ মাজত ভাহি আহিল লখিমী কপাল ফুলিল উদ্ধাৰ কৰা নাৱৰীয়াৰ



■ নিউজ ব্যুৰ'

**গাজিপুৰ, ১৭ জুন ঃ** ঠিক যেন সাক্ষাৎ লক্ষ্মীদেৱীৰ ৰূপহে। অভিভাৱকে দুৰ্ভাগ্যশালী আখ্যা দিয়া এটি নৱজাত কন্যা শিশুৱেই সৌভাগ্য মাতি আনিলে উত্তৰপ্ৰদেশৰ এজন নাৱৰীয়ালৈ। অথচ সেই নাৱৰীয়াই উদ্ধাৰ কৰাৰ আগলৈকে নৱজাত শিশুটিৰ জীৱনেই অনিশ্চয়তাৰ মাজত আছিল। এই ঘটনা সংঘটিত হৈছে উত্তৰপ্ৰদেশৰ গাজিপুৰৰ গংগা নদীৰ দাদৰি ঘাটত।

উল্লেখ্য যে এটা কাঠৰ বাকচ উটি আহিছিল গংগাৰ পানীত। সেই বাকচটো প্ৰত্যক্ষ দৰে দাদৰি ঘাটৰ নাৱৰীয়া গুল্লু চাহুধাৰীয়ে। নাও চলাই যোৱা অৱস্থাত বাকচটো উটি অহা দেখি উৎসুক হৈ তেওঁ বাকচটো ধৰি খুলি চোৱাত হতবাক হৈ পৰে। কিয়নো বাকচৰ ভিতৰত জীৱন্ত অৱস্থাত শুই আছিল এটি নৱজাত কন্যাশিশু। লক্ষ্যণীয়ভাৱে শিশুটিৰ লগতে বাকচত বিভিন্ন দেৱ-দেৱীৰ ছবিও ৰখা আছিল। লগতে আছিল শিশুটিৰ ৰাশিফলো। দেৱশিশুটি দেখি আবেগাপ্লুত হৈ পৰে নাৱৰীয়াজন। চাহুধাৰীৰ মতে, এই কন্যাশিশুটি গংগা নদীয়ে তেওঁক উপহাৰ দিছে। সেয়ে তেওঁ শিশুটিক পালন কৰি ডাঙৰ-দীঘল কৰিব বিচাৰে। ইফালে, আৰক্ষীয়ে জনাইছে যে শিশুটিক সম্প্ৰতি জিলা চিকিৎসালয়ত ভৰ্তি কৰা হৈছে। অৱশ্যে শিশুটি কাৰ জিম্মাত থাকিব সেই বিষয়ে আৰক্ষীয়ে একো কথা কোৱা নাই। এজন স্থানীয় আৰক্ষী বিষয়াই কয় যে ইতিমধ্যে শিশুটিৰ স্বাস্থ্য পৰীক্ষা কৰোৱাৰ লগতে পিতৃ-মাতৃৰো সন্ধান চলি আছে। এই ঘটনাৰ পাছতে নাৱৰীয়াজনৰ মানৱতাক প্ৰশংসা কৰে উত্তৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে। মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে ঘোষণা কৰিছে যে ৰাজ্য চৰকাৰে শিশুটিৰ লালন-পালনৰ ব্যৱস্থা কৰিব। লগতে শিশুটিক উদ্ধাৰ কৰাৰ কৃতজ্ঞতাস্বৰূপে নাৱৰীয়া চাহুধাৰীয়ে সকলো চৰকাৰী আঁচনিৰ সুবিধা লাভ কৰিব।

# দুমাহ বয়সতে পৰিণত দেশৰ কনিষ্ঠতম নিৰাপত্তাপ্ৰাপ্ত বাসিন্দাত



গুজৰাটৰ এটি দুগ্ধপোষ্য শিশুক ২৪ ঘণ্টাই আৰক্ষীৰ পহৰা

■ নিউজ ব্যুৰ'

**গান্ধীনগৰ, ১৭ জুন ঃ** শিশুটিৰ বয়স মাত্ৰ দুমাহ। এই বয়সতে নিৰাপত্তাৰক্ষীৰে পৰিবেষ্টিত হ'বলগীয়া হৈছে দুগ্ধপোষ্য শিশুটি। কিয়নো জন্মৰ দুমাহৰ ভিতৰতে এই শিশুটি দুবাৰকৈ অপহৰণকাৰীৰ কবলত পৰিছিল। গুজৰাটৰ পেলনীয়া কাগজ বুটলি সংসাৰ চলোৱা এক পৰিয়ালৰ এই অবোধ শিশুটিৰ বাবে এতিয়া কৰা হৈছে ২৪ ঘণ্টাৰ আৰক্ষীৰ পহৰাৰ ব্যৱস্থা। সম্প্ৰতি এই শিশুকেই দেশৰ কনিষ্ঠতম নিৰাপত্তাপ্ৰাপ্ত বাসিন্দা বুলি সকলোৱে গণ্য কৰিছে।

গান্ধীনগৰৰ অডলাজ অঞ্চলৰ এটা বস্তিৰ বাসিন্দা শিশুটিৰ পিতৃ-মাতৃ। যোৱা এপ্ৰিলত পৃথিৱীৰ মুখ দেখা শিশুটি জন্মৰ দুদিন পাছতে অপহৰণকাৰীৰ কবলত পৰিছিল। গান্ধীনগৰ চৰকাৰী হাস্পতালৰ পৰা শিশুটিক অপহৰণ কৰিছিল জিগনেশ আৰু অস্মিতা ভাৰতী নামৰ এক নিঃসন্তান দম্পতীয়ে। প্ৰায় এসপ্তাহৰ পাছত আৰক্ষীয়ে অনুসন্ধান চলাই শিশুটিক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ইয়াৰ পাছত যোৱা পাঁচ জুনত পুনৰ অপহৰণকাৰীৰ কবলত পৰে শিশুটি। মাতৃয়ে চাইকেলত বান্ধি থোৱা প্লাষ্টিকৰ বাস্কেটত শিশুটিক ৰাখি মাতৃয়ে কাগজ বোটলাত ব্যস্ত হৈ পৰিছিল।

তেতিয়াই সুযোগ বুজি শিশুটিক অপহৰণ কৰি নিয়ে দীনেশ আৰু সুধা কাটৰা নামৰ আন এক নিঃসন্তান দম্পতীয়ে। অৱশ্যে সেইবাৰো চিচি টিভি ফুটেজ প্ৰত্যক্ষ কৰি আৰক্ষীয়ে চাৰি দিনৰ পাছত অপহৃত শিশুটিক উদ্ধাৰ কৰে। ইয়াৰ পাছতে শিশুটিক নিৰাপত্তা দিয়াৰ বাবে তৎপৰ হয় স্থানীয় প্ৰশাসন।

সম্প্ৰতি ২৪ ঘণ্টা আৰক্ষীৰ জোৱান শিশুটিৰ নিৰাপত্তাৰ বাবে নিয়োজিত কৰা হৈছে। লগতে বস্তিৰ পৰা শিশুটিৰ পৰিয়ালক আঁতৰাই নি তেওঁলোকৰ স্থায়ী বসবাসৰ ব্যৱস্থা কৰাৰো উদ্যোগ লোৱা হৈছে।


অসম চৰকাৰ

যোগ হৈছে কেতিয়াও ম্লান নোহোৱা এটি আলোক। যিমানে অনুশীলন কৰিব সিমানে আৰু অধিক উজ্জ্বল হ'ব।

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসম

৩ দিন বাকী

৭ম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস
২১ জুন, ২০২১

যোগাভ্যাস হৈছে এনে এটা প্ৰণালী যাৰ দ্বাৰা সন্তুলিত ভাৱে আমাৰ অন্তৰ্নিহিত শক্তিৰ উৎকৰ্ষ তথা বিকাশ সাধন হয়। যোগাভ্যাসৰ মূখ্য উদ্দেশ্য হৈছে শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ পুনঃস্থাপন আৰু সংবৰ্ধন। যোগাভ্যাসে ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰে আৰু স্বাস্থ্যকৰ জীৱন গঢ় দিয়াত সহায় কৰে। যোগাভ্যাসে আত্মাৰ মিলন পৰমাত্মাৰ সৈতে ঘটায়, যিয়ে মন, শৰীৰ আৰু আত্মাৰ এক অভুতপূৰ্ব সমন্বয় প্ৰতিফলিত কৰে।




জনসংযোগ/ডি/১২২১/২১

বজ্ৰাসন

বজ্ৰাসন শব্দটো দুটা সংস্কৃত শব্দৰ পৰা আহিছে - বজ্ৰ আৰু আসন। বজ্ৰ আক্ষৰিক ভাৱে বজ্ৰপাতলৈ ৰূপান্তৰিত হয়, হিন্দু পৌৰাণিক কাহিনীৰ মতে স্বৰ্গৰ প্ৰভু ইন্দ্ৰই ব্যৱহাৰ কৰা পৌৰাণিক অস্ত্ৰ হৈছে বজ্ৰ।

উপকাৰিতা

- এই আসনে হজম শক্তি বঢ়ায়, উৰু আৰু কলাফুলৰ মাংসপেশী সবল কৰে।

অভ্যাস বিধি

- প্ৰথমে বহি ভৰি দুখন সন্মুখৰ ফালে মেলি হাত দুখন ককালৰ দুয়োকাষে তলুৱাৰে মাটিত স্পৰ্শ কৰি ৰাখিব লাগে। সোঁ ভৰি আঁঠুত ভাঁজ কৰি আন গোৰোহা অঞ্চল সোঁ তপিনাৰ তলত স্থাপন কৰিব লাগে।
- একেদৰে বাওঁ ভৰিখন আনি বাওঁ তপিনাৰ তলত স্থাপন কৰিব লাগে।
- দুয়োভৰিৰ বুঢ়া আঙুলি সংযুক্ত হৈ থাকিব লাগে।
- দুয়ো গোৰোহাৰ মাজত বহিব লাগে।
- হাত দুয়োখন আঁঠুৰ ওপৰত ৰাখিব লাগে।
- মেৰুদণ্ড পোন হৈ বহি সন্মুখলৈ চাই চকু বন্ধ কৰিব লাগে।
- এনেদৰে অলপ সময় থাকিব লাগে এতিয়া আগৰ অৱস্থালৈ আহিবলৈ সোঁফালে হালি হৈ বাওঁভৰিখন সন্মুখৰ ফালে মেলিব লাগে
- একেদৰে সোঁ ভৰিখন মেলি আগৰ অৱস্থালৈ আহিব লাগে।

যোগাভ্যাস কৰক। ঘৰতে থাকক। আহক আমি এই বছৰৰ আন্তৰ্জাতিক যোগ দিৱস "যোগাভ্যাস কৰক আৰু ঘৰতে থাকক" বিষয়বস্তুৰে উদযাপন কৰোঁ

অসম যোগ প্ৰতিযোগিতা ২০২১ ত অংশগ্ৰহণ কৰক
idyassam2021@gmail.com ইয়াত আপোনাৰ ভিডিঅ' আমালৈ প্ৰেৰণ কৰক
আকৰ্ষণীয় নগদ পুৰস্কাৰ জিকাৰ সুযোগ পাওঁক
অধিক তথ্যৰ বাবে চাওক
https://ayush.assam.gov.in/latest/international-yoga-day-2021-assam-yoga-contest

আয়ুষ সঞ্চালকালয়, অসম
বনফুল নগৰ পথ, দিছপুৰ, গুৱাহাটী ০৬, ফোন নম্বৰ: ০৩৬১ ২২৩০৩৩৪, ইমেইল: namassam15@gmail.com


**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com